# “উত্তৰপৰীয়া মিচিং সমাজৰ পৰিৱেশ্য কলা ঃ এটি অধ্যয়ন”

শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, যোৰহাট শাখা পৰিৱেশ্য কলা বিভাগ (নৃত্য)ৰ স্নাতকোত্তৰ মহলাৰ চতুৰ্থ ষান্মাষিকৰ অন্তৰ্গত ৪০১ কাকতৰ বাবে দাখিল কৰা ক্ষুদ্ৰ গৱেষণা গ্ৰন্থ


প্ৰস্তুতকৰ্তা
প্ৰস্তুতি শইকীয়া
ৰোল নং ঃ MA-PA-29/23
পৰিৱেশ্য কলা বিভাগ (নৃত্য)
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়
যোৰহাট চৌহদ

তত্বাৱধায়ক
শ্ৰী দিপাংকৰ দত্ত
সহকাৰী অধ্যাপক
পৰিৱেশ্য কলা বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়
যোৰহাট চৌহদ



পৰিৱেশ্য কলা বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় যোৰহাট চৌহদ
২০২৩-২৫ শিক্ষাবৰ্ষ

# “উত্তৰপৰীয়া মিচিং সমাজৰ পৰিৱেশ্য কলা ঃ এটি অধ্যয়ন”

**শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, যোৰহাট শাখা পৰিৱেশ্য কলা ৰিভাগ (নৃত্য)ৰ স্নাতকোত্তৰ মহলাৰ চতুৰ্থ যান্মাষিকৰ অন্তৰ্গত ৪০১ কাকতৰ বাবে দাখিল কৰা ক্ষুদ্ৰ গৱেষণা গ্ৰন্থ**

প্ৰস্তুতকৰ্তা
প্ৰস্তুতি শইকীয়া
ৰোল নং ঃ MA-PA-29/23
পৰিৱেশ্য কলা বিভাগ (নৃত্য)
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়
যোৰহাট চৌহদ

তত্বাৱধায়ক
শ্ৰী দিপাংকৰ দত্ত
সহকাৰী অধ্যাপক
পৰিৱেশ্য কলা বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়
যোৰহাট চৌহদ

# UTTAR PARIYA MISING HOMAJAR PARIBESHYA KALAR ETI ADDHAYAN

A Dissertation submitted to Mahapurusha Srimanta Sankaradeva Viswavidyalaya
In partial fulfillment for the award of the Degree of Master of Performing Art (Dance)


Submitted By :
Prostuti Saikia
Roll No - PA-29/23
M.A. 4th Semester (Dance)
Department of Performing Arts
MSSV, Jorhat Unit

Supervised By :
Mr. Dipankar Dutta
Assistant Professor
Dept. of Performing Arts (Dance)
MSSV, Jorhat Unit


**MAHAPURUSHA SRIMANTA SANKARDEVA VISWAVIDYALAYA**
**JORHAT UNIT**

DEPARTMENT OF PERFORMING ARTS
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়
MAHAPURUSHA SRIMANTA SANKARDEVA VISWAVIDYALAYA
[Recognised Under Section 2(F) OF UGC Act, 1956]
Simanta Sankardevs Sangha Complex, Haladhar Bhuyan Path
Kalongpar, Nagaon, PIN - 782001, Assam, India

## CERTIFICATE OF SUPERVISOR

This is to certify that Mrs Prostuti Saikia has submitted student of Performing Arts 4th Semester bearing Roll No. MA/PA-29/23 with registration No. MSSV-0023-013-001666 of 2023, Mahapurusha Srimanta Sankardeva Viswavidyalaya Jorhat Unit has successfully carried out her dissertation entittled "উত্তৰপৰীয়া মিচিং সমাজৰ পৰিৱেশ্য কলাঃ এটি অধ্যয়ন" as a student researcher under my supervision and guidance for the partial fulfilment of the requuirement for the award of the degree of Master of Arts in performing Arts (Dance).

I further certify that the matter presented in this dissertation has not been submitted elsewhere for any other degree or diploma course.

All my best wishes.

Supervisor

(Dipankar Dutta)
Assistant Professor
Department of Performing Arts
MSSV, Guwahati Unit

DEPARTMENT OF PERFORMING ARTS
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়
MAHAPURUSHA SRIMANTA SANKARDEVA VISWAVIDYALAYA
[Recognised Under Section 2(F) OF UGC Act, 1956]
Simanta Sankardevs Sangha Complex, Haladhar Bhuyan Path
Kalongpar, Nagaon, PIN - 782001, Assam, India

**CERTIFICATE**

I have the pleasure to certify that Mrs Prostuti Saikia, student of Performing Arts (Dance) 4th Semester bearing Roll No. MA/PA-29/23 with registration No. MSSV-0023-013-001666 of 2023, has successfully completed the dissertation entittled "উত্তৰপৰীয়া মিচিং সমাজৰ পৰিৱেশ্য কলাঃ এটি অধ্যয়ন" , She has made successful completion of this research by her own.

I wish her all the very best for future endavour.

(Dr. Niranjan Kalita)
HOD & Professor
Department of Performing Arts
MSSV, Guwahati Unit

# ঘোষণা পত্ৰ

এই পত্ৰৰ দ্বাৰা জনাওঁ যে “উত্তৰপৰীয়া মিচিং সমাজৰ পৰিৱেশ্য কলাৰ এক অধ্যয়ন” শীৰ্ষক ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখন মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ সহকাৰী অধ্যাপক শ্ৰদ্ধাৰ শ্ৰীযুত দিপাংকৰ দত্ত ছাৰৰ তত্বাৱধানত সম্পাদনা কৰিছোঁ। এই গৱেষণা গ্ৰন্থখন বিশ্ববিদ্যালয় অথবা অন্য কোনো বিশ্ববিদ্যালয়ৰ আন আনুষ্ঠানিক শিক্ষা গ্ৰহণত ব্যৱহাৰ নকৰোঁ বুলি স্বীকাৰ কৰিলোঁ।

তাৰিখ ঃ

স্থান ঃ

প্ৰস্তুতি শইকীয়া
ৰোল নং ঃ MA-PA-29/23
পৰিৱেশ্য কলা বিভাগ (নৃত্য)
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ
বিশ্ববিদ্যালয়,যোৰহাট চৌহদ

# আগকথা

লক্ষীমপুৰ জিলাত যিহেতু মোৰ জন্ম সেয়েহে অসমৰ দ্বিতীয় বৃহৎ জনগোষ্ঠী মিচিং সকলৰ বিষয়ে সৰুৰে পৰাই দেখি অহা কিছুমান স্মৃতি জড়িত হৈ আছিল বাবে এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনিত বিষয় হিচাপে উত্তৰ পৰীয়া মিচিং সকলৰ বিষয়ে কিবা এটা গৱেষণা কৰিবৰ বাবে সাজু হ'লো আৰু সেইমতে বিষয় হিচাপে "উত্তৰপৰীয়া মিচিং সমাজৰ পৰিৱেশ্য কলাঃ এটি অধ্যয়ন" এই বিষয়টি নিৰ্বাচন কৰা হ'ল। উত্তৰ লক্ষীমপুৰৰ বিভিন্ন স্থানত গৈ ক্ষেত্ৰ অধ্যয়ন কৰা হ'ল। মিচিং সকলৰ বিভিন্ন গীত-নৃত্য, বাদ্য আৰু নাটক সমূহেৰে ভৰপূৰ হৈ থকা লোক-সংস্কৃতি সমূহ এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনিত উল্লেখ কৰা হ'ব। গতিকে হেৰাই যাব খোজা কিছুমান নৃত্য লোকগীত আৰু বাদ্যসমূহ নতুনকৈ পঢ়াসকলৰ হাতত কিছু তথ্য তুলি ধৰা হ'ব।

তেওঁলোকৰ পূৰ্বপুৰুষসকল অৰুণাচলৰ পৰা আহিছে বুলি উল্লেখ পোৱা যায় আৰু সেইবাবে নৃত্য-গীত সমূহত অৰুণাচলৰ লগত কিছু সংখ্যক মিল আছে। গতিকে মিচিং সকলৰ উৎসৱ-পাৰ্বন, অনুষ্ঠান, আদিত বিভিন্ন ধৰণৰ নৃত্যৰ উল্লেখযোগ্য ভূমিকা আছে। সেই সমূহ এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনিত উল্লেখ কৰা হ'ব।

পৰিৱেশ্য কলা বুলি ক'লে নৃত্য, গীত আৰু নাট্য এই তিনিও বিধকে সামৰে। লোক উৎসৱৰ সৈতে নৃত্য, গীতৰ এৰাব নোৱাৰা এটা অংগ। গতিকে সেই একে ধৰণেৰে মিচিং সকলৰ বসন্তকালীন উৎসৱ "আলি আই লিগাং" "পৰাগ" বা "নৰাচিৰা বিহু" এই উৎসৱ সমূহৰ বিভিন্ন ধৰণৰ নৃত্য দিয়া হয়। তেওঁলোকৰ মাজত পৰম্পৰাগত ভাৱে চলি অহা এই সমূহ বৰ্তমান অলপ সময়ৰ সোঁতত সাল-সলনি হৈছে। সেইয়েহে তেওঁলোকৰ এই পৰম্পৰা যাতে সদায় অটুট থাকে তাৰ কামনা কৰা হ'ল। তেওঁলোকৰ পৰিৱেশ্য কলাসমূহ প্ৰচাৰ প্ৰসাৰ আৰু সংৰক্ষণৰ প্ৰয়োজন আছে। সেয়েহে ইয়াৰে সংৰক্ষণৰ ওপৰত গুৰুত্ব দি "উত্তৰপৰীয়া মিচিং সমাজত পৰিৱেশ্য কলাঃ এটি অধ্যয়ন" -- এই বিষয়টো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ চতুৰ্থ ষাণ্মাসিকত প্ৰস্তুত কৰিব লগা পাঠ্যক্ৰমৰ ক্ষুদ্ৰ গৱেষণা গ্ৰন্থৰ বিষয় হিচাপে লোৱা হৈছে।

"মিচিং সমাজৰ পৰিৱেশ্য কলাৰ এক অধ্যয়ন" এই গ্ৰন্থখনি প্ৰস্তুত কৰোঁতে পথ প্ৰদৰ্শক, তত্বাৱধায়কৰ দ্বায়িত্বত থকা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ অধ্যাপক দীপাংকৰ দত্ত ছাৰৰ উৎসাহ, প্ৰেৰণা, পৰামৰ্শ আৰু প্ৰতিটো সময়তে এই গৱেষণা আগবঢ়াই নিয়াত সহায় কৰি ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনি প্ৰস্তুতকৰণত সহায় কৰিলে তাৰ বাবে তেখেতলৈ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

এই গৱেষণা গ্ৰন্থখনি প্ৰস্তুত কৰোঁতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ

সন্মানীয় অধ্যাপিকা জিণ্টি দাস (সংগীত শাখাৰ) বাইদেউৰ পৰামৰ্শই গ্ৰন্থখনি প্ৰস্তুত কৰাত যি সহায় কৰিলে এই সুযোগতে তেখেতলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মিনাক্ষী বৰুৱা বাইদেউ আৰু সমহিতা পূজাৰী বাইদেউক আন্তৰিক কৃতজ্ঞতা জনালোঁ।

এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনি প্ৰস্তুত কৰিবলৈ যাওঁতে সৰুৰ পৰা এতিয়ালৈকে প্ৰতিটো সময়ত মোক সাহস দিয়া পিতৃ-মাতৃ তথা পৰিয়ালৰ সকলোকে কৃতজ্ঞতা জনালোঁ। বিশেষকৈ মোৰ প্ৰতিটো কামতে সহায় আৰু অনুপ্ৰেৰণা দিয়া মোৰ স্বামী শ্ৰী শৈলেন গগৈক এই সুযোগতে কৃতজ্ঞতা জনালোঁ।

গৱেষণা গ্ৰন্থকনিৰ বাবে সমল বিচাৰি ক্ষেত্ৰ অধ্যয়নৰ বাবে যাওঁতে লগ পোৱা বিশিষ্ট ব্যক্তি তথা লেখক শ্ৰী জুৱেল পেগু ডাঙৰীয়াক তেওঁৰ সহায়ৰ বাবে আন্তৰিককৃতজ্ঞতা জনালোঁ। লগতে মোৰ সহপাঠীসকলক আন্তৰিক ধন্যবাদ জনালোঁ। কিয়নো সকলো সময়ত আলোচনা কৰি এই যাত্ৰাত এখন ক্ষুদ্ৰ গৱেষণা প্ৰস্তুত কৰাত সহায় কৰাৰ বাবে। লগতে নগাঁও শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য মহোদয় আৰু কলো শিক্ষাগুৰুলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

শেষত অতি কম দিনৰ ভিতৰত গ্ৰন্থখনিৰ অক্ষৰ বিন্যাস আৰু মুদ্ৰণ কৰি উলিয়াই দিয়াৰ বাবে তিতাবৰৰ এম. চি. এচ. প্ৰিণ্টিং এণ্ড পাব্লিকেশ্বনৰ স্বত্বাধিকাৰী শ্ৰী মনজিৎ শৰ্মা আৰু কাবেৰী সোণোৱাললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

তাৰিখঃ
স্থান ঃ

প্ৰস্তুতি শইকীয়া
পৰিৱেশ্য কলা বিভাগ (নৃত্য)
চতুৰ্থ যাণ্মাসিক
কাকত নং ৪০১
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়
যোৰহাট শাখা

# সূচীপত্ৰ


প্ৰথম অধ্যায় ঃ ১১ -১৪

১.০১ ঃ অৱতৰণিকা

১.০২ ঃ অধ্যয়ণৰ লক্ষ্য আৰু উদ্দেশ্য

১.০৩ ঃ অধ্যয়ণৰ পৰিসৰ

১.০৪ ঃ বিষয়ৰ গুৰুত্ব

১.০৫ ঃ পূৰ্বকৃত অধ্যয়ণৰ সমীক্ষা

১.০৬ ঃ অধ্যয়ণৰ পদ্ধতি আৰু সমল সংগ্ৰহ

১.০৭ ঃ গৱেষণাৰ প্ৰশ্ন

১.০৮ ঃ প্ৰাক্ পৰিকল্পনা

দ্বিতীয় অধ্যায় ঃ ১৫ -২১

২.০১ ঃ অধ্যয়ণৰ ক্ষেত্ৰ

ভৌগোলিক অৱস্থান

জন গাঁঠনি

সাংস্কৃতিক

২.০২ ঃ লক্ষীমপুৰ জিলাৰ ঐতিহাসিক অনুষ্ঠান সমূহ

২.০৩ ঃ উত্তৰপৰীয়া মিচিং সমাজৰ সংক্ষিপ্ত পৰিচয়

২.০৪ ঃ মিচিং সমাজৰ লোক পৰিৱেশ্য কলা

তৃতীয় অধ্যায় ২২ -৩৯

৩.০১ ঃ উত্তৰ পৰীয়া মিচিং সমাজৰ পৰিৱেশ্য কলাৰ এক অধ্যয়ন

৩.০১.০১ ঃ পৰিৱেশ্য কলাৰ ভাগ

ক) লোক পৰিৱেশ্য কলা

খ) পৰিৱেশ্য কলা

গ) থিয়েটাৰ, নাটক

গ) অন্যান্য

৩.০১.০২ ঃ পৰিৱেশ্য কলাৰ বৈশিষ্ট্য

৩.০১.০৩ ঃ মিচিং সকলৰ নৃত্য

ধৰ্মীয় নৃত্য

বিশ্ৰামমূলক নৃত্য

কৃষি উৎসৱমূলক নৃত্য

৩.০১.০৪ ঃ মিচিং সকলৰ লোকগীত

অনুষ্ঠানমূলক

কথোপকথন

বিননীমূলক

কৰ্মবিষয়ক

বিবিধ বিষয়ক

৩.০১.০৫ ঃ বিননীমূলক গীত

কাহিনীমূলক কাবান গীত

বৰ্ণনামূলক কাবান গীত

৩.০১.০৬ ঃ কৰ্মবিষয়ক গীত

কঃ নিঃ নাম বা (নিচুকনি গীত)

লত্‌তা চঃ মান

৩.০১.০৭ ঃ বিবিধ বিষয় গীত

ঐনিঃতম

ধৰ্মীয় গীত

লীৰীলি বা লীৰিলী

৩.০১.০৮ ঃ মিচিং বাদ্যসমূহৰ চমু বিৱৰণ

সুষিৰ বাদ্য (Aero Phonos)

ঘন বাদ্য (IdioPhonos)

অৱনদ্ধ বাদ্য (Membrano Phonos)

তত্‌বাদ্য (Memprano Phonos)

৩.০১.০৯ ঃ মিচিং সমাজৰ নাটক

গীত, নৃত্য আৰু সংলাপৰ সংমিশ্ৰণয

ঐতিহাসিক ঘটনা

সামাজিক নিয়ম

স্থানীয় সংস্কৃতি

পৰম্পৰাগত সাজ-পাৰ

৩.০২ ঃ শংকৰী সংস্কৃতি আৰু মিচিং সমাজ

চতুৰ্থ অধ্যায় ৪০ -৫২

৪.০১ ঃ মিচিংসকলৰ পৰম্পৰাগত সাজ-পাৰ আৰু অলংকাৰ

৪.০১.০১ ঃ সাজপাৰ

পুৰুষে ব্যৱহাৰ কৰা সাজ-পাৰ

মহিলাই ব্যৱহাৰ কৰা সাজ-পাৰ

পুৰুষ-মহিলা উভয়ে ব্যৱহাৰ কৰা সাজ-পাৰ

৪.০১.০২ ঃমিচিংসকলে ব্যৱহাৰ কৰা অলংকাৰ

পুৰুষ অলংকাৰ

মহিলা অলংকাৰ

পঞ্চম অধ্যায় ৫৩ -৫৬

৫.০১ ঃ উপসংহাৰ

৫.০২ ঃ গৱেষণাৰ পৰা প্ৰাপ্ত সিদ্ধান্ত

৫.০৩ ঃ ভৱিষ্যৎ গৱেষণাৰ কিছু দিশ

গ্ৰন্থপঞ্জী ৫৭

তথ্যদাতাৰ তালিকা ৫৮

আলোকচিত্ৰৰ আভাস ৫৯ - ৭৫

# প্রথম অধ্যায়

**১.০১ বিষয়ৰ পৰিচয় ঃ**

অসম এখন বিভিন্ন জাতি উপ-জাতিৰে ভৰা আৰু বাৰেবৰণীয়া কৃষ্টি সংস্কৃতিৰে ভৰা এখন সুন্দৰ অসম। অসম ৰাজ্যখনক এখন ফুলাম গামোচাৰ লগত মিলাব পাৰি। এইখন অসমৰে অন্য জনগোষ্ঠীৰ দৰেই বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতিৰে সমৃদ্ধ মিচিং সকল। মিচিং সকলক বহুতে আদিম যুগ বা আদিতে 'মিৰি' নামেৰেও নামাকৰণ কৰিছিল।

ভাৰতৰ সংবিধানত মিচিং সকলক ভৈয়ামত জনজাতি হিচাবে 'মিৰি' নামেৰে চিহ্নিত কৰিছে। কিন্তু মিচিং সকলে আজিও নিজকে 'মিচিং' বুলিহে পৰিচয় দিয়া দেখা যায়। মিচিং জনগোষ্ঠী ভাৰতৰ অন্যতম খিলঞ্জীয়া জনগোষ্ঠী, মূলত ঃ উত্তৰ-পূব অসম ৰাজ্যত বাস কৰে। বিশেষকৈ মিচিংসকল অসম ৰাজ্যৰ লখিমপুৰ, ধেমাজি, তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, গোলাঘাট, যোৰহাট, মাজুলী, দৰং, শোণিতপুৰ জিলাত প্ৰধানকৈ বাস কৰা দেখা যায়। মিচিং সকলৰ জীৱনশৈলী সাধাৰণ। কিয়নো তেওঁলোকে নৈ পাৰত বেছিকৈ থকা দেখা যায়। ভাৰতৰ ২০১১ চনৰ লোক পিয়ল অনুসৰি অসমৰ মুঠ জনসংখ্যা ৭,৩৭,৮৩৬ জন। যি মিচিং ৰ জনসংখ্যা ৬,৮০,৮২৮ জন।

যদিও মিচিং সকল বিভিন্ন জিলাত বাস কৰে তেওঁলোকৰ সংস্কৃতি প্ৰায় একে। বিভিন্ন ধৰ্মীয় উৎসৱ-পাৰ্বন, ৰীতি-নীতিৰ লগত মিচিং সকলৰ গীত, বাদ্য, নৃত্য সংপৃক্ত হৈ আছে। সেই বিষয়ে এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনিত আলোচনা কৰা হ'ব।

বিশেষকৈ বিভিন্ন জিলাৰ মিচিং সকলৰ পৰিৱেশ্য কলাৰ বিষয়ে আলোচনা কৰা সম্ভৱ নহ'ব। সেয়েহে উত্তৰ পাৰৰ লখিমপুৰ জিলাত বাস কৰা মিচিং সকলৰ লোক পৰিৱেশ্য কলাৰ বিষয়ে ক্ষুদ্ৰ গৱেষণা গ্ৰন্থত আলোচনা কৰা হ'ব।

**১.০২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

অসমত বাস কৰা মিচিং জনগোষ্ঠীৰ বিষয়ে বহুতেই বিভিন্ন গৱেষণা গ্ৰন্থত প্ৰকাশ কৰিছে যদিও "উত্তৰপৰীয়া মিচিং সমাজৰ পৰিৱেশ্য কলাৰ" বিষয়ে বিতংভাৱে আলোচনা হোৱা নাই। বৰ্তমান হেৰাই যাব ধৰা গীত-নৃত্য সমূহ কি কেনেকোৱা আছিল সেই বিষয়ে নৱ প্ৰজন্মৰ আগত কিছুমান নজনা কথা এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনিত যুগুত কৰা হ'ব।

**১.০৩ অধ্যয়নৰ পৰিসৰ ঃ**

অসমৰ বিভিন্ন ঠাইত মিচিং সকলে বসবাস কৰে যদিও ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ মিচিং সকলৰ লোক পৰিৱেশ্য কলাৰ বিষয়ে অধ্যয়ন কৰিবলৈ গৈ গৱেষণাৰ কামত কেৱল উত্তৰ লখিমপুৰকেই গৱেষণাৰ ক্ষেত্ৰৰূপে নিৰ্বাচন কৰি লোৱা হৈছে।

**১.০৪ বিষয়ৰ গুৰুত্ব ঃ**

ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনিত ঐতিহাসিক আৰু বৰ্ণনাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। গৱেষণা

গ্ৰন্থখনত আটাইতকৈ গুৰুত্ব আৰোপ কৰা হৈছে ক্ষেত্ৰ অধ্যয়নৰ ওপৰত। যিহেতু মিচিং সকলৰ বিষয়ে কোনো বুৰঞ্জীত লিখিত নাই। সেইবাবে তথ্য দাতা আৰু দাত্ৰীৰ যোগেদি লাভ কৰা কিছুমান তথ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনত সকলো অঞ্চল তথা সকলো লোকক সামৰি ল'ব পৰা নহ'ল। সমাজৰ আগশাৰী লোক আৰু সংস্কৃতিৰ লগত জড়িত থকা বিজ্ঞলোকক লগ ধৰি এই গৱেষণা গ্ৰন্থখনিৰ বাবে কিছু তথ্য সংগ্ৰহ কৰি মিচিং সকলৰ লোক পৰিৱেশ্য কলাৰ বিষয়ে পাতনি মেলা হ'ব।

১.০৫ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ

মিচিং সকলৰ ভাষা, সাহিত্য, সংস্কৃতিৰ সম্পৰ্কে বিভিন্ন গ্ৰন্থ, প্ৰবন্ধ, সংকলন, আলোচনী আদিত উল্লেখ পোৱা যায়। মিচিং লোক পৰিৱেশ্য কলাৰ বিষয়ে -

"মিচিং সমাজ আৰু সংস্কৃতি, পায়েং, সদানন্দ,

জনজাতীয় সমাজ সংস্কৃতি পাটৰ পদ্ম (সম্পাদক) এই গ্ৰন্থৰ পৰা কিছু তথ্য লোৱা হৈছে।

"মিচিং সমাজ সংস্কৃতি আৰু পৰম্পৰা" - পেগু জুৱেল এই গ্ৰন্থখনিৰ পৰা কিছু তথ্য সংগ্ৰহ কৰা হৈছে।

"Folk Dance of the Misings" - Pegu Juwel - এই গ্ৰন্থ কেইখনিৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে।

বিশেষকৈ 'দকচিৰি' নামৰ আলোচনী (প্ৰথম বছৰ, ডিচেম্বৰ, ২০১১) দ্বি-ভাষিক ই আলোচনী।

অন্য এখন আলোচনী "আম্‌পিৰ" - ২০২৫ সম্পাদক - মিগাং বিকাশ পেগু এই প্ৰবন্ধখনিৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে।

প্ৰধানকৈ ক্ষেত্ৰ অধ্যয়ন আৰু ইণ্টাৰনেটৰ সহায়ত বিভিন্ন গৱেষণা পত্ৰ আৰু ক্ষুদ্ৰ গৱেষণা গ্ৰন্থৰ পৰা তথ্য সংগ্ৰহ কৰি এই ক্ষুদ্ৰ গ্ৰন্থখনিৰ সন্নিবিষ্ট কৰা হ'ব।

১.০৬ গৱেষণামূলক প্ৰশ্ন ঃ

এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনি যুগুত কৰিবলৈ যাওঁতে বিভিন্ন প্ৰশ্ন যুগুত কৰা হৈছে।

(ক) মিচিং সকলৰ জীৱন প্ৰণালী কেনেকুৱা?

(খ) মিচিং সকলৰ পৰিৱেশ্য কলা বুলি ক'লে বেলেগ বেলেগ পৰম্পৰা আছে নেকি?

(গ) মিচিং সকলৰ নৃত্য-গীত এতিয়াও আগৰ দৰেই আছেনে?

(ঘ) তেওঁলোকক গীত-নৃত্যত বেলেগ সংস্কৃতিৰ দৰে আধুনিকতাৰ প্ৰভাৱ আহিছে নেকি?

(ঙ) মিচিং সকলৰ নৃত্য গীতত বেলেগ সংস্কৃতিৰ প্ৰভাৱ পৰিছে নেকি?


(চ) তেওঁলোকৰ সংস্কৃতিৰ ওপৰত বেলেগ সংস্কৃতিয়ে প্ৰভাৱ পেলাইছে নেকি?

(ছ) শংকৰী সংস্কৃতিৰ প্ৰতি আগ্ৰহ আৰু অৰিহণা কেনেকুৰা ?

১.০৭ প্ৰাক্ - পৰিকল্পনা ঃ

বৰ্তমান সময়ত মিচিং জনগোষ্ঠীৰ যি লোক পৰিৱেশ্য কলা এই বিষয়ে বিভিন্ন লোক অনুশীলন কৰিছে যদিও সঠিক গ্ৰন্থৰ অভাৱ আৰু কিছুমান নজনা ৰীতি-নীতিৰে ভৰপুৰ হৈ থকা মিচিং সমাজৰ হেৰাই যাব খোজা কিছুমান গীত-নৃত্য, বাদ্য আদিৰ বিষয়ে এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনিত লিপিবদ্ধ কৰা হয়।

# দ্বিতীয় অধ্যায়


LAKHIMPUR DISTRICT
DHEMAJI DISTRICT
ARUNACHAL PRADESH
JORHAT DISTRICT
SONITPUR DISTRICT
Legend

**২.০১ অধ্যয়নৰ ক্ষেত্ৰ ঃ**

ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰিবলৈ উত্তৰ পাৰৰ লক্ষীমপুৰ জিলাখনকেই নিৰ্বাচন কৰা হৈছে। যিহেতু, সেই জিলাখনৰ বিষয়ে কিছু আভাস তলত উল্লেখ কৰা হ'ল। ভাৰতৰ উত্তৰ-পূৰ্বত অৱস্থিত অসম ৰাজ্যৰ উত্তৰ পূব কোণত অৱস্থিত এখন জিলা। বৰ্তমান লক্ষীমপুৰ জিলাৰ চাৰিসীমা হ'ল -

- উত্তৰে অৰুণাচল প্ৰদেশ।
- দক্ষিণে মাজুলী, গোলাঘাট আৰু ব্ৰহ্মপুত্ৰ নদী।
- পূবে ধেমাজি আৰু ডিব্ৰুগড় জিলা আৰু
- পশ্চিমে বিশ্বনাথ জিলা।

জিলাখনৰ সদৰ হৈছে উত্তৰ লক্ষীমপুৰ আৰু মহকুমা তিনিটা - উত্তৰ লক্ষীমপুৰ, নাৰায়নপুৰ আৰু ঢকুৱাখানা।

**২.০১.০১ ভৌগোলিক অৱস্থান ঃ**

অসমৰ উত্তৰ-পূব অংশত লক্ষীমপুৰ জিলাৰ অৱস্থান। অক্ষাংশ ২৬° ৪৮ উত্তৰৰ পৰা ২৭° ৫৩ উত্তৰলৈ আৰু দ্ৰাঘিমাংশ ৯৩° ৪২ পূবৰ পৰা ৯৪° ২০ পূবলৈ বিস্তৃত। হিমালয় পৰ্বতৰ কাষ চুই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰে বিয়পি মাজুলী নদী-দ্বীপৰ পৰা স্পৰ্শ কৰি থকা লক্ষীমপুৰ জিলা, য'ত নদ-নদী, খাল, বিল, জলাশয় আৰু জলজ সম্পদেৰে মহীয়ান। এই লক্ষীমপুৰ জিলা উত্তৰে অৰুণাচল প্ৰদেশ, পূবে ধেমাজি জিলা, দক্ষিনে খেৰকটিয়া- লোহিত সোৱণশিৰি সুঁতি যাক মাজুলীক সাৱটি থকা ব্ৰহ্মপুত্ৰৰ উত্তৰাংশ বোলা হয় আৰু পশ্চিমে শোণিতপুৰ জিলাৰে পৰিবেষ্টিত। ২২৭৭ বৰ্গ কিলোমিটাৰ মাটিকালি লক্ষীমপুৰ জিলাখন দক্ষিণ পশ্চিমৰ পৰা উত্তৰ পূৰ্বলৈ ৮৫ কিলোমিটাৰ আৰু সোৱণশিৰি নদীৰ বুকুৰেদি উত্তৰা-দক্ষিণাকৈ প্ৰায় ৪৫ কিঃমিঃ বহল। বিশেষকৈ ব্ৰহ্মপুত্ৰৰ উপ-নৈবোৰ হ'ল - সোৱণশিৰি, ৰঙানৈ, ডিক্ৰং, ইত্যাদি নদীকেইখন। হিমালয়ৰ পৰা বাগৰি অহা মূল্যবান গেদেৰে চহকী জিলা। লক্ষীমপুৰৰ জিলাখনৰ মুঠ মাটি কালি ২২৭৭ বৰ্গ কিলোমিটাৰ।

**জনগাঁথনি ঃ**

জনগাঁথনিৰ কথা ক'বলৈ গ'লে লোকপিয়ল অনুসৰি মুঠ জনসংখ্যা হৈছে - ১০,৪০,৬৪৪। ২০০১-২০১১ চনৰ ভিতৰত জনসংখ্যাৰ হাৰ হৈছে ১৭.০৫ শতাংশ।

পুৰণি দিনত লক্ষীমপুৰত ঘন জনবসতি অঞ্চল নাছিল। কোনো কোনোৱে কোৱাৰ মতে ডাঠ-হাবি-জংঘল, বাৰিষা ঘনাই হোৱা বানপানী আৰু যাতায়ত অসুবিধা থকাৰ বাবে মানুহে এই অঞ্চলত বাস কৰা নাছিল। চীনৰ আক্ৰমণৰ পিছত মিটাৰ গজ ৰেল লাইনৰ মুখ দেখে। ৰেল চলাচল হোৱাৰ পিছৰ পৰাই জনসংখ্যা বৃদ্ধি হ'ব ধৰিলে বুলি কিছু কিছু গ্ৰন্থত

উল্লেখ পোৱা যায়। ১৯৬৩-৬৪ চনৰ পৰা ৰেল চলাচল হোৱাৰ পৰা জনসংখ্যা বৃদ্ধি পাবলৈ ধৰে।

২০০১ চনৰ লোক পিয়ল অনুসৰি মুঠ জনসংখ্যা ৮,৮৯,০১০ জনৰ ভিতৰত বিভিন্ন ধৰ্মালম্বী লোকৰ সংখ্যা আছিল এনে ধৰণৰ -

- হিন্দু ৭,০২,৪৪১ জন - ৭৯.০৬ শতাংশ
- মুছলিম ১,৪৩,৫০৫ জন ১৬.১৫ শতাংশ
- খ্ৰীষ্টিয়ান ৩৬,৬৬৭ জন ৪.৪২ শতাংশ
- বৌদ্ধ ধৰ্মালম্বী - ১,৩৫২ জন
- জৈন ধৰ্মালম্বী ১৪৮ জন আৰু
- অন্যান্য ধৰ্মৰ লোক ৩,৩৭১ জন।

জনবসতি ঘনত্ব প্ৰতিবৰ্গ কিলোমিটাৰত ৪৫৭ জন। ২০১১ চনৰ লোক পিয়ল অনুসৰি জিলাখনৰ স্বাক্ষৰতাৰ হাৰ ৭৮.৩৯ শতাংশ পুৰুষ আৰু মহিলাৰ স্বাক্ষৰতাৰ হাৰ ক্ৰমে ৮৪.৬৬ শতাংশ আৰু ৭১.৯১ শতাংশ।

**সাংস্কৃতিক**

লক্ষীমপুৰ জিলাৰ সাংস্কৃতিক বৈচিত্ৰ্যই ইয়াক মনোমোহা কৰি তুলিছে। কিয়নো অসমীয়া সংস্কৃতি, ভাষা, নৃত্য-গীতৰ সংগম ইয়াত দেখা পোৱা যায়। বিশেষকৈ বিহু বিয়াঘৰীয়া নৃত্য আৰু বিভিন্ন ভাষা-ভাষী লোক ইয়াত বাস কৰে। তাৰে ভিতৰত লক্ষীমপুৰ জিলাত স্থায়ীভাৱে বসবাস কৰি থকা বিভিন্ন ভাষা গোষ্ঠীৰ ভিতৰত -

আৰ্য গোষ্ঠীৰ অন্তৰ্গত অসমীয়া বঙালী, নেপালী, মাৰোৱাৰী, হিন্দুী, উড়িয়া, পঞ্জাৱী আদি ভাষা - ভাষীসকল অন্যতম।

চীন - তিব্বতীয়া শাখাৰ অন্তৰ্গত বড়ো ভাষা গোষ্ঠীৰ অন্তৰ্গত - ফোন বা মুণ্ডা শাখা। এই শাখাৰ উপশাখা হ'ল - বড়ো, সোণোৱাল কছাৰী, মিচিং, দেউৰী, ৰাভা, খামতি সকলেই প্ৰধান লোক।

লক্ষীমপুৰ জিলাৰ প্ৰধান ভাষা হ'ল - অসমীয়া। ইয়াৰ ৰূপ ঘাইকৈ দুটা এটা লিখিত আৰু আনটো কথিত ৰূপ বা কথা (মুখে মুখে প্ৰচলিত) ইয়াৰে কথ্যৰূপৰ প্ৰতিফলন লক্ষীমপুৰত দেখা পোৱা যায়।

**২.০২ লক্ষীমপুৰ জিলাৰ ঐতিহাসিক অনুষ্ঠানসমূহ ঃ**

লক্ষীমপুৰ জিলাত থকা ঐতিহাসিক অনুষ্ঠান সমূহৰ এক সুকীয়া পৰিৱেশ জড়িত হৈ আছে। সেইসমূহ হ'ল -

(পৃষ্ঠা ৬২৩) গোস্বামী হৰেন্দ্ৰ দেৱ (২০০৯) এয়া লখিমপুৰ (গ্ৰন্থ ঃ লখিমপুৰ দপৰ্ণ)।

■ শ্ৰীশ্ৰী বঁটাৰ গঞা সত্ৰ
■ বাসুদেৱ থান নৰোৱা সত্ৰ
■ ৰজাবাৰী
■ হাৰ্হি দেৱালয়
■ গৰখীয়া দৌল
■ নীল দেৱালয়
■ পঞ্চানন দেৱালয়
■ লোণপানী দৌল
■ মাঘনোৱা দল, মাঘনোৱা দৌল আৰু দোতালা
■ ফুলবাৰী দেৱালয়
■ বুটিকুৰ
■ চাউলধোৱা
■ আই ভাদুমণি থান
■ বাধা কৰা
■ দুলুং মুখ
■ কদম
■ খগা
■ হাতী লুং
■ পকাদ'ল
■ পকাদ'ল পিঠাগুৰি
■ ৰাজগড় আলি
■ বৈঠাৰতী দেৱালয়
■ মুঢ়া ভগা দ'ল
■ বুঢ়ী গোসানীৰ থান
■ আদি এলেঙী সত্ৰ
■ বৰ এলেঙী সত্ৰ
■ দেওঘৰ
■ ঘাৰমৰা সত্ৰ
■ নাহৰ আটি সত্ৰ
■ বিষ্ণু বালি কুচি

- ■ লেতেকু পুখুৰী
- ■ বেলগুৰি থান বা সত্ৰ
- ■ পুনীয়া সত্ৰ
- ■ চাঙিনী থান
- ■ বাহজেঙনী সত্ৰ

**২.০৩ উত্তৰপৰীয়া মিচিং সমাজৰ সংক্ষিপ্ত পৰিচয় ঃ**

মিচিং সমাজৰ পৰিচয় দিয়াৰ আগতে মিচিংসকল কোন হয় ক'ৰ পৰা আহিছিল সেই বিষয়ে তলত চমুকৈ উল্লেখ কৰা হ'ব --

মিচিং সকল ভাৰতৰ অন্যতম খিলঞ্জীয়া জনগোষ্ঠী, অসম ৰাজ্যৰ উত্তৰ-পূৰ্বত বাস কৰে। তেওঁলোকৰ সংস্কৃতি, ঐতিহ্য, ৰীতি-নীতি, পৰম্পৰাৰে মিচিং জনগোষ্ঠীয়ে এক বৈচিত্ৰময় মনোমোহা পৰিৱেশ দাঙি ধৰি ৰাখিছে। উত্তৰ-পূব ভাৰতৰ জনজাতি সমূহৰ ভিতৰত মিচিং জনগোষ্ঠী দ্বিতীয় বৃহত্তম জনগোষ্ঠী।

মিচিং জনগোষ্ঠীটো (Missing Tribe) তিৰ্ব্বত বাৰ্মান ভাষা পৰিয়ালৰ অন্তৰ্গত আৰু মংগোলয়ড অঞ্চলৰ পৰা ভাৰতৰ উত্তৰ-পূব অংশলৈ প্ৰব্ৰজন কৰা বুলি ধাৰণা কৰা হয়। তেওঁলোকৰ ইতিহাসৰ বৈশিষ্ট হৈছে ব্ৰহ্মপুত্ৰ উপত্যকাত ক্ৰমান্বয়ে বসতি স্থাপন, য'ত তেওঁলোকে বৈচিত্ৰময় পৰিৱেশ আৰু সাংস্কৃতিক পৰিৱেশৰ লগত খাপ খাই পৰিছিল।

মিচিং সকলৰ নিজা সংস্কৃতি আৰু পৰম্পৰা আছে। কিছুমান থলুৱা নিয়মেৰে তেওঁলোকৰ সমাজখন পৰিচালনা কৰে। তেওঁলোকে অসমীয়া মানহৰ মাজত বসবাস কৰা জনগোষ্ঠীটোৱে অসমত বহু শতিকা ধৰি সামাজিক, সাংস্কৃতিক আদৰ বাবেই পূৰ্বৰ পৰা এতিয়ালৈকে সংস্কৃতি বজাই ৰাখিছে। মিচিং সকল আৰু  অৰুণাচল প্ৰদেশৰ জাতি-জনজাতি অসমৰ ভৈয়ামত থাকিবলৈ লৈছিল। ইয়াৰ পিছত তেওঁলোকৰ ভাষাৰ সৃষ্টি কৰিছিল। ইয়াৰ পিছত তেওঁলোকৰ উপ-ভাষাৰ সৃষ্টি কৰিছিল আৰু অসমৰ বিভিন্ন ভৈয়ামৰ লোকেও তেওঁলোকৰ সংস্কৃতিৰ লগত নিজকে (আত্মসাৎ) কৰি আহিছে।

ভাতৰ ২০১১ চনৰ লোকপিয়ল অনুসৰি মিচিং সকলৰ মুঠ জনসংখ্যা মুঠ ৭, ৩৭, ৮৩৬ যি অসমৰ জনসংখ্যা আৰু অৰুণাচল প্ৰদেশৰ জনসংখ্যা ৫৭,৪১২। খ্ৰীষ্টপূৰ্ব ত্ৰয়োদশ আৰু চতুদৰ্শ শতিকাৰ মাজৰ কোনোবা এটা সময়ত মিচিং সকলৰ প্ৰথমটো গোট উপত্যকাৰ ওপৰৰ অঞ্চলত বসতি কৰিছিল বুলি বিশ্বাস কৰা হয়। সেয়েহে এতিয়াও মিচিং সকলে চাংঘৰ সাজি সেই ঘৰত বাস কৰে।

---

(হৰেন্দ্ৰ দেৱগোস্বামী, ২০০৯,) এয়া লখিমপুৰ (গ্ৰন্থ ঃ লক্ষীমপুৰ দৰ্পন) পৃষ্ঠা (৬-২৩)

(মিচিং সমাজ আৰু সংস্কৃতি লেখক পেগু ইন্দ্ৰশ্বৰ) প্ৰকাশক ঃ অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠান, পৃষ্ঠা ঃ (২৩-২৭)।

**২.০৪ মিচিং সমাজৰ লোক পৰিৱেশ্যকলা ঃ**

মিচিং সকলৰ লোক পৰিৱেশ্য কলা বুলি ক'লে বিভিন্ন ধৰণৰ নৃত্য, গীত, বাদ্য আদিকে বুজায়। মিচিং সমাজৰ লোক পৰিৱেশ্য কলাৰ ভিতৰত বিভিন্ন ধৰণৰ গীত, নৃত্য, নাটক আদি কলাবোৰৰ জড়িয়তে তেওঁলোকে নিজৰ সংস্কৃতি, ঐতিহ্য, জীৱন ধাৰা, বিশ্বাস আদি প্ৰকাশ কৰে। মিচিং সকলৰ লোক পৰিৱেশ্য কলা কিছুমান হ'ল -

**২.০৪.০১ কাবাংগীত** (Kabangit)

কাবাং গীত হৈছে লোক সংগীতৰ এক প্ৰকাৰ। যি মিচিং সমাজত বহু প্ৰিয়। ইয়াক তেওঁলোকৰ দৈনন্দিত জীৱন, বিবাহ, উৎসৱ আদি সামাজিক অনুষ্ঠানত গোৱা হয়।

**২.০৪.০২ আঃ বাস** (A: bas)

আঃ বাস (A: bas) হৈছে লোকনৃত্যৰ এক প্ৰকাৰ। ইয়াত বিভিন্ন ধৰণৰ বাদ্য-বাজনা ব্যৱহাৰ কৰা হয়। যেনে - বাঁহ, কাঠ আদিৰে নিৰ্মিত বাদ্য-বাজনা।

**২.০৪.০৩ অন্যান্য নৃত্য ঃ**

মিচিং সমাজত বিভিন্ন উৎসৱ বিভিন্ন ধৰণৰ নৃত্য অনুষ্ঠিত হয়, যিবোৰে তেওঁলোকৰ সংস্কৃতিৰ এক অংশ।

**২.০৪.০৪ নাটক ঃ**

তেওঁলোকে তেওঁলোকৰ বিশ্বাস, ধৰ্মীয় কাহিনী আদি নাটকৰ জড়িয়তে প্ৰকাশ কৰে।

**২.০৪.০৫ অন্যান্য লোক কলা ঃ**

মিচিং সমাজত লোক শিল্প, লোক শিল্প, লোক সাহিত্য, লোক বিশ্বাস আদিও পৰিৱেশ্য কলাৰ অংশ।

এইবোৰৰ জৰিয়তে মিচিং সমাজৰ লোকসকলে নিজৰ সংস্কৃতিৰ প্ৰতি এক গভীৰ অনুভূতি প্ৰকাশ কৰে। তেওঁলোকে এই কলাবোৰক তেওঁলোকৰ জীৱনৰ অবিচ্ছেদ্য অংশ হিচাপে গণ্য কৰে।

# তৃতীয় অধ্যায়

**৩.০১ উত্তৰপৰীয়া মিচিং সমাজৰ পৰিৱেশ্য কলাৰ এক অধ্যয়ন ঃ**

উত্তৰপৰীয়া মিচিং সমাজৰ পৰিৱেশ্য কলাৰ বিষয়ে আলোচনা কৰা আগত পৰিৱেশ্য কলা কি, সেই বিষয়ে জনাটো দৰকাৰ - পৰিৱেশ্য কলা হৈছে সেইবোৰ কলা যাৰ জৰিয়তে কোনো কাৰ্য্য বা নাটক উপস্থাপন কৰা হয় গীত, নৃত্য বা অভিনয়ৰ জৰিয়তে। লোকনৃত্য, লোকগীত, নাটক, বাদ্য বাজনা আদি পৰিৱেশ্য কলাৰ অন্তৰ্গত।

পৰিৱেশ্য কলাৰ বিভিন্ন ধৰণ আছে -

(ক) লোক পৰিৱেশ্য কলা

(খ) থিয়েটাৰ

(গ) অন্যান্য

(ক) লোক পৰিৱেশ্য কলা ঃ এই কলাত লোকগীত, লোকনৃত্য, লোকবাদ্য, লোকনাটক আদি স্থানীয় সংস্কৃতি প্ৰকাশ কৰা হয়।

(খ) থিয়েটাৰ ঃ নাটক বা অভিনয়ৰ জড়িয়তে মানৱ জীৱনৰ নানা দিশ দৰ্শকৰ আগত উপস্থাপন কৰি বিভিন্ন চৰিত্ৰৰ জীৱন্ত ৰূপ দিয়ে।

(গ) অন্যান্য ঃ গীত, নৃত্য, অভিনয়, বাদ্য বা অন্য যিকোনো কলা যাৰ জৰিয়তে কোনো কাৰ্য্য নাটকৰ জৰিয়তে উপস্থাপন কৰা হয়।

পৰিৱেশ্য কলাৰ বৈশিষ্ঠ্য ঃ পৰিৱেশ্য কলাৰ ওপৰত অধ্যয়ন কৰিলে কিছুমান বৈশিষ্ট দেখা পোৱা যায়।

(i) এই কলাৰ মূল লক্ষ্য হৈছে পৰিৱেশনৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা।

(ii) যিকোনো কলা ৰূপ পৰিৱেশন কৰিবলৈ যোৱাৰ আগতে তাৰ শৈলিগত দিশসমূহ ভালদৰে অনুধাৱন কৰাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা।

(iii) পৰিৱেশ্য কলাৰ জড়িয়তে আমি মানৱ জীৱনৰ নানা দিশ অভিনয়ৰ দ্বাৰা প্ৰকাশ কৰিব পাৰো।

(iv) পৰিৱেশ্য কলাই দৰ্শকক আনন্দ দিয়ে।

(V) এই পৰিৱেশ্য কলাৰ জড়িয়তে শিক্ষা লাভ কৰিব পাৰি।

এতিয়া আলোচনা কৰিম মিচিং সমাজৰ লোক পৰিৱেশ্য কলাৰ ভিতৰত কি কি অন্তৰ্ভূক্ত হৈ আছে। মিচিং সমাজৰ লোক পৰিৱেশ্য কলাৰ ভিতৰত গীত, নৃত্য, বাদ্য, নাটক আৰু অন্যান্য লোক অনুষ্ঠান সমূহ অন্তৰ্ভূক্ত। এই কলা সমূহ সংস্কৃতিৰ এক অবিচ্ছেদ্য অংশ। ভাৱ প্ৰকাশৰ বাবে কথাৰে তথা দেহৰ বিভিন্ন অংগ - প্ৰত্যংগৰ সঞ্চালনেৰে এজনে আন এজনৰ লগত মত বিনিময় কৰাটোৰেই কালক্ৰমত নৃত্য বা নাচৰ ৰূপ ললে বুলি ঐ আপুন পেগুৰ তথ্য মতে জানিব পৰা গৈছে। মানুহৰ মনৰ আবেগজনিত বিভিন্ন কাৰকক অংগ - প্ৰতংগৰ সঞ্চালনেৰে

প্ৰকাশ কৰা ভংগীমাকে নৃত্য বুলিব পাৰি। যি সমাজ আৰু সংস্কৃতিৰ লগত সমন্বয়ৰ সৈতে পৰিৱৰ্তনৰ খোজ মিলাই স্বকীয় ভংগীমাৰ পৰিৱৰ্তন ঘটাই পৰিচয় লাভ কৰা সংগীত কলাৰ এটা প্ৰধান উপাদান স্বৰূপ। মিচিং সকলৰ নৃত্যও ইয়াৰ পৰা পৃথক নহয়।

**৩.০১.০১ মিচিং সকলৰ নৃত্য ঃ**

মিচিং ভাষাত নৃত্যক "পাকচং" বা "মাকচং বোলে। কিন্তু সৰ্বসাধাৰণতে মিচিং লোকসকলে কৰা মিচিং বিহুক "চ'মান" নামেৰে জনা যায়। নৃত্য, প্ৰত্যয়, ধেমালি, আনন্দ আদিৰ মাজতে আৱদ্ধ থাকে "চ'মান" বা "মিচিং বিহু"। পৰিৱেশন ৰীতি আৰু পৰিৱেশনৰ ওপৰত ভিত্তি কৰি মিচিং বিহুক মূলত তিনিটা ভাগত ভগাব পাৰি সেইয়া হ'ল -

ঃ ধৰ্মীয় নৃত্য

ঃ বিশ্ৰামূলক নৃত্য

ঃ কৃষি উৎসৱমূলক নৃত্য

**৩.০১.২.১ ধৰ্মীয় নৃত্য ঃ**

মিচিং সমাজত ধৰ্মীয় লোকবিশ্বাস বা পূজা পাতলক কেন্দ্ৰ কৰি কৰা নৃত্যবোৰেই হ'ল ধৰ্মীয় নৃত্য। মিচিং সকলৰ ধৰ্মীয় কাম-কাজ সম্পাদন কৰা পুৰোহিতজনক 'মিবু' নামেৰে সম্বোধন কৰা হয়। তেওঁ জীৱকুল, তৰু তৃণ তথা জন্ম-জন্মান্তৰৰ কথা প্ৰকাশ কৰিবলৈ যি নৃত্য কৰে তাকে "মিবু দাগনাম" নামেৰে জনা যায়। আনহাতে মিচিং সকলৰ ধৰ্মীয় উৎসৱ "পঃৰাগ" ত মিবুৱে ৰাইজৰ সামগ্ৰিক মংগলৰ কাৰণে ধৰ্ম্মীয় মংগল আদি চাই তিনিকালৰ কথা কৈক ডেকা গাভৰু লগত লৈ নচা নৃত্যও ধৰ্মমূলক নৃত্যৰ ভিতৰত পৰে যাক "মিবু ছম নাম" বুলিব পাৰি।

**৩.০১.১.২ বিশ্ৰামমূলক নৃত্য ঃ**

মনোৰঞ্জনৰ বাবে আজৰি পৰত মিচিংসকলে কৰা নৃত্যই হ'ল বিশ্ৰামমূলক নৃত্য। মিচিং সকলে পৰম্পৰাগত উৎসৱৰ ওপৰিও ফুৰা - চকা কৰিবলৈ ক'ৰবালৈ গ'লে ডেকা-গাভৰুৱে একেলগে নাচে। এই নাচবোৰক সাধাৰণতে আমোদ-প্ৰমোদৰ নাচ আৰু ইয়াত ধৰ্মীয় নৃত্যৰ দৰে কোনো নীতি-নিয়ম পালিত নহয়। তথাপি তিনিটা বিষয়ৰ ওপৰত একাদিক্ৰমে এই নৃত্য কৰা হয়। সেইকেইটা হ'ল ঃ-

(১) "ঐনিতম" গাই নাচে।

(২) দ্বিতীয়তে, কৃষ্টিমূলক।

(৩) তৃতীয়তে, অসমীয়া ভাওনাৰ ভংগীমাৰে নচা "বাউনং" নাচ। অসমীয়া ভাওনাৰ পদচালনা মুদ্ৰা আৰু অংগী ভংগীৰ আৰ্হিত নচাৰ বাবে ইয়াৰ নাম বাউনাং।

অসম অঞ্চল বিশেষে বসবাস কৰা মিচিং সকলৰ বিশ্ৰামমূলক বা আমোদ-প্ৰমোদৰ নৃত্যৰ ধৰণ কিছু সুকীয়া। কিছু অঞ্চলত মিচিং গাভৰুৰ "আৰাম চ'নাম" (কাঁহী নৃত্য) বিশেষভাৱে উল্লেখযোগ্য। ৬ ৰ পৰা ৮ গৰাকী নাচনীয়ে একেলগে আৰাম চ'মানৰ বাবে বজোৱা বিভিন্ন

ঢোল-তাল তথা বাদ্যৰ চেৰে চেৰে ছন্দ্ৰ মিলাই পৰিৱেশন কৰা নাচেই কাঁহী নাচ বা ‘‘আৰাম চ’মান বুলি ক’ব পাৰি। ধেমাজি জিলাৰ জোনাই বিজয়পুৰ আদি অঞ্চলত কেইবা প্ৰকাৰৰো বিশ্ৰামমূলক নাচ দেখা যায় যিবোৰ বেলেগ অঞ্চলত দেখা পোৱা নাযায়। এই নৃত্য বা নাচ বিলাকৰ ভিতৰত উল্লেখ কৰিব পৰা নাচটো হ’ল - ‘‘আজুক তাপুংনাচ’’। ‘‘তাপুং’’ ৰ অৰ্থ হ’ল বাঁহী। আজুকক তাপুং মিচিং সকলৰ এটা পুৰণি লোকবাদ্য। লাভৰে নিৰ্মিত এই আজুক তাপুং প্ৰকাৰ কেইবাটাও আছে বুলি তথ্য মতে কোৱা হয়। তাৰে কেইটামান হ’ল - দাৰিকি তাপুং, তুম্ব তাপুং ইত্যাদি। এই লোকবাদ্যৰ সুৰে নৃত্যটিক এক সুকীয়া মাত্ৰা আগবঢ়াইছে।

**৩.০১.১.৩ কৃষি উৎসৱমূলক ঃ**

প্ৰতি বছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰে মিচিংসকলে পালন কৰা ‘‘আলি আয়ে লৃগাং’’ হ’ল মিচিং সমাজৰ প্ৰধান কৃষিভিত্তিক উৎসৱ। শস্য বা বীজ ৰোপনৰ পিছত সেইদিনা আবেলি ডেকা-গাভৰুৱে মিলি গাঁৱৰ মুখিয়ালজনৰ (যাক ‘‘গাম’’ বুলি জনা যায়) ঘৰত প্ৰথমে নাচ আৰম্ভ কৰি একে ৰাতিৰ ভিতৰতে গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈ নাচ-গান কৰি পুৱাৰ ভাগত শেষ কৰে। আজি কালিৰ মিচিং গাঁওবোৰত জনবসচি ঘন হোৱাৰ হেতু সপ্তাহজুৰি সেই লৃগাং নৃত্য ককৰে যাৰ আন এটা নাম হ’ল ‘‘গুমৰাগ চ’মান’’ বা গুমৰাগ নৃত্য। এই নৃত্যত বাদ্য-যন্ত্ৰ হিচাপে ঢোল, চাল, লানং (বৰকাঁহ) আৰু মাৰবাং নামৰ বাদ্য ব্যৱহাৰ কৰা দেখা যায়। লৃগাং নৃত্য সচৰাচৰ হুঁচৰিৰ দৰেই বুলিব পাৰি। ঢুলীয়া, তালিয়া তথা অন্যান্য বাদ্যযন্ত্ৰ বজোৱা লোকসকলৰ গীত মাতৰ লগতে নাচনিয়ে হুঁচৰিৰ দৰে মিচিং ভাষাৰে ল’লে গীত পদ গাই নৃত্য আৰম্ভ কৰে যাৰ বিষয়বস্তু হ’ল জীৱন ধাৰণৰ আনন্দ তথা ৰং ৰহইচ। গুমৰাগ নৃত্যৰ প্ৰাৰম্ভিক ঢোলৰ চেওৰ এক ব্যক্তিক্ৰমী বৈশিষ্ট হ’ল যে ই নাচৰ চেও বা চাপৰৰ লগত নিমিলো ধেমেলীয়া কথা বতৰাৰে মিচিং লোকসকলে কৰা নৃত্যটো হ’ল ‘‘চেলল’য়া নৃত্য’’। এই নৃত্যটো ডেকা-গাভৰুৱে একেলগে বিশেষ গীত গাই গাই নৃত্য কৰে। চেলল’য়া নৃত্যত শেষৰ ফালে মাটিত হাতে চপৰিয়াই তাল ৰাখি নচা দেখা যায়।

গুমৰাগ নৃত্যত আজিকালি জীৱন ধাৰণৰ বাবে কৰা বিভিন্ন কাৰ্য্য যেনে - কোৰ মৰা, ধানৰ বীজ সিঁচা, ধান কটা, কান্ধত ডাঙৰি কঢ়িওৱা, ধানমৰা, ধান খুন্দা, চালনিৰে চাউল চলা ইত্যাদিৰ লগতে গা-ধোৱা, চুলিত তেল সনা আদিবোৰ ভংগীমাৰে প্ৰকাশ কৰা দেখা যায়। পুৰণি গুমৰাগ নাটক আধাৰ হিচাপে লৈ সৃষ্টিমূলক সংযোজন সমূহে ইয়াক যথেষ্ট পৰিমাণে আমোদজনক কৰি তোলে। মিচিং নাচ সমূহৰ প্ৰত্যেকৰে সুকীয়া বৈশিষ্ট্য আছে যদিও ইয়াৰ এটা দিশ মন কৰিবলগীয়া যে, এই নৃত্যসমূহত নাচনীয়ে নাচৰ মাজত কোনো গীত বা বচন নাগায় তথা চকু আৰু ডিঙিৰ অংগী - ভংগীৰে গীতৰ কথাৰ অৰ্থ প্ৰকাশ নকৰে আৰু এই দুটা অংগ প্ৰায় শিথিল হৈ থকায়েই দেখা যায়।

(as.m.wikipedia.org/) (1,2,3)

ওপৰত উল্লেখ কৰা মিচিং লোকনৃত্য সমূহৰ উপৰি বহাগ বিহুৰ হুঁচৰি নৃত্যত উল্লেখনীয় এই বিহুৰ অন্য এক উল্লেখযোগ্য নৃত্য হৈছে "ৰৈ লাঃ নৃত্য"। ইয়াত বাঁহৰ টকাই প্ৰধান বাদ্য। গীত গাঁওতে এজনে উচ্চ স্বৰত টান ধৰি আৰম্ভণি কৰে আৰু বাকী ডেকা গাভৰুবোৰে দোহাৰে। টান শেষ হ'লে খৰ তালত টকা বজায় আৰু নৃত্য কৰে। ইয়াতে ডেকা-গাভৰুৰ লগত চেমনীয়া আৰু বয়সস্থ সকলেও যোগ দিয়ে। "ৰৈলাঃ নৃত্য"ৰ গীতবোৰ অসমীয়া আৰু মিচিং সানমিহলি ভাষাত গোৱা হয়।

আজি সমগ্ৰ পৃথিৱীৰ প্ৰতিটো জাতিক ইউৰোপৰ পশ্চিমীয়া সভ্যতা সংস্কৃতিয়ে আচ্ছন্ন কৰি ৰাখিছে। ইয়াৰ বিষয়ে তলত উল্লেখ কৰা হ'ব।

**৩.০১.০২ মিচিং সমাজৰ লোকগীত ঃ**

মিচিং জনগোষ্ঠীৰ লোক জীৱনৰ আশা প্ৰত্যাশা, আৱেগ, অনুভূতি, কামনা-বাসনা, প্ৰকৃতি প্ৰেম আদিক চহা মনৰ চহা ভাষাতে গাঁঠি দিয়া সুৰীয়া আৱেদনক মিচিং লোকগীত আখ্যা দিব পাৰি। চমুকৈ ক'বলৈ গ'লে মিচিং লোকগীতবোৰ মিচিং জনজীৱনৰ এক জীৱন্ত চিত্ৰ বহন কৰে। অজান ৰচিয়তা আৰু অনামী গায়কৰ কণ্ঠৰ পৰা নিগৰি সাধাৰণ লোকৰ মুখে মুখে বাগৰি অহা যুগ যুগান্তৰৰ প্ৰাণ প্ৰাচুৰ্থৰে ভৰি আৰু মিচিং লোকগীতবোৰ। বিভিন্ন পৰিৱেশত গোৱা লোক গীতবোৰক পাঁচটা প্ৰধান ভাগত ভাগ কৰা হৈছে -

(১) অনুষ্ঠানমূলক

(২) কথোপ-কথনমূলক

(৩) বিননিমূলক

(৪) কৰ্মবিষয়ক

(৫) বিবিধ বিষয়ক গীত

**৩.০১.২.১ অনুষ্ঠানমূলক গীত ঃ**

অনুষ্ঠানমূলক মিচিং লোকগীত তিনিবিধ ঃ

(ক) আঃ বাং

(খ) মিদাং নিঃতম্ আৰু

(গ) বৃঃ বৃগ্বা বুৰ্দগ্নিঃতম্।

(ক) আঃ বাঃ মিচিং ভাষাত "আঃ বাং" শব্দটো এক গুৰু গম্ভীৰ পৰিৱেশৰ সূচক। মিবুয়ে গোৱা গীতকে আঃবাং বোলা হয়। এই গীত, গোৱাৰ পৰিৱেশ আৰু গীতৰ অৰ্ন্তনিৰ্হিত অৰ্থ অতি গভীৰ। আঃবাং দুই প্ৰকাৰৰ। মিবু আঃ বাং আৰু মিৰ আঃ বাং। আংবাং সহজ সৰল জনসাধাৰণে গোৱা বাস্তৱ অভিজ্ঞতাৰ সুৰীয়া প্ৰকাশ নহয়। ই হ'ল বিশ্ব ব্ৰহ্মাণ্ড সম্পৰ্কীয় মিচিং লোক বিশ্বাসৰ সুৰীয়া অভিব্যক্তি, ৰহস্যভেদ জ্ঞিসাত মিবুৰে অপাৰ্থিৱ জগতত বিচৰণ কৰাৰ সাৱলীল

বৰ্ণনা। মিচিং সমাজে বিশ্বাস কৰে যে মিবু বা মিৰ সাধাৰণ মানুহৰ শাৰীৰ নহয়, দৈবিক শক্তি সম্পন্ন। সেই কাৰণে মিবুৱে দৈৱিক শক্তিৰে শক্তি বান হৈ পৰ্বত পাহাৰ, নৈৰ জলধাৰ পাৰ হৈ জন্তুৰ ৰাজ্যত জন্তু হৈ পক্ষীৰ ৰাজ্যত পক্ষী হৈ প্ৰগত আত্মাৰ লগত কথা পাতিব পাৰে, অপায় অমংগলৰ কাৰণে সুধি জানিব পাৰে আৰু তাৰ কাৰণে সুধি জানিব পাৰে আৰু তাৰ নিৰাময়ৰ পথৰো সন্ধান দিব পাৰে।

মিবু আঃ বাং যিকোনো সময়ত যিকোনো পৰিৱেশত গোৱা গীত নহয়। ইয়াক সাধাৰণতে মিবু দাগ্নান্বা মিবু চুন্নাম অনুস্থানতহে গোৱা হয়। এই অনুষ্ঠান উপলক্ষে সংশ্লি গৃহস্থ বা গাঁৱৰ ৰাইজে মিবুক যথা ৰীতিৰে নিমন্ত্ৰণ কৰাব লাগে।

(খ) মিদাং নিঃতম্ ঃ মিদাং নিঃত্ম হ'ল বিয়াৰ গীত বা বিয়ানাম। অসমীয়া হিন্দু বিবাহত গোৱা বিয়া নামত প্ৰকাশ কৰাৰ দৰে মিচিং মিদাং নিঃতম্ পবিত্ৰ মিলনৰ বিষয়বস্তু প্ৰকাশ কৰা নহয়। তাৰ পৰিৱৰ্তে অসমীয়া যোৰা নামৰ দৰে কন্যাৰ ৰূপ মাধুৰ্য বৰ্ণনা কৰাৰ লগতে কন্যাক আদৰিবলৈ লোৱা যাৱতীয় প্ৰস্তুতিৰ ইংগিতো মিদাং নিঃতমত পোৱা যায়।

(গ) বৃ-ঃ বৃগ্বা বৃৰ্দুগ্নিঃতমঃ বৃঃবৃগ্বা বৃৰ্দুগ্মানে ঋতু। এতেকে বৃঃবৃগ্বা বৃৰ্দুগ্ নিঃত্ম মানে ঋতুগত গীত। অৰ্থাৎ এনে ধৰণৰ গীতবোৰে বছৰৰ সকলো সময়তে গোৱা নহয়, বিশেষ এটা ঋতুত বিশেষ এক অনুষ্ঠান আৰু উৎসৱ উপলক্ষেহে গোৱা হয়। মিচিং সকলৰ কৃষি উৎসৱ আলিঃ আইঃ লৃগাংত গোৱা হুঁচৰি গীতটো তেনে ধৰণৰ গীত।

ফাগুনৰ প্ৰথম বুধবাৰে ঢোলৰ "গুম্ৰাগ্ গুম্ৰাগ্" ধ্বনিৰে মুখৰিত হয় মিচিং গাঁও ফাগুনৰ পচোৱাত গছ-বিৰিখবোৰ হালি-জালি থকাৰ দৰে ডেকা গাভৰুবোৰে হাতে হাত ধৰি বৃত্তাকাৰে ঘূৰি এক বিশেষ ভংগিমাত নাচি নাচি গায় বৃৰ্দুগ্নিঃতম্। কেৱল সেয়ে নহয়, মৰণশীল মানুহৰ জীৱনৰ নিষ্ঠুৰতম্ সত্যও বৃৰ্দুগ্নিঃতমৰ যোগেদি প্ৰকাশ কৰা হয়।

**৩.০১.২.২ কথোপ কথনমূলক গীত ঃ**

এই শ্ৰেণীৰ গীত হ'ল প্ৰেমিক-প্ৰেমিকা বা গায়ক-গায়িকাৰ দলৰ মাজত গীতেৰে প্ৰকাশ কৰা প্ৰশ্নোত্তৰ। মিচিং ভাষাত এই শ্ৰেণীৰ গীতক "লুপ নিঃতম্" বোলা হয়। এই শ্ৰেণীৰ গীতৰ বিষয়বস্তু প্ৰশ্নোত্তৰৰ মাজেদি আগবাঢ়ি যায়। "তৌব-তৌবাং" নামৰ গীতটি এই শ্ৰেণী গীতৰ উৎকৃষ্ট উদাহৰণ।

**৩.০১.০৩ বিননিমূলক গীত ঃ**

বিননিমূলক গীতবোৰক মিচিং ভাষাত "কাবান" বোলা হয়। কাবান গীতবোৰক মিচিং সকলৰ বেদনাৰ চকুলোৰ সদায়েই সিক্ত। ব্যৱহাৰিক দিশৰ পৰা চালে "কাবান" শব্দটো "কাব" (কান্দ) ধাতুৰ লগত "আন" প্ৰত্যয় যোগ হৈ গঠন হৈছে। সেয়েহে অতি স্বাভাৱিক ভাৱে কাবান গীতৰ যোগেদি মিচিং লোক জীৱনৰ কৰুণ দিশটো উন্মোচিত হয়। বিষয়বস্তুৰ ফালৰ

পৰা কাবান গীত সমূহক দুভাগত ভগাব পাৰি (১) কাহিনী মূলক আৰু (২) বৰ্ণনামূলক।

(১) কাহিনীমূলক কাবান গীত ঃ কাহিনীমূলক কাবান গীতক মিচিং ভাষাত দঃ য়িং কাবান বোলা হয়। দঃ য়িং কাবান অৰ বাহিৰে আন বিলাক কাবান কাহিনী গীতৰ গুণগত বৈশিষ্ট সমূহ যেনে - আৰম্ভণি, মধ্য আৰু পৰিণতি নাথাকে। সেইবোৰ পৰি কাঠামোৰ দিশৰ পৰা খণ্ডিক আৰু অতীতৰ ৰোমন্থনৰ যোগেদি একোটা অশ্ৰুসিক্ত বৰ্ণনা দিয়ে।

আনহাতে বিষয়বস্তুৰ ফালৰ পৰা দঃ য়িং কাবান বোৰ কাহিনী গীত বা মালিতা বা বেলাডৰ সৈতে একে। সাধাৰণতে সমাজৰ কোনো ব্যক্তি অথবা এহাল লৰা বা ডেকা গাভৰু প্ৰণয়মূলক কাহিনীক কেন্দ্ৰ কৰি একোটা কৰুণ কাহিনী ৰচিত হয় আৰু তাকে মৰ্মভেদি সুৰত সহজ-সৰল ভাষাত গীতৰ আকাৰত ব্যক্ত কৰা হয়। অসাধাৰণতা আৰু দঃ সাহসিকতা এই ধৰনৰ গীতৰ উপাজীব্য। বিষয়বস্তু কোনো ব্যক্তি বিশেষৰ মাজত সীমাবদ্ধ হ'লেও ই মানৱ জীৱনৰ দুঃখ বেদনাৰে সাৰ্বজনীন অনুভূতিৰ অভিব্যক্তি। "গে'লা গাঃ ম'ৰ গীত", " বিনোদ-পিল্লি'ৰ গীত" , "দেউলৰ -দেন্তালিঃ ৰ গীত" আদি ধৰণৰ গীত।

(২) বৰ্ণনামূলক কাবান গীত ঃ

বৰ্ণনামূলক কাবান গীতবোৰ হ'ল -

১) দঃ ব কাবান

২) মেঃব বা চঃচাং কাবান আৰু

৩) য়াবান্।

১) দঃ ব কাবান ঃ প্ৰকৃতি গতভাৱে মানুহ সামাজিক প্ৰাণী। কোনো ব্যক্তি সমাজৰ উৰ্দ্ধত নহয়। একে সময়ত মানুহে সমান্তৰালভালে দুটা সংগ্ৰাম কৰিবলগীয়া হয়। ব্যক্তিগত আৰু সামাজিক। জীৱনৰ আশা আকাংক্ষা ব্যক্তিয়ে ভবাৰ দৰে নহয়, বাস্তৱ সপোন ভাঙি যায় সপোন আৰু বাস্তৱৰ মাজত বিসংগতিয়ে দেখা দিয়ে। তেনে বিসংগতি কিম্বা দুখ, দ্ৰৰিদ তথা সপোন ভঙাৰ বেদনাদায়ক পৰিঘটনাৰাজি মিচিং লোক সমাজে পিতৃ-মাতৃৰ ভুল কৰ্ম নাইবা নিজৰ ভাগ্যৰ পৰিহাস বুলি বিশ্বাস কৰে। তেনে বিশ্বাসৰ আধাৰতে তেওঁলোকৰ দুৰ্দশাৰ বৰ্ণনা দি কৰুণ সুৰেৰে গোৱা গীতবোৰেই হৈছে "দঃব কাবান।" এই গীতৰ বিষয়বস্তু আৰু প্ৰকাশভংগী ব্যক্তি নিষ্ঠ।

২) মেঃব বা চঃচাং কাবান ঃ অনাবিল প্ৰেম, অকৃত্ৰিম ভালপোৱাৰ মাজেদি হিয়া দিয়া হোৱাৰ পাচতো বাস্তৱৰ সংঘাতে প্ৰেমিক-প্ৰেমিকাৰ সপোনৰ কাৰেং ভাঙি চুৰমাৰ কৰে। অৰ্থাৎ সপোনবোৰ ভাঙি যায়। ব্যৰ্থ প্ৰেমৰ অসহণীয় যন্ত্ৰণাত প্ৰেমিক অথবা প্ৰেমিকাৰ স্মৃতি বিজড়িত মনটো ধাৱিত হয় সেই অতিতৰ সোণালী দিনবোৰলৈ। ৰোমন্থনৰ ছন্দে ছন্দে বিৰহী মনটো উভটি সেই শৈশৱত এৰি অহা বিভিন্ন স্মৃতিবোৰৰ মাজলৈ। মিচিং ডেকা-গাভৰুৱে তাকেই

এটা বেদনাদায়ক সুৰেৰে গীত গাই বিষাদৰ বোজা পাতল কৰে। এনে ধৰণৰ গীতবোৰকে "মেঃবছচাং কাবান গীত" বুলিব পাৰি।

**৩.০১.২০.৪ কৰ্ম বিষয়ক গীত ঃ**

মিচিং লোকগীত সমূহৰ ভিতৰত ভালেসংখ্যক গীত কৰ্মবিষয়ক আওতাত সামৰা হৈছে। এই দুবিধ হৈছে - কঃ নিঃনাম (নিচুকণি গীত) আৰু লত্তা চঃমান (চোতালত ধেমালি কৰা গীত)। এই দুবিধৰ উপৰিও শিশু উমলোৱা ধেমেলীয়া গীত আদি অলেখ গীত এতিয়াও সংগ্ৰহ কৰা হোৱা নাই যেন অনুমান হয়।

(i) কঃ নিঃনাম বা (নিচুকনি গীত) ঃ এই গীত হ'ল নিচুকনি গীত। উল্লেখযোগ্য যে মিচিং তিৰোতা সদায় কৰ্ম ব্যস্ত। সেয়েহে, তেওঁলোকে শিশু ওমলাবলৈ আহৰি নাপায়। শিশু ওমলাবৰ বাবে কোনো আত্মীয় লোকৰ পৰা এজনী কম বয়সীয়া ছোৱালী আনি ৰাখে। সেই ছোৱালীজনীক "নীবৃং" বোলা হয়। মাক বাপেকৰ অনুপস্থিতিত শিশুটি কান্দিলে নীবৃঙে প্ৰকৃতিক নানা তৰহৰ বস্তুৰ ৰিজনি দি যিয়ে কন্দুৱাইছে তাৰ ওপৰত প্ৰতিশোধ লোৱাৰ প্ৰতিশ্ৰুতি দি নিস্পাপ শিশু মনত সান্ত্বনা দিয়ে।

(ii) লত্তা চঃমান ঃ এই লত্তা চঃমান শব্দৰ শব্দগত অৰ্থৰ ফালৰ পৰা বিচাৰ কৰিলে ইয়াত যি ধৰণৰ গীতৰ বিষয়ে শব্দগত অৰ্থ হ'ল 'লততা' মানে চোতাল আৰু 'চঃ মান' মানে 'ধেমালি'। কিন্তু এই গীতৰ বিষয়বস্তু হ'ল পাহাৰৰ পৰা ভৈয়ামলৈ মিচিং সকলৰ আগমন। তাকে বৰ্ণনা কৰোঁতে বাটত লগ পোৱা বাধা বিঘিনী পৰিধান কৰা সাজ-পোছাক আদিৰ বিষয়েও উল্লেখ কৰি প্ৰশ্নোত্তৰৰ ৰূপত পৰিৱেশন কৰা হয়। এই গীতটো কৰ্ম ব্যস্ত লোক সমাজে পৰিশ্ৰম কৰি কৰি ভাগৰি পৰিলত পথাৰতে জিৰণি লওঁতে গাইছিল। কেতিয়াবা জোনাক ৰাতি ঘৰৰ চোতালত একেলগে বহি গাইছিল। সেই কাৰণে এই গীতটিৰ লগত কোনো ধৰণৰ বাদ্য সংগত কৰা নহয়। মাত্ৰা খৰ হোৱাৰ লগে লগে মাটিত চাপৰি বাই বাই তাল ৰক্ষা কৰা হয়। এই গীতটো 'চলিলই নিঃতম" নামেৰেও খ্যাত। ইয়াৰ আৰম্ভণি অংশ কথোপ-কথনমূলক আৰু শেষাংশ প্ৰেৰণামূলক। এই গীতটি শ্ৰম ক্লান্তিৰ সময়ত আকৌ কৰ্মপ্ৰেৰণা লাভৰ বাবে গোৱা হৈছিল।

**৩.০১.২.৫ বিবিধ বিষয়ক গীত ঃ**

বিবিধ বিষয়ক গীতৰ শাৰীত প্ৰধানকৈ "ঐ নিঃতম্" "লৌৰীলি" বা "লীৰীলি" আৰু ধেমেলীয়া গীতবোৰ সামৰি লোৱা হয়। বিবিধ বিষয়ক গীতৰ শাৰীত প্ৰধানকৈ " অই নিঃতম্" "লৌৰীলি" বা "লীৰীলি" আৰু ধেমেলীয়া গীতবোৰ সামৰি লোৱা হয়।

(i) ঐনিঃতম ঃ ঐনিঃতমবোৰ মূলতঃ প্ৰণয়মূলক গীত যদিও সেইবোৰ কোনো বিশেষ বিষয়ৰ পৰিধিৰ ভিতৰত সীমাবদ্ধ নহয়। ঐ নিঃ তমৰ শব্দগত অৰ্থ এনেধৰণৰ - "ঐ" মানে কনিষ্ঠজন, প্ৰিয়জন, আপোনজন, চেনেহী ইত্যাদি। আনহাতে "নিতম" শব্দটো "নিঃ" বা "নিং" ধাতুৰ

লগত - “তম” প্ৰত্যয় যোগ হৈ “নিঃতম” শব্দটো গঠিত হৈছে।

ঐনিঃতমৰ পৰম্পৰা কিমান পুৰণি বা পাহাৰত বসবাস কৰাৰ সময়ত মিচিংসকলৰ মাজত অই নিঃতমৰ ধাৰা প্ৰচলিত আছিল নে নাই সঠিককৈ কোৱা টান। ব্ৰিটিছৰ যুগৰ যিসকল বিদেশী লেখকে মিচিং সমাজৰ বিষয়ে কিছু কথা লিখিছিল, তেওঁলোকৰ লেখাসমূহত অই নিঃ তমৰ উল্লেখ নাই। ৰজনীকান্ত বৰদলৈৰ ১৮৯৪ চনত প্ৰকাশিত “মিৰিজীয়ৰী”ত মিচিং বিহুৱা দলৰ কিছুমান গীত দিয়া আছে। মিচিং লোকগীত সমূহৰ ভিতৰত অই নিঃতম হ'ল সৰ্বাধিক জনপ্ৰিয় গীত। অৱশ্যে একালত ইয়াক অশালীন গীতৰূপে বিবেচনা কৰা হৈছিল। সেয়েহে ইয়াক জনসাধাৰণৰ মাজত গোৱাটো লজ্জাৰ বিষয় আছিল। মিচিং সমাজখন কৃষিজীৱি সমাজ। প্ৰকৃতি জগতৰ অফুৰন্ত বৈশিষ্টই তেওঁলোকৰ মন উত্তাৱল কৰে। স্বভাৱিকতে মিচিং ডেকা গাভৰুৱে প্ৰকৃতিৰ সৌন্দৰ্য্য সুষমাত নিজক আৱিস্কাৰ কৰাৰ প্ৰয়াস কৰি আৱেগত বীণৰ তাঁতত অজানিতে নিতে টোলে সুৰৰ ঝংকাৰ।

(ii) ধেমেলীয়া গীত ঃ

ধেমেলীয়া গীতবোৰ সাধাৰণতে সৰু ল'ৰা-ছোৱালীৰ মাজতে আৱদ্ধ যদিও বহু সময়ত বয়সস্থ লোকেও অতীত ৰোমন্থন কৰি গোৱা দেখা যায়। তদুপৰি ককাক বা আইতাকে নাতি-নীতিয়েহঁতক গীত শুনাই আনন্দ কৰে। ডেকা সকলেও তেনে গীত গাই পৰিৱেশ হাঁহিমুখৰ কৰি তোলে।

(iii) লৌৰৌলি বা লীৰীলি ঃ “লৌৰৌলি” গীতবোৰ সাধাৰণতে সৰু ল'ৰা-ছোৱালীয়ে গোৱাৰ দৰে ধেমেলীয়া নহয়। এই গীতবোৰ হ'ল ৰূপে ৰসে ভৰা প্ৰকৃতিৰ সৌন্দৰ্য-সুষমাৰ পৰিৱৰ্তনশীলতাৰ লগত মানৱ জীৱনৰ ক্ষণভংগুৰতাৰ তুলনা বুলিব পাৰি। দেহত যৌৱন থাকোঁতে; প্ৰাণ প্ৰাচুৰ্য থাকোঁতে উপভোগ কৰিবলগীয়া আনন্দ-উছাহ, পালিবলগীয়া কৰ্তব্য আদিৰ বৰ্ণনাৰে এই গীতবোৰত জীৱনৰ আত্মানুসন্ধান কৰা হয়। এই গীতবোৰ একক গীত নহয়, এজাক ডেকা গাভৰুৱে মিলি গোৱা গীত হে। এইবোৰ গীতৰ লগত বাদ্য নহ'লেও হাত-চাপৰি, টকা আদি ব্যৱহাৰ কৰি লগতে নাচ-বাগ কৰি, স্ফূৰ্তি কৰা হয়।

### ৩.০১.০৩ মিচিং বাদ্যসমূহৰ চমু বিৱৰণ ঃ

মিচিংসকল নৃত্য-গীত প্ৰিয়, ৰং - ধেমালীৰে সুখৰ এটি আদিম জনগোষ্ঠী। প্ৰাচীন কালত গোষ্ঠীগতভাৱে ভাষা শিকিব জনাৰ পৰাই মিচিং সকলে প্ৰণালীবদ্ধ ৰূপত বাদ্য, নৃত্য গীত আদি চৰ্চা কৰি আহিছিল বুলি কোৱা দেখা যায়। অতীতত মিচিংসকলৰ মাজত বাদ্যযন্ত্ৰ প্ৰচলন হোৱাৰ পূৰ্বে লোকগীতৰ তালে তালে হাত চাপৰি বজাই নৃত্য কৰিছিল। সেই কথা মিচিং লোক নৃত্য “চৌল্লয়া” আৰু লৌৰৌলি”ৰ পৰা জানিব পৰা গৈছে। যিহেতু এই নৃত্যত গীতৰ

(As.m.wikipedia.org/www/wiki)

তালে তালে কেৱল হাত চাপৰি বজাই নৃত্য কৰে।

প্ৰকৃতিৰ পৰা আহৰণ কৰা প্ৰতিধ্বনি সৃষ্টি কৰিব পৰা বিভিন্ন বস্তু লোহা আৰু কাঁহজাতীয় ধাতু ব্যৱহাৰ কৰিব জনাৰ পৰা মিচিংসকলৰ মাজতো বাদ্যযন্ত্ৰ প্ৰচলন হ'ব ধৰে। তাহানিতে মিচিং সকলৰ অসংখ্য বাদ্য আছিল যদিও বৰ্তমান ব্যৱহৃত হৈ থকা বা আমি সচৰাচৰ ব্যৱহূত হৈ থকা বাদ্যযন্ত্ৰৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ব।

বৰ্তমান সংগীতজ্ঞসকলে বাদ্য সমূহৰ শ্ৰেণী কৰণ কৰি দিয়া মতে মিচিংৰ বাদ্য সমূহকো ভাগ কৰি দিব বিচাৰো। ভাৰতৰ 'নাটশাস্ত্ৰ'ৰ বাদ্য সমূহক চাৰিটা শ্ৰেণীত শ্ৰেণীকৰণ কৰিছে -

(১) সুষিৰ বাদ্য (Aero phones)
(২) ঘন বাদ্য (Idiophons)
(৩) অৱনদ্ধ বাদ্য (Membrano Phones)
(৪) তত্‌বাদ্য (Membrono Phones)

**৩.০১.০৩.০১ সুষিৰ বাদ্য** (Aero phones) ঃ

সাধাৰণতে মুখেৰে ফু মাৰি বা বতাহৰ ঘৰ্ষনত শব্দ সৃষ্টি কৰি বজোৱা বাদ্যবোৰকে সুষিৰ বাদ্য বুলি কোৱা হয়। জুৰেল পেগুৱে তেওঁৰ "মিচিং সমাজ সংস্কৃতি আৰু পৰম্পৰা" এই গ্ৰন্থখনত কোৱাৰ মতে, মিচিং সমাজত সুষিৰ শ্ৰেণী বাদ্য সমূহেই প্ৰথম প্ৰচলন হৈছিল বুলি কৈছে। এই মুখেৰে ফু দি বজোৱা বাদ্য সমূহক মিচিং সকলে "তাপুং" বুলি কোৱা দেখা যায়। এই ধৰণৰ বাদ্যবোৰ হ'ল ঃ ১) দীৰাকি তাপুং (Derki Tapang), ২) তুঃ তক তাপুং, ৩) কীত্‌পং তাপুং, ৪) অীজুগ তাপুং, ৫) তুম্ব তাপুং, ৬) পুমচু তাপুং, ৭) তুংলুং তাপুং, ৮) দুম্পে, ৯) গোংগাং, ১০) গোঃ তিগ, ১১) বুঃ বুং, ১২) জৌগ্‌ৰীং তাপুং বা পেম্পা।

১) দীৰাকি তাপুং (Derki Tapang) ঃ এই বাদ্য যন্ত্ৰ এবিধ বিশেষ বাঁহেৰে তৈয়াৰী বাঁহী জাতীয় বাদ্য। এই বাদ্যৰ ব্যৱহাৰ দীৰকি তাপুংৰ পৰা নিৰ্গত হোৱা সুৰ কোমল আৰু মোটা হোৱাৰ বাবে ইয়াক ডেকা ল'ৰাই নিৰিবিলি পৰিৱেশত খুব বুজাইছিল বুলি বয়োজেষ্ঠ্য সকলে কয়। মিচিং সমাজত "মিদাং" (বিয়া) প্ৰচলন হোৱা সময়ৰ পৰা ইয়াক গৰা - কইনাৰ বিদায় আৰু আদৰণি পৰ্বত বা 'য়াম্‌নী কাবান' (বিয়া গীত) গোৱা সময়ত ব্যৱহাৰ কৰিবলৈ ধৰে।

২) তুঃতক তাপুং ঃ এই বাদ্য পাব দীঘল জাতি বাঁহেৰে তৈয়াৰী বাঁহ জাতীয় বাদ্য। ইয়াক প্ৰায় এক ফুট দীঘল সৰু বাঁহৰ গাঁঠি নথকা টুকুৰাৰে বনোৱা হয়। এটা মূৰ হেলনীয়াকৈ ছুঁচি চেপেটা কৰি কুঁহিলাজাতীয় ঠিলাৰে ফু মাৰিলে বায়ু সুমাব পৰাকৈ বন্ধ কৰি ৰখা হয়। যাতে চেপেতা অংশ মুখত ভৰাই সন্মুখৰ ফালৰ পৰা তুঃতক (তললৈ দি) ফু মাৰিলে শব্দ বা সুৰৰ সৃষ্টি হয়। আঙুলি বুলাব পৰাকৈ পাঁচটা ফুটা থাকে।

ব্যৱহাৰ ঃ এই বাদ্য পূৰ্বতে মিদাঙৰ য়াম্‌নী কাৰনাম কাবান (কইনা বিদায়ৰ বিষাদ গীত) তহে ব্যৱহাৰ কৰা হৈছিল। বৰ্তমান লোকগীতত ব্যৱহাৰ কৰা দেখা যায়।

৩) কৌত্‌পং তাপুং ঃ

এই বাদ্যযন্ত্ৰ হৈছে পাব দীঘল জাতি বাঁহৰ আগটুকুৰাৰ পৰা বনোৱা বাঁহজাতীয় বাদ্য। অসমীয়া বাঁহীৰ লগত একে। পোন্ধৰ যোল্ল ইঞ্চিমান দীঘল আৰু এক-ডেৰ ইঞ্চি গোল গাঁঠিবিহীন বাঁহেৰে কৌত্‌পং তাপুং সজা হয়। ইয়াতো গৌৰকি তাপুঙৰ দৰে এমুৰৰ ফু মাৰিব পৰা মূল ফুটাৰ লগতে আঙুলিৰে বোলাব পৰাকৈ পাঁচটা ফুটা ৰখা হয়। কিন্তু ই আকাৰত দীৰকি তাপুঙতকৈ চুঠি আৰু সৰু।

ব্যৱহাৰ ঃ কৌত্‌পুং তাপুং সকলো ধৰণৰ গীতৰ তালতেই বজোৱা হয়। যদিও প্ৰধানতঃ খেতিপথাৰ, নৈ পাৰ, চাপৰি আদিৰ গৰখীয়া আৰু ডেকা ল'ৰাহতে পূৰ্বতে বৰকৈ ব্যৱহাৰ কৰিছিল। বৰ্তমান লোকনৃত্য-গীত আদিৰ তালে তালে সুমধুৰ সুৰত পৰিৱেশন কৰা দেখা যায়।

৪) আঁজুগ তাপুং ঃ 'আঁজুগ তাপু হৈছে পাহাৰীয়া 'আগজ' নামৰ এবিধ বিশেষ তিতা লাওৰ শুকান কুলাৰে তৈয়াৰী পেপাঁজাতীয় বাদ্য। আঁজুগটোৰ সৰু সৰু অলপ গোল ধৰণৰ। ইয়াৰে পুৰঠখিনি ছিঙি আনি ভিতৰৰ গুটি আৰু আঁহবোৰ গুচাই সম্পবৰ্ণৰূপে শুকুৱাই লোৱা হয়। এই শুকুওৱা আঁজুগটোৰ ঠাৰি থকা ফালৰ মূৰৰ আগটো অলপ কাটি ফুটা কৰা হয়। লগতে মূল আঁজুগৰ মাজৰ অংশটো সমান্তৰালভাৱে দুটা ফুটা ৰখা হয়। তিনিটা ফুটাতে বাঁহৰ নলিচা লগোৱা হয়।

ব্যৱহাৰ ঃ আগতে এইবিধ বাদ্য ডেকা বা আদহীয়া লোকে আজৰি সময়ত ঘৰৰ চোতাল বা মুৰঙৰ এককভাৱে পৰিৱেশন কৰিছিল। আজিকালি এই বাদ্য ৰাজহুৱা অনুষ্ঠান বা লোক ন-ত্য আদিত কৰা দেখা যায়। এই বাদ্যৰ এটা সুকীয়া সুৰ আছে, কিন্তু এই সুৰ বজাবলৈ বহু কঠিন বুলি কৈছে। অভিজ্ঞ জনেহে এই বাদ্যৰ সুৰৰ লহৰ তুলিব পাৰে।

৪) তুম্ব তাপুং ঃ 'তুম্ব তাপুঙ' কো আঁজুগ তাপুঙৰ দৰে আঁজগ (তিতা লাও) ৰে তৈয়াৰি কৰা হয়। ইয়াৰ নিৰ্মাণ পদ্ধতিও আঁজুগ তাপুঙৰ দৰে। কিন্তু আঁজুগটোৰ মধ্যাংশত মাত্ৰ এটাহে নলিচা ৰখা হয়। সেয়েহে ইয়াৰ নাম তুম্ব অৰ্থাৎ যোৰবিহীন তাপুং।

ব্যৱহাৰ ঃ এইবিধ লোকবাদ্য পথাৰত, নদীৰ পাৰত, চাপৰিত, পথাৰৰ টঙিত অকলসৰে নিৰ্জনভাৱে বজোৱা হয়। এই বাদ্য মিচিংসকলে পহু পালন কৰিবলৈ শিকাৰ পিছত হেৰুৱা মেঠোন বা মহ'ৰ নাম ধৰি মাতিবৰ বাবে ব্যৱহাৰ কৰিছিল।

৫) পুমচু তাপুং ঃ 'পুমচু তাপুঙ' কো আঁজুগ আৰু তম্ব তাপুঙৰ দৰে আঁজগেৰে তৈয়াৰ কৰা হয়। ইয়াৰ নিৰ্মাণ পদ্ধতি অংজুগ আৰু তুম্ব তাপুঙৰ দৰে কিন্তু আঁজুগটোৰ মধ্যাংশত দুটা

নলিচা ৰখা হয়। সেয়েহে ইয়াৰ নাম পুমচু অৰ্থাৎ যোৰিয়া তাপুং।

ব্যৱহাৰ ঃ এই বাদ্যৰ ব্যৱহাৰ ঔজগু বা লৃঃ ছগ তাপুংৰ লগত প্ৰায় একে। বৰ্তমান বজাব জনা সীমিত ব্যক্তিসকলে পুমচু তাপুঙহে অধিক ব্যৱহাৰ কৰা দেখা যায়।

৭) তুঃ লুং তাং পু ঃ "তুঃ লুং তাপুং" তাহানিতে বাঁহৰ চুঙাৰে তৈয়াৰ কৰা হৈছিল। কিন্তু পৰৱৰ্তী সময়ত ম'হৰ শিঙৰ পৰা বনোৱা হৈছিল বুলি জনা যায়। তাপুং জাতীয় বাদ্যৰ অভিজ্ঞ ব্যক্তি প্ৰয়াত মাধৱ পেগুৱে কৈছিল বোলে তুংলুং বাদ্য হিচাপে ব্যৱহাৰ কৰা নহৈছিল। ৰনৰ সময়ত ৰণশিঙা বজোৱা সাংকেতিক বাদ্য হিচাপে ব্যৱহাৰ কৰা হৈছিল।

৮) "দুম্পে" ঃ "দুম্পে" হৈছে 'দৰবুম' (নল) ৰে তৈয়াৰী এবিধ পেঁপা জাতীয় বাদ্য। চিদুম (হুগৰী বাহু) পে ধ্বনিৰ সংযোগত দুম্পে শব্দৰ সৃষ্টি হৈছে। মিচিং লোকসকলে তাহানিতে পহু চিকাৰ কৰিবলৈ যাওঁতে 'দুম্পে' বাদ্যৰ ব্যৱহাৰ কৰিছিল। এই বাদ্যৰ মাত হুগৰী পহুৰ দৰে মাত ওলাই বাবে পহু মাতিবৰ বাবে ব্যৱহাৰ কৰিছিল।

৯) "গোংগাং" ঃ "গোংগাং" হৈছে সৰু এচটা বাঁহেৰে তৈয়াৰী বাদ্য। প্ৰায় সাত-আঠ ইঞ্চিমান দীঘল এচটা বাঁহৰ এমূৰে মূৰৰ পৰা অলপ এৰি সৰুকৈ ফালি দি গাঃয় (জিভা লগোৱা) অংশ উলিয়াই মিহিকৈ চুচি-চাঁচি লয়।

ব্যৱহাৰ ঃ আগৰ দিনত মিচিং ডেকা গাভৰু সকলে মনৰ ভাৱ গোপন ভাৱনাক প্ৰকাশ কৰিবৰ বাবে 'গোংগাং' ব্যৱহাৰ কৰা দেখা গৈছিল।

১০) গোঃ তিগ ঃ গোংগাৰৰ দৰে এচটা বাঁহেৰে তৈয়াৰ কৰা হয়। ইয়াক গোংগাঙৰ দৰেই বনোৱা হয় যদিও হাতেৰে টুকুৰিয়াব পৰা অংশত এডাল এৰী সূতাৰে ৰছী বান্ধি দিয়া হয়। সেই ৰছীডাল টানি টানি বজোৱা হয়।

ব্যৱহাৰ ঃ মিচিং লোকগীতত অন্যান্য বাদ্যৰ লগত একেলগে গোঃতিগ বাদ্য বজোৱা দেখা যায়।

১১) জৌগৰীং তাপুং ঃ এই বাদ্য বিধৰ নাম পেম্পা বুলিও কোৱা হয়। অসমীয়া পেঁপাৰ দৰে একে। মেন্ জেক (ম'হ) আঃ ৰীং (শিং) শব্দৰ সংযুক্ত হৈ 'জৌগ্ৰীহ' শব্দৰ সৃষ্টি হৈছে। ম'হৰ শিংৰ আগ কাটি আনি নলিচা লগাই নলিচাত হাত বোলাব পৰাকৈ ফুটা কৰি এই বাদ্য নিৰ্মাণ কৰে।

ব্যৱহাৰ ঃ ম'হ ৰখীয়া, চাপৰি চাপৰি, নৈ পাৰ আদি ঠাইত এই বাদ্য বাৱহাৰ কৰে।

১২) 'বুঃ বুং' ঃ এই বিধ বাদ্য হৈছে এটুকুৰা চেপেটা বাঁহ আৰু সূতাৰ ৰছীৰে তৈয়াৰী সাধাৰণ বাদ্য।

ব্যৱহাৰ ঃ বুঃ বুং বাদ্য আহাৰ মাহত খেতিৰ বাবে বতৰ খৰাং হ'লে এই বাদ্য বজাইছিল। তেতিয়া ধৰিত্ৰী জীপাল হ'ব বুলি বিশ্বাস কৰিছিল।

**৩.০১.০৩.০২ ঘন বাদ্য ঃ**

ধাতুৰ পদাৰ্থ বা ডাঠ ঘন ধাতুৰে নিৰ্বিত বাদ্যবোৰক ঘনবাদ্য বোলে। মিচিং সকলৰ মাজত বাৰহৃত ঘন বাদ্যবোৰ হ'ল -

(১) দুম্পাগ (২) ককতৗৰ (৩) কঃ ৰৌগ, (৪) য়কচা-চাপৗৰৗং (৫) লৗঃনং (৬) মাৰবাং আৰু (৭) লুঃপি।

(১) দুম্পাগ ঃ এই বাদ্য বাঁহেৰে তৈয়াৰী এবিধ তেলিৰ বিকল্প হিচাপে ব্যৱহাৰ কৰা বাদ্য। এই বাদ্য অলপ কুমলীয়া শুকান গোটা বাঁহৰ এটা পাব এমুৰৰ গাঁঠি থকাকৈ কাটি বনোৱা হয়। বাঁহেৰে বাহিৰৰ ফালে মাৰিলে দুম্পাগ দুম্পাগ প্ৰতিধ্বনিৰে শব্দ সৃষ্টি হয়।

ব্যৱহাৰ ঃ গৰুৰখীয়াই এই বাদ্য ৰং ধেমালি কৰিবৰ বাবে ব্যৱহাৰ কৰিছিল।

(২) কক্তৗৰ ঃ 'কক্তৗৰ' হৈছে পাতলীয়া জাতি বাঁহেৰে তৈয়াৰী এবিধ সৰল বাদ্য। পাব দীঘল বাঁহৰ গোটা টুকুৰা কাটি এমূৰত ফালি আনটো মূৰ নফলাকৈ মূৰৰ ফালে চাঁচি দিয়া হয় যাতে বাঁহখিনিৰ ফলা দুটা ফাল ল'ৰাব পাৰে। দুটা ফাল তাল মিলাই বজালে সুৰীয়া শব্দৰ সৃষ্টি হয়।

ব্যৱহাৰ ঃ এইবিধ বাদ্য মিচিং 'উনচৰি' (হুঁচৰি) ত প্ৰধানকৈ ঢোল তালৰ লগত ব্যৱহাৰ কৰা হয়। মিচিং বিহুৰ 'ৰৈলা নিঃতম্' আৰু ঐ নিঃতম'ৰ তালে তালে এইবিধ বাদ্য সুন্দৰ ৰূপত সংগত কৰিব পাৰি।

(৩) কঃ ৰৗগ ঃ 'কঃ ৰৗগ' হৈছে 'তামগ' (চেৰা) কাঠৰ পৰা অন্যান্য বাদ্যৰ লগত সংগত কৰিবলৈ তৈয়াৰ কৰা বাদ্য। দীঘে দুই ফুটমান আৰু বহলে দুই ইঞ্চিমান টান তামাগ কাঠ ইমূৰৰ পৰা সিমূৰলৈ জখলাৰ দৰে খলপ কাটি 'কঃৰৗগ' বনোৱা হয়।

ব্যৱহাৰ ঃ কঃৰংগ অন্যান্য বাদ্যৰ লগত একেলগে সংগত কৰা হয়। ইয়াক এককভাৱে বজোৱা দেখা নেযায়। গীত আৰু বাদ্যৰ তাল ৰক্ষাৰ ক্ষেত্ৰত এইবিধ বাদ্যই বিশেষভাৱে সহায় কৰে।

(৪) য়ক্চা-চাপৗৰৗং ঃ 'য়কচা' হৈছে মিচিং মিবু (দেওধাই) ৰে ব্যৱহাৰ কৰা এবিধ দীঘল দা। কেইবাটাও লোহাজাতীয় পদাৰ্থ গলাই বিশেষ পদ্ধতিৰে তৈয়াৰ কৰা এই দা কেৱল মিবুৱেহে ব্যৱহাৰ কৰে। গীতৰ তালে তালে মিবুৱে এই য়ক চাডাল হাতত লৈ জোকাৰিলেই চেৰৗং চেৰাঃ শব্দৰ সৃষ্টি হৈ নৃত্যৰ তাল সুন্দৰ ৰূপত ৰক্ষিত হয়।

ব্যৱহাৰ ঃ মিবুৱে যিকোনো ঠাইলৈ যোৱা সময়ত লগত সংগী হিচাপে য়ক্চাডালৈ লৈ ফুৰে। মিচিং সকলৰ জন বিশ্বাস যে দেও ভূতৰ পৰা ৰক্ষা পাবলৈ মিবুৱে এই গা লগত লৈ ফুৰে। এই বাদ্য 'মিবু আঃ বাং (স্তুতিমূলক গীত) আৰু 'মিবু দগনাম' (নৃত্য) কৰোতে এই বাদ্য ব্যৱহাৰ কৰা হয় বুলি উল্লেখ আছে।

(৫) লৗঃ নং ঃ 'লৗঃ নং' বা 'লৗঃলং' হৈছে কাঁহ জাতীয় ধাতুৰে তৈয়াৰী হাতেৰে বজোৱা এবিধ

বাদ্য। এইবিধ বাদ্য সাধাৰণতে সৰু কাঁহীৰ সমান ঘূৰণীয়া, চাৰিওফালে অলপ বেৰ থকা আৰু মাজৰ অংশ জাপিৰ দৰে ঘূৰণীয়াকৈ ওখ। ঘূৰণীয়া বেৰৰ পাৰিৰ এঠাইত ফুটা কৰা আৰু সেই ফুটাত হাতেৰে ধৰিব পৰাকৈ ৰছিলগোৰা থাকে। ৰছীডাল হাতেৰে ধৰি এডাল মাৰিৰ সহায়ত টং টংকৈ কোবাই বজোৰা হয়।

ব্যৱহাৰ ঃ আগতে এই বাদ্য বাজিলে গাঁওবাসীয়ে বিপদৰ আগজাননী বুলি জানি, ৰাইজ গোট খাই পৰে, আৰু বিশিষ্ট লোকৰ মৃত্যুত এই বাদ্য বজাই মহা শৰ যাত্ৰা কৰিবলৈ ব্যৱহাৰ কৰে। বৰ্তমান লোক-নৃত্য-গীত আদি সহযোগী বাদ্য আদিত এই বাদ্যৰ ব্যৱহাৰ কৰে আৰু পূজা - উৎসৱ আদিত এই বাদ্য ব্যৱহাৰ কৰা দেখা যায়।

(৬) সাৰবাং ঃ 'সাৰবাং' হৈছে কাঁহ জাতীয় ধাতুৰে তৈয়াৰী লৌংনঙৰ দৰেই হাতেৰে বজোৰা এবিধ বাদ্য। ইয়াত এডাল ৰছী লগোৰা থাকে। এই বাদ্য কোবাই বজোৰা হয় মাৰি এডালৰ সহায়ত। এই বাদ্যত বেৰ বেৰ ধ্বনি সৃষ্টি হয়।

ব্যৱহাৰ ঃ এই বাদ্য লোক নৃত্য-গীত আদিত আৰু পূজা-পাৰ্বনত বজোৰা মিচিং সকলৰ এক ঘন বাদ্য।

(৭) লংপিং ঃ 'লুং পিং' হৈছে কাঁহেৰে তৈয়াৰী এবিধ ঘনবাদ্য। অসমীয়া তালৰ নিচিনা একেই।

ব্যৱহাৰ ঃ এই বাদ্য এককভাৱে বজোৰা বাদ্য নহয়। ইয়াক ঢোলৰ লগত সংগত কৰা হয়।

**৩.০১.০৩.০৩ অৱনদ্ধ বাদ্য ঃ**

যি বাদ্য দুইমূৰ বন্ধ থাকে আৰু জন্তুৰ ছালেৰে বনোৰা হয় তাকে অৱনদ্ধ বাদ্য বোলে। মিচিং সকলৰ অৱনদ্ধ বাদ্য হ'ল -

(১) দুমদুম ঃ 'দুমদুম' হৈছে, কঁঠাল, তিতাচপা, চিচুজাতীয় কাঠ আৰু গৰুৰ ছালেৰে তৈয়াৰী এবিধ অৱন্নদ্ধ বাদ্য। অসমীয়া ঢোল আৰু মিচিঙৰ দুমদুমকৈ একে ধৰণৰ বাদ্য বুলিব পাৰি। এই বাদ্যৰ চাৰনিটো অসমীয়া ঢোলতকৈ অপল বেলেগ।

(২) পুই বা কেঃ কেঃ ঃ 'লুই বা কেঃকু হৈছে মিচিং সমাজত প্ৰচলিত প্ৰাচীনতম্ বাদ্য। এই বাদ্য শুকান লাওৰ টুকুৰা, বাঁহৰ চুঙা, নাৰিকলৰ খোলা বা কাঠৰ খোলা কাটি গুঁই ছাল লগাই পুই বা কেঃকু তৈয়াৰ কৰা হয়।

ব্যৱহাৰ ঃ এইবিধ বাদ্য-নৃত্য-গীত আদিৰ লগত সংগত কৰা নহয় বুলি জানিব পৰা যায়। আদহীয়া লোক সকলে আজৰি সময়ত অকলে অকলে বা মনে মিলা বন্ধুৰ সৈতে বহি এই বাদ্য বজাইছিল।

**৩.০১.০৩. ০৪. তত্ বা তন্ত্ৰ বাদ্য ঃ**

যি বাদ্য তাঁৰেৰে তৈয়াৰী, তাঁৰত আঘাত কৰিলে সুমধুৰ ধ্বনি পাভ তাকে তত্ বাদ্য বোলে। মিচিং সকলৰ তত্‌বাদ্য হ'ল -

(ক) দেন্দুন ঃ "দেন্দুন বা পিংচৌং দুমদুম" হৈছে পিংৰ (মেঘেলা) বা চেপক (টঙা) জাতীয় তৃনেৰে তৈয়াৰী এবিধ বাদ্য। পিংৰ বা চেপক তৃন কাটি আনি ধোঁৱাচাঙত শুকুৱাই লয়। সৰু

নল খাগৰিৰ আকাৰৰ গাঁঠি বিহীন এই শুকুওৱা পিংৰ বা চেপকবোৰ প্ৰায় এক ফুট দীঘলকৈ বিছ ডালমান টুকুৰা কৰা হয়। টুকুৰাখিনিৰ ওপৰৰ বাকলিৰ পৰা দুফালে আঁহৰ নিচিনাকৈ ফালি উলিয়াই আঁহ আৰু টুকুৰা তৃণডালৰ মাজত দুই মূৰে গোটা মাৰি সুমুৰাই দিয়া হয়। ওপৰৰ ফাঁলে উলিয়াই অনা আঁহ বা বাকলি চটা সমূহৰ পৰা কোবালে শব্দৰ সৃষ্টি হয়।

ব্যৱহাৰ ঃ দেন্দুন মিচিং সমাজৰ অতি পুৰণি তথা জনপ্ৰিয় বাদ্য। ঢোল ব্যৱহাৰ নকৰাৰ বহু পূৰ্বৰ পৰাই ঢোলৰ দৰে এইবিধ বাদ্য ব্যৱহাৰ হৈ আহিছে। লোকনৃত্য-গীতেত অন্য বাদ্যৰ লগত এইবিধ বাদ্য সংগত কৰা হয়।

(খ) দেনতুগ ঃ ‘দেনতুগ’ হৈছে বাঁহেৰে তৈয়াৰী হাতেৰে বজোৱা এবিধ লঘু বাদ্য। প্ৰায় দীঘল মোটা দুৰচিয়া জাতি বাঁহৰ বাঁহ দুইমূৰে গাঁঠি থকা টুকুৰাৰে সজা হয়। তাত লগত তাঁৰৰ দৰে পকোৱা ৰছীত বাঁহৰ চেপেটা এচটা টানকৈ সংলগ্ন কৰা হয়। তাত কোবালে ধ্বনিৰ সৃষ্টি হয়।

ব্যৱহাৰ ঃ এইবিধ বাদ্য ঢোল ৰ লগত সংগত কৰা হয়। কেতিয়াবা তালৰ বিকল্প হিচাপে ব্যৱহাৰ কৰা হয়। গাঁৱৰ চেমনীয়া ল'ৰাই এই বাদ্য দেনতুগৰ সময়ত ঘৰে ঘৰে বিহু লোক-নৃত্যত এই বাদ্য অন্যান্য বাদ্যৰ লগত সংগত কৰে।

ওপৰত উল্লেখ কৰা মিচিং লোকবাদ্যবোৰৰ সময় উপযোগী সংৰক্ষণ, চৰ্চা আৰু সংবৰ্ধনৰ বাবে মিচিং সাংস্কৃতিক অনুষ্ঠানসমূহে বহুল পদক্ষেপ ল'লে ভিন ভিন বাদ্য সম্ভাৰ জাতিটো উজ্জ্বলিব আৰু জাতিটোৰ বাবে বহু উপকৃত হ'ব।

**৩.০১.০৪ মিচিং সমাজৰ নাটক ঃ**

মিচিং সকলৰ নাটক হৈছে এটি বিশেষ ধৰণৰ সংস্কৃতি যাৰ মাধ্যমে তেওঁলোকে নিজৰ জীৱনৰ বিভিন্ন ঘটনা, বিশ্বাস আৰু সামাজিক নিয়ম প্ৰকাশ কৰে। এই নাটকত গীত-নৃত্য আৰু সংলাপৰ এক মিশ্ৰিত প্ৰকাশ দেখা যায়। মিচিং নাটকত স্থানীয় সংস্কৃতি, বিস্বাস আৰু জীৱনধাৰণৰ বিভিন্ন দিশ প্ৰকাশিত হয়।

এই নাটসমূহৰ কিছুমান বৈসিষ্ট্য দেখা যায়। সেইসমূহ হ'ল ঃ

(ক) গান, নৃত্য আৰু সংলাপৰ সংমিশ্ৰন ঃ

মিচিং নাটকত গীত, নৃত্য, সংলাপৰ এক সুন্দৰ সংমিশ্ৰন দেখা যায়। গানৰ জৰিয়তে নিজৰ আৱেগ প্ৰকাশ কৰে। নৃত্যৰ জড়িয়তে তেওঁলোকৰ সংস্কৃতি প্ৰদৰ্শন কৰে আৰু সংলাপৰ জড়িয়তে ঘটনাৰ কাহিনী দাঙি ধৰে।

(খ) ঐতিহাসিক ঘটনা ঃ মিচিং নাটকত তেওঁলোকৰ ঐতিহাসিক ঘটনা, যুদ্ধ বা অন্য কোনো উল্লেখযোগ্য ঘটনা প্ৰদৰ্শন কৰা হয়।

(গ) সামাজিক নিয়ম ঃ এই নাটকৰ জড়িয়তে তেওঁলোকৰ নিজৰ সামাজিক নিয়ম, বিশ্বাস আৰু জীৱনৰ পদ্ধতি প্ৰকাশ কৰে।

---

(মিচিং সমাজ আৰু সংস্কৃতি) (জুৱেল পেগু) পৃষ্ঠা (৫৭-৬৮)

(ঘ) স্থানীয় সংস্কৃতি ঃ মিচিং নাটকত তেওঁলোকৰ ভাষা, খাদ্য, পৰিৱেশ আৰু অন্যান্য স্থানীয় সংস্কৃতিৰ উপাদানসমূহ প্ৰকাশিত হয়।

(ঙ) পৰম্পৰাগত সাজ-পোছাক ঃ মিচিং নাটকত অভিনেতা - অভিনেত্ৰী সকলে তেওংলোকৰ পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰে, যি তেওংলোকৰ সংস্কৃতিৰ এক অংশ।

মিচিং নাটক সমূহৰ বিষয়ে বিশেষভাৱে বহুলাই পোৱা নাযায়। কিয়নো তেওঁলোকৰ নাটসমূহৰ বিষয়ে লিখিত ভাৱে পোৱা নহ'ল। যি কি নহওঁক, মিচিং নাটক সমূহ অসমীয়া সংস্কৃতিৰ বাবে অতি মূল্যবান সম্পদ। ইয়াৰ জৰিয়তে আমি তেওঁলোকৰ সমাজৰ বিষয়ে জানিব পাৰো।

**৩.০২ শংকৰী সংস্কৃতি আৰু মিচিং সমাজ ঃ**

আজিৰ পৰা প্ৰায় ৫৫০ বছৰ আগতে তদানীন্তন অসমৰ সমাজখনত দ্বন্দ-খৰিয়ালেৰে নিমজ্জিত হৈ অৰাজকতা বিৰাজ কৰিছিল। অসংখ্য দেৱ-দেৱীৰ পূজা-উপসনা, যাগ-যজ্ঞ, বলি-পূজা আদি ধৰ্মীয় অন্ধবিশ্বাস আৰু কু-সংস্কাৰবিলাক প্ৰচলিত হৈ থকা সময়তে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৰ্বজনৰে গ্ৰহণযোগ্য 'এক শৰণ নাম ধৰ্ম' প্ৰচাৰ কৰিলে। সামাজিক বৈষম্য দূৰ কৰি জাতি-জনজাতি আদি কৰি বিভিন্ন সৰু-বৰ জনগোষ্টীৰে অধ্যূষিত তাহানিৰ অসমত বাস কৰা সকলো শ্ৰেণীৰ লোকক সমঅধিকাৰ দি সত্ৰ, নামঘৰ আদি অনুষ্ঠান-প্ৰতিষ্ঠান কৰিলে। তেওঁ বৰদোৱা ত্যাগ কৰি, আনুমানিক ১৫১৬/১৭ খ্ৰীষ্টাব্দত শংকৰদেৱে ব্ৰহ্মপুত্ৰ উত্তৰ পাৰে গৈ শিঙৰিত আশ্ৰয় লৈছিল। শিঙৰিৰ পৰা ৰৌতাং ৰৌতাৰ পৰা ভালুকগুৰি, ভলুকাগুৰিৰ পৰা ব্ৰহ্মপুত্ৰ আৰু বৰগাং নদীৰ সংগম স্থল 'গাংমৌ' নামৰ ঠাইত বহা সাজি বসতি কৰিবলৈ লয়। সেই সময়তেই গুৰুজনাই দৰং জিলাৰ বিহালী অঞ্চলত "গাংমৌ থান সত্ৰ" প্ৰতিষ্ঠা কৰিছিল বুলি জনা যায়। চিন্তাশীল লেখক মানিক চন্দ্ৰ দাৰ (দলে) দেৱে এইখন সত্ৰতে সম্ভৱতঃ গুৰুজনাৰ ছকুৰি ভকত শিষ্যৰ অন্যতম, 'মিচিঙৰ পৰমানন্দ আতা' ৰ লগত তেৰাৰ সংযোগ স্থাপন হ'ব পাৰে বুলি ধাৰণা কৰিছে। কাৰণ মহাপুৰুষজনাৰ সান্নিধ্যলৈ 'পৰমানন্দ মিৰিৰ ক'ত কেতিয়া, কেনেকৈ আহিছিল তাৰ সঠিক তথ্য বিচাৰি পোৱা নগ'ল। গাংমৌ আহোম আৰু কোচ সকলৰ সীমা সেয়েহে সেই স্থান এৰি বেলেগ স্থানলৈ বুলি ৰাওনা হ'ল। সেই স্থান অৰ্থাৎ 'গাংমৌ সত্ৰ' পৰমানন্দৰ হাতত অৰ্পণ কৰি আহিল ১৫১৭ খ্ৰীষ্টাব্দত। তাৰ পাছত তেওঁ মাজুলি 'ধোৱাহাট' নামৰ ঠাইলৈ যাত্ৰা কৰিলে। 'ধোৱাহাট' বেলগুৰি সত্ৰ স্থাপন কৰি 'একহৰণ নামধৰ্ম' প্ৰচাৰ কৰিবলৈ মনোনিৱেশ কৰিলে। এই 'ধোৱাহাট' থকা মিৰি বা মিচিং সকল, সোণোৱাল কছাৰী আৰু দেউৰীসকলৰ বাৰেবৰহণীয়া এই আদিবাসীসকলৰ সংস্পৰ্শত ব্ৰাহ্মণ, কায়স্থ, কলিতা আদি আন থলুৱা আদিবাসীৰ কলা-সংস্কৃতি ঠন ধৰি উঠিছে। এই ঠাইতে মহাপুৰুষ মাধৱদেৱৰ সাক্ষাৎ হয় আৰু এই দুইজন মহাপুৰুষ মিলনক আজিও 'মণিকাঞ্চন সংযোগ' বুলি জনা যায়।

মিচিং সকলৰ মাজত কেতিয়াৰ পৰা শংকৰদেৱৰ নামধৰ্মৰ প্ৰভাৱ পৰিছিল কোনেও সঠিক বাৰে ক'ব পৰা নাই। আনুমানিক 'গাংমৌ সত্ৰৰ' পৰাই প্ৰথম শিষ্য পৰমানন্দ আতাৰ জৰিয়তে বৈষ্ণৱ আন্দোলনৰ সময়ৰ পৰাই মিচিং সকলৰ মাজত বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱ পৰিছিল। 'শংকৰদেৱৰ আদৰ্শ' আৰু 'একশৰণ নামধৰ্ম' মিচিং সমাজত প্ৰচাৰ হ'ব ধৰে। 'পৰমানন্দৰ' বাহিৰেও শংকৰদেৱৰ আৰু দুজন মিচিং শিষ্য আছিল সেই কেইজন হ'ল 'ভোলা আতা' আৰু 'অবালুং আতা' 'তাবালুং আতা' মুকংচেলেক - জোনাইত দলে বংশৰ উপৰি পুৰুষ বুলি জনা যায়। এতিয়াও জোনাইত থকা লোকসকলে নামঘৰ স্থাপন কৰি তিথিয়ে পযেকে নাম কীৰ্ত্তন, বৰসবাহ আয়োজন কৰে। মহাপুৰুষৰ আদৰ্শ শিৰোগত কৰি এতিয়া দলে সমাজ চলি আহিছে বুলি তথ্য আহৰণ কৰোতে উল্লেখ পোৱা গ'ল। সেয়েহে শংকৰদেৱে ভাগৱতত এনেদৰে লিখিছে

"কিৰাত কছাৰী খাচি গাৰো মিৰি
যবন কংক গোৱাল।
অসম মুলুক ধোবায়ে তুৰুক
কোৱাচ ম্লেছ চণ্ডাল।। (ভাগৱত)

১৯৩০ চনত শ্ৰীমন্ত শংকৰদেৱ সংঘ স্থাপন হোৱাৰ পিছত মিচিং সকলে এক শৰণ হৰি নাম ধৰ্মত গ্ৰহণ কৰিবলৈ ওলাই আহিল। বহুত লোকে 'একশৰণ হৰিনাম ধৰ্ম' গ্ৰহণ কৰি শংকৰদেৱৰ আদৰ্শৰে আদৰ্শবান হৈ থাকি সমাজত এটা সুন্দৰ পৰিৱেশ গঢ়ি তুলিছে। পৰৱৰ্তী ৰালত মহাপুৰুষ শংকৰদেৱৰ লগতে তেৰাৰ প্ৰধান উত্তৰাধিকাৰী মাধৱদেৱৰ মহা প্ৰয়ানৰ পিছৰে পৰাই সুবিধাবাদী এচামে নিজ নিজ অভিসন্ধি পূৰণৰ বাবে খেয়াল-খুচিমতে মূৰ দাঙি উঠিল। বহুতে ধৰ্মক লাভজনক বৃত্তি হিচাপে লৈ নিজৰ বৈষয়িক স্বাৰ্থ পূৰণত নিমজ্জিত হ'ল। মহাপুৰুষজনাৰ ভক্ত বা শিষ্য সকলেও বহুধাবিভক্ত হৈ তেৰাৰ 'একশৰণ নামধৰ্ম'ৰ পৰিপন্থী কাৰ্যকলাপ কৰিব কৰিলে। মহাপুৰুষজনাৰ মহান চিন্ত আৰু আদৰ্শক ধূলিসাৎ কৰাতে লাগি গ'ল। এই তথাকথিত ধৰ্মগুৰুসকলে অন্যান্য জনগোষ্ঠীৰ লগতে মিচিং সমাজখনৰ প্ৰায়খিনি লোককেই 'কালসংহতি পন্থা'ত শৰণ দি, নিজস্বভাৱে পূৰ্বৰ পৰা চলি অহা 'ৰীতি-নীতি'ৰ লগত 'নামধৰ্ম'ৰ সংমিশ্ৰনেৰে এক নতুন আচাৰ-নীতিৰ সৃষ্টি কৰালে। লগে লগে মিচিং গাঁওবোৰত পূৰ্বৰ পৰা থকা 'মুৰুংঘৰ'ৰ লগতে 'নামঘৰ' আৰু 'থান' সমূহে নকৈ সংযোজন হ'ল। ফলত মিচিং সকলে হৰিনাম ল'বলৈ আৰু ভাওনা-ৰাস কৰিবলৈ শিকিলে। কীৰ্ত্তন পাঠ মিচিংৰ ধৰ্মীয় আচাৰৰ অংগ হৈ পৰিল। ৰামায়ন-মহাভাৰত, গীতা-উপনিষদে তেৰাসকলক গভীৰ ভাৱে প্ৰভাৱান্বিত কৰিলে। মুঠৰ ওপৰত পূৰ্বাদিৰ পৰা চলি অহা নিজস্বতাখিনিৰ সংযোজনেৰে বৃহৎ হিন্দু সংস্কৃতিক আকোঁৱালি ল'বলৈ শিকিলে।

(যাকেৰি নাহিকে উপাম) - পৃষ্ঠা ২১১ (ভাগৱত)

শিল্পী-সাহিত্যিক ঐ আপ্পুন গনেশ পেগুৰ মতে “শংকৰদেৱৰ স্থাপিত কাটনিপাৰ সত্ৰৰ কেৱলীয়া গুৰু শ্ৰীশ্ৰী বিস্বনাথ আতাৰ ওচৰত ১৮৫৬/৫৭ খ্ৰীষ্টাব্দত ‘কংলিং ডেকাগাম পেগু’ আৰু ‘মাতকং বৰগামদলে’ এই দুয়োজনাই ‘দেওধাই ৰীতি’ এৰি কেৱলীয়া হিন্দু ধৰ্ম গ্ৰহণ কৰা প্ৰথমদ্বয় ব্যক্তি। তেতিয়াৰ পৰা বৰ্তমানলৈ অ-ৰীতিয়া কেৱলীয়া ভেজাল ধৰ্ম মিচিং সমাজত চলি আছে। বিদগ্ধ পণ্ডিত-অধ্যাপক টাবু টাইদৰ মতে “এই হিন্দু ধৰ্ম ভেজাল প্ৰকৃতিৰ হ’লেও খ্ৰীষ্টান মিছনেৰীসকলে তেওঁলোকক ধৰ্মান্তৰকৰণ কৰিব নোৱাৰাৰ এটা কাৰণ হয়তো তেওঁলোকে ইতিমধ্যে গ্ৰহণ কৰা এই হিন্দু ধৰ্মই আছিল।”

যেইকি নহওক, ১৯৩০ চনত ‘শ্ৰীমন্ত শংকৰদেৱ সংঘ’ প্ৰতিষ্ঠাৰ পিছৰে পৰাই মাটিৰ মোহ আৰু বতাহৰ সুৱাসত মহাপুৰুষজনাই গঢ় দি যোৱা ‘এক শৰণ নামধৰ্ম’ পলমকৈ হ’লেও নতুন ৰূপত ৰাজ্যখনৰ খিলঞ্জীয়া জনগোষ্ঠী সমূহক একতাৰ এনাজৰীৰে বান্ধিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ইয়াৰ ফলস্বৰূপে ভাৰত স্বাধীন হোৱাৰ এটা দশকৰ পিছৰ পৰা। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰভাৱত শোণিতপুৰ জিলাৰ অন্তৰ্গত বাওমাৰী, চেনিজান, দঞ্জী বালিগাঁও, ৰাওনামুখ, চৰাইবাৰী আদি নামনিত থকা মিচিং গাঁওসমূহলৈ পৰ্যায়ক্ৰমে ‘এক শৰণ নামধৰ্ম’ৰ প্ৰসাৰ হ’বলৈ ধৰে। সংঘৰ লগত ১৯৫৪ চনত যোগসূত্ৰ স্থাপন হৈ চিন্তা-চৰ্চা কৰাৰ পিছত গহপুৰৰ ‘বনমালী দলে’ নেতৃত্বত এটি ৮/৯ জনীয়া গোটে ১৯৬৮ চনত সংঘৰ শৰণাচাৰ্য ‘হলিৰাম ভাগৱতী’ৰ ওচৰত দীক্ষা বা শৰণ লয়। পৰৱৰ্তী পৰ্যায়ত ক্ৰমান্বয়ে অসম কুমাৰ নব্য ব্যক্তি, মাধৱ ভাগৱতী, ইলাৰাম দাস, সোনাৰাম চুতীয়া, মোহনলাল উপাধ্যায় আদি সংঘৰ শৰণ সদস্যৰ ওচৰত মিচিংসকলে শৰণ-ভজন ল’ব ধৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধীনত প্ৰথম নামঘৰ নিৰ্মাণ কৰা হয় ‘গহপুৰ চৰাইবাৰী’ এলেকাত। ১৯৭০ চনলৈ উক্ত নামঘৰ শৰণীয়া পৰিয়াল প্ৰায় ১২০ ঘৰ আছিল। সংঘৰ অধীনত প্ৰথম ‘গুনীন্দ্ৰ কুলিয়ে’ ১৯৭৮ চনত শৰণাচাৰ্য পদত উপৱিষ্ঠ হয়। দ্বিতীয়তে বিগত শতিকাৰ শেষৰ ফালে লখিমপুৰ জিলাৰ ঘুনাসুঁতি বাঘমৰা গাঁৱৰ ‘ৰমাকান্ত টাইডে ১৯৯৯ চনত শৰণাচাৰ্য পদত উপবিষ্ট হয়। তাৰ পিছৰে পৰাই আজি লৈকে বহুতো লোক মিচিং সকলে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নীতি-আদৰ্শৰ মতে জীৱন নিৰ্বাহ কৰিছে। কিয়নো তেওঁ লোকে মৃতকৰ আত্মাৰ সুদ্ধি কৰিবৰ বাবে মৰা শ’ৰটো মাটিত পুটি থৈছিল আৰু আজিকালি যি সকল লোকে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মতে চলে তেওঁলোকে খৰি দিবলৈ ল’লে আৰু গুৰুজনাৰ কৃষ্টি-সংস্কৃতিৰে সকলোখিনি দিশকে পাৰ্গত হ’বলৈ ধৰিলে আৰু বৰ্তমান সময়ত তেওঁলোক পাৰ্গত হ’ল আৰু এতিয়া এখন সুন্দৰ সৰল মিচিং সমাজ সৃষ্টি হ’ল য’ত লুকাই আছে বিভিন্ন কৃষ্টি সংস্কৃতিৰে ভৰপূৰ এক সুকীয়া মাদকতা।

---

(টাবু টাইদ, “মিচিং লোক - সংগীতৰ পৰম্পৰা, জুৱেল পেগুৰ, “মিচিং সমাজ সংস্কৃতি আৰু পৰম্পৰা”)

(পৃঃ ১৪০ -১৪৪)

# চতুর্থ অধ্যায়

### ৪.০১ মিচিংসকলৰ সাজপাৰ আৰু অলংকাৰ

মিচিং সকলৰ সাজ-পাৰ অলংকাৰেই জাতিটোৰ সংস্কৃতি জীৱন্ত ৰূপত প্ৰতিফলিত হৈছে। লজ্জা নিবাৰণ, সৌন্দৰ্যবোধ আদিৰ দৰে বস্ত্ৰৰ প্ৰয়োজনে মানৱ সমাজত প্ৰাধান্য লাভ কৰিলে। গছৰ বাকলি, পশুৰ ছালৰ পৰা ক্ৰমান্বয়ে আজি বয়ন শিল্পৰ আৱিৰ্ভাৱ হ'ল। সেই তেতিয়াৰে পৰাই মিচিং মহিলাসকলেও বয়ন শিল্পত একান্তভাৱে মনোনিৱেশ হ'ল বুলি ক'ব পাৰি। তেওঁলোকে কেৱল যে নিজৰ বাবেই কাপোৰেই বয় এনে নহয় কাপোৰ বোৱাৰ উপৰি পৰিয়াল আৰু সমাজৰ সমূহ কামতো সহযোগিতাৰে দায়িত্ব পালন কৰা দেখা যায়। তাহানিৰ মিচিং মহিলাসকলে কাপোৰ ববলৈ প্ৰয়োজনীয় সূতা তৈয়াৰ কৰিবৰ বাবে বহু কষ্ট আৰু যত্ন কৰিবলগীয়া হৈছিল। তেওঁলোকে পাহাৰত আছুতিয়াকৈ 'চিঃপাগ আৰৃগ' (কপাহ খেতি) কৰিছিল আৰু পাট পলু পুহী তাৰ বাহৰ পৰা সূতা তৈয়াৰ কৰি লৈছিল। বিভিন্ন গছৰ বাকলি, গুটি, শিপা আদি ৰস উলিয়াই সূতা বা কাপোৰত বোলাই বিবিধ ৰঙৰ কাপোৰ প্ৰস্তুত কৰিছিল এই আদিম পদ্ধতি এতিয়াও মিচিং গ্ৰামাঞ্চলত কিছু পৰিমাণে বিদ্যমান। কপাহী এৰি মূগা, নুনিপাট আদি সূতাৰ কাপোৰ মিচিং সকলে তাহানিৰ পৰা ব্যৱহাৰ কৰি আহিছে। সম্প্ৰতি বজাৰত পোৱা আধুনিক মেচিনেৰে তৈয়াৰি ৰং বিৰঙৰ না নানা সূতাই তাঁতশালৰ অধিকাংশ স্থান দখল কৰিছে লগতে তাঁতশালখনো নগৰীয়া পৰিৱেশত থকাখিনি যন্ত্ৰচালিত তাঁতশাললৈ সলনি হ'ব ধৰিছে।

ৰঙৰ বোলেৰে সপোনৰ সৰগ ৰচনা কৰিব পৰা মিচিং শিপিনীয়ে বোৱা মিচিঙৰ জাতীয় সাজ-পোচাকবোৰ এনেদৰে উল্লেখ কৰিব পাৰি।

#### ৪.০১.০১ পুৰুষে ব্যৱহাৰ কৰা সাজপোছাক ঃ

১) উগন, ২) গন্বৰ, ৩) গন্ৰ, ৪) গন্কগ, ৫) গন্য়াব, ৬) গালুগ, ৭) লুগ্ৰঃ, ৮) মিবু গালুগ, ৯) দুমীৰ, ১০) মীৰ্পুং, ১১) এতোপ, ১২) তাপুমগাচৰ, ১৩) য়াম্ব গাচৰ ইত্যাদি।

২.১ উগন ঃ সাধাৰণ ধুতি বা চুৰিয়াক মিচিঙত 'উগন' বুলি কোৱা হয়। এই উগন সাধাৰণভাৱে বোৱা আৰু কিছুমানত সামান্য গামিগ থকাও দেখা যায়। মিচিং পুৰুষে দৈনন্দিন ঘৰুৱা পৰিৱেশত এনে উগন ব্যৱহাৰ কৰে।

২.২ গন্বৰ ঃ 'গন্বৰ' সাধাৰণ উগনতকৈ বহল উন্নত ধৰণৰ আৰু নিৰ্দিষ্টকৈ গামিগ বেছি থকা উগন। সাধাৰণ অৰ্থত বৰ চুৰিয়া। উগন (চুৰিয়া) আৰু বৰতা (আহল বহল) এই দুটা শব্দৰ সংমিশ্ৰণ হৈ 'গন্বৰ' শব্দৰ সৃষ্টি হৈছে। গনবৰ পৰম্পৰাগত গামিগ আৰু বগা সূতাৰে বোৱা হয়। পুৰুষসকলে পূজা উৎসৱ, ৰাজহুৱা অনুষ্ঠান, কীবাং (সভা), মিবঃ গৃকঃ (আলহী খাব যোৱা) আদিত এই গন্বৰ পৰিধান কৰাৰ নিয়ম প্ৰচলিত আছিল। সম্প্ৰতি আধুনিক পোছাকৰ সংস্পৰ্শ আৰু সময়ৰ তাগিদাই গন্বৰৰ ব্যৱহাৰ বহু পৰিমাণে কমাই আনিছে।

২.৩ গন্‌ৰ ঃ 'গন্‌ৰঃ' সাধাৰণভাৱে দৈনন্দিন ব্যৱহাৰ কৰা উগনতকৈ বেলেগ। উগন (চুৰিয়া) + আৰঃ (খাঁটি বা সঁচা) = গন্‌ৰঃ নিসিজোৱা কেঁচা বগা সূতাৰে নিৰ্দিষ্ট পাৰি আৰু গামিগেৰে বোৱা হয়। গন্‌ৰঃক কেৱল মিবু (দেওধাই), মিবৃ (পুৰোহিত), তাবৌ (বিধান দিব পৰা ভকত) আদিয়েহে পৰিধান কৰাৰ নিয়ম প্ৰচলিত।

২.৪ গন্‌কগ ঃ তাহানিতে মিচিং পুৰুষসকলে লজ্জা নিবাৰণৰ বাবে বস্ত্ৰ পৰিধান কৰিবলৈ শিকি প্ৰথমে 'গন্‌কগ' ব্যৱহাৰ কৰিছিল বুলি জনা যায়। মিচিংসকলে উগন গাঁঠি মাৰি বন্ধাক 'উগন কেব্‌নাম' বুলি কয়। এই উগন কেবনামৰ লগত কেপকপ, এৰ্‌কগ, বিকগ শব্দৰ সংযুক্ত গৈ গন্‌কগ শব্দৰ সৃষ্টি হৈছে বুলি ধাৰণা কৰিব পাৰি। গন্‌কগ অসমীয়াৰ 'পোন্ধ'ৰ সমপৰ্যায়ৰ। পোন্ধক শৰীৰৰ তল অংশ ঢকা বাবে তল পোন্ধক বুলিও কোৱা হয়। তাহানিতে গন্‌কগ হিচাপে গছৰ বাকলিৰ পৰা আৰম্ভ কৰি পশুৰ ছাল, বেতেৰে তৈয়াৰী বস্ত্ৰ আদিও ব্যৱহাৰ কৰিছিল বুলি কথিত কাহিনীত পোৱা যায়। সভ্যতাৰ পোহৰ পোৱাৰ লগে লগে মিচিং পুৰুষৰ গন্‌কগৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে বিলুপ্তি ঘটিল।

২.৫ গন্‌য়াব ঃ সভ্যতা আৰু জ্ঞানৰ পোহৰ পোৱাৰ পিছত মিচিং মহিলাসকলে কাপোৰ ববলৈ শিকিলে। লজ্জা নিবাৰণৰ বাবে পুৰুষে ব্যৱহাৰ কৰা কাপোৰ হিচাপে প্ৰথমে 'গন্‌য়াব' বৈ উলিয়াইছিল। বুলি জনা যায়। উগন (চুৰিয়া) + আয়ব বা আয়াব (এচিটা বা এডোখৰ) এই দুটা শব্দৰ সংমিশ্ৰণত গন্‌য়াব সৃষ্টি হৈছে বুলি ক'ব পাৰি। এই গন্‌য়াব অসমীয়াৰ লেংটি, লেঙুটি, কৌপিনৰ সমপৰ্যায়ৰ। ব্ৰিটিছসকলে উত্তৰ-পূব ভাৰতক 'নেফা' নামকৰণেৰে প্ৰশাসন কাৰ্য আৰম্ভ কৰাৰ পিছৰপৰা লাহে লাহে গন্‌য়াবৰ ব্যৱহাৰ হ্ৰাস পাই আহিল। বৰ্তমান অৰুণাচলৰ আমাৰেই সমগোষ্ঠীৰ ভিতৰুৱা পাহাৰীয়া জনগোষ্ঠীসমূহৰ মাজত অলপ-অচৰপ গন্‌য়াব পৰিধানৰ অব্যাহত আছে যদিও মিচিং সমাজৰ পৰা ইয়াৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে বিলুপ্তি ঘটিল।

২.৬ গালুগ ঃ সাধাৰণভাৱে বোৱা মিচিং চোলাক 'গালুগ' বুলি কোৱা হয়। সম্প্ৰতি বজাৰত পোৱা যিকোনো চোলাকো মিচিং ভাষাত গালুক বুলি কয়। আগৰ দিনত মিচিং মানুহে দীঘল কাপোৰ পিঠিৰ পৰা মেৰিয়াই বান্ধি গালুগৰ দৰে ব্যৱহাৰ কৰিছিল। পিছলৈ হাত চিলাই কৰি পিন্ধিব পৰা অৱস্থালৈ উন্নীত হোৱাত মেৰিয়াই বান্ধি গালুগৰ দৰে ব্যৱহাৰ কৰা প্ৰথা লোপ পালে।

২.৭ লুগ্‌ৰঃ ঃ'লুগ্‌ৰঃ' সৰ্বসাধাৰণভাৱে দৈনন্দিন ব্যৱহাৰ কৰা গালুগতকৈ বেলেগ। গালুগ (চোলা) + আৰঃ (খাঁটি বা সঁচা) = লুগৰঃ অৰ্থাৎ খাঁটি চোলা। এই লুগ্‌ৰঃ কেঁচা বগা সূতাৰে পৰম্পৰাগত নক্সা আৰু গামিগেৰে বোৱা হয়। পুৰুষসকলে পূজা-উৎসৱ, ৰাজহুৱা অনুষ্ঠান, কৌবাং, মিবঃ গৃকঃ আদিত এই লুগ্‌ৰঃ পৰিধান কৰাৰ নিয়ম প্ৰচলিত।

২.৮ মিবু গালুগ ঃ 'মিবু গালুগ' সৰ্বসাধাৰণ লোকে ব্যৱহাৰ কৰা গালুগতকৈ সম্পূৰ্ণ বেলেগ। এই

মিবু গালুগ নিসিজোৰা কেঁচা বগা সূচাৰে 'ঙচিগ গামিগ' (মাছৰ বাকলিৰ আৰ্হি থকা ফুল) থকা নিৰ্দিষ্ট ঘাই গামিগ লগাই শুদ্ধি হাতেৰে বোৰা হয়। লগতে বিশেষ পদ্ধতিৰে গালুগ হিচাপে হাতেৰে চিলোৰা হয়। মিবু গালুগক কেৱল মিবু, মিবৃ, তাবী আদিয়েহে পৰিধান কৰাৰ নিয়ম প্ৰচলিত।

২.৯ দুমীৰ ঃ মিচিঙৰ 'দুমীৰ' আৰু অসমীয়াৰ 'গামোচা' প্ৰায় সমাৰ্থক। সাধাৰণভাৱে ৰং-বিৰঙৰ কাপোৰত পাৰি লগাই বোৰা দুমীৰ দৈনন্দিন কামত ব্যৱহাৰ কৰা হয়। আনহাতে বগা ৰঙৰ কাপোৰত পাৰি আৰু দুই মূৰত গামিগ লগায়ো উন্নত ধৰণৰ দুমীৰ বয়। এইবিধ দুমীৰ বিভিন্ন পূজা-উৎসৱ, ৰাজহুৱা অনুষ্ঠান, কৌবাং আদিত পৰিধান কৰাৰ উপৰি কাৰোবাক সন্মান জনোৱা তথা প্ৰীতি-উপহাৰ হিচাপে যচাৰ কামতো ব্যৱহাৰ কৰা হয়।

২.১০ মৗৰ্পুং ঃ 'মৗৰ্পুং' হৈছে মূৰত পাগুৰি হিচাপে মেৰিয়াই পিন্ধা এক ধৰণৰ দীঘল গামোচা জাতীয় পোছাক। এই মৗৰ্পুং সাধাৰণতে বগা বা পাতল মুগা বৰণৰ। উন্নত ধৰণৰ দুমীৰৰ দৰেই মৗৰ্পুঙৰ দুই মূৰচ পৰম্পৰাগত ৰঙচুৱা গামিগ লগোৱা থাকে। পুৰুষসকলে পূজা-উৎসৱ, ৰাজহুৱা অনুষ্ঠান, কৌবাং আদিত মৗৰ্পুং পৰিধান কৰাৰ নিয়ম আছিল। সম্প্ৰতি লাহে লাহে এই নিয়ম কমি অহা দেখা গৈছে। মিবু (দেওধাই)ৰ বাবে শুদ্ধি হাতেৰে কেঁচা বগা সূতাৰদ্বাৰা তৈয়াৰ কৰা মেৰপুং জাতীয় লৗঃতি দুমীৰ মিবুৱে মিবু দাগনাম (মিবু নৃত্য) কৰোতে পৰিধান কৰাটো বাধ্যতামূলক। পুৰণি মিচিং লোকগীতবোৰতো মৗৰ্পুঙৰ বিষয়ে এনে ধৰণে উল্লেখ আছে --

Yo: dumdumem di:likteika
Taga dumdumem di:likteika
Yo: merpungem pe: lung sutoika
Me: bo bulla merpungem pe: lung sutoika.

(ভাবাৰ্থ ঃ অ' আমাৰ প্ৰিয়সকল, তোমালোকে ৰঙীন ফুলেৰে ফুলাম বগা গামোচা মূৰত মেৰিয়াই বান্ধি লৈ ৰং - ধেমালিৰে নৃত্য কৰিবলৈ সাজি-কাচি লোৱা বুলি গাভৰুহঁতে ডেকাল'ৰাহঁতক আহ্বান জনায়।)

২.১১ এঃতোপ ঃ 'এঃতোপ' হৈছে পুৰুষে মূৰত বন্ধা গামোচাজাতীয় অলপ দীঘল বস্ত্ৰ। কাম-বন কৰোতে ৰ'দ-বৰষুণ, ধূলি-বালি আদিৰ পৰা মূৰ অংশ সুৰক্ষিত কৰি ৰাখিবৰ বাবে এঃতোপ ব্যৱহাৰ কৰা হয়।

২.১২ তাপুমগাচৰ ঃ এৰী পলু পুহি সূতা কাটিব জনাৰে পৰা মিচিং সমাজত 'তাপুম গাচৰ' (এৰী চাদৰ) ৰ ব্যৱহাৰ প্ৰচলিত হৈ আহিছে। তাপুম গাচৰৰ সূচা টান, মসৃণ, ডাঠ আৰু দুই মূৰে দহি বটা থাকে। আগৰ দিনত ঘৰৰ প্ৰতিগৰাকী পুৰুষৰ বাবে তাপুম গাচৰ একোখনকৈ বৈ দিয়াটো মিচিং মাতৃ বা মহিলাৰ কৰ্তব্যৰ ভিতৰত আছিল। পুৰুষসকলে এনেদৰে বৈ দিয়া

তাপুম গাচৰখন শ্ব'ল হিচাপে জাৰৰ দিনত ব্যৱহাৰ কৰা প্ৰথা প্ৰচলিত আছিল। সম্প্ৰতি পৰিৱৰ্তিত পৰিস্থিতিত তাপুম গোচৰ কেৱল আলমাৰি বা বাকচত সংৰক্ষণ কৰা বস্ত্ৰলৈ পৰিণত হ'ব ধৰিছে। উল্লেখ্য এইবোৰৰ বাদেও পুৰুষে ব্যৱহাৰ কৰিব পৰাকৈ শকত সূচাৰে বৈ 'চগন' তৈয়াৰ কৰিছিল। চগন হৈছে হাতে-বোৱা কাপোৰেৰে তৈয়াৰী এবিধ মোনা। এই মোনাবোৰত বিভিন্ন নক্সা, গামিগ আদি তুলি দিয়া থাকে। বৰ্তমান বজাৰত সহজতে পোৱা বিভিন্ন ধৰণৰ মোনাই চগনৰ ব্যৱহাৰ নোহোৱা কৰি পেলাইছে।

২.১৩ য়াম্ব গাচৰ ঃ দৰাঘৰৰ বিয়াত দৰা-কইনাৰ যুগ্ম জীৱন আদিৰ অনাৰ বাবে মূৰৰ ওপৰত ওৰণি হিচাপে ব্যৱহাৰ কৰা 'গাচৰ' (চাদৰ) ক য়াম্ব গাচৰ বোলা হয়। মিচিঙৰ 'য়াম্ব' আৰু 'য়াম্নী' অসমীয়াৰ দৰা আৰু কইনাৰ সমাৰ্থক শব্দ। য়াম্নাম (ঢোলে-দগৰে আদৰি অনা) + ইবঃ (কাৰ্য) এই দুটা শব্দৰ সংযোজনত 'য়াম্ব' শব্দৰ সৃষ্টি হৈছে। যাক মিচিঙত 'য়াম্ব চুনান গাচৰ' আৰু অসমীয়াত 'বিবাহ লগ্নৰ চাদৰ' বুলি ক'ব পৰা যায়। এই চাদৰখন বৰ আহল-বহলকৈ বগা কপাহী কাপোৰেৰে বোৱা হয়। বগা য়াম্ব গাচৰ ৰঙা ৰঙৰ সূচাৰে ঙচিগ গামিগ (মাছৰ বাকলি) আৰ্হিৰ ফুল, চৰমন আঃয়ে (ঘঁৰিয়ালৰ দাঁত) আৰ্হিৰ নক্সা, কিঃচু লৗপঃ (দৰ্মৰাজ কুকুৰ) ৰ পদচিহ্ন আৰু কেতেকী-ডম্বৰু আকৃতিৰ ফুলৰ মিমাং (চানেকি) সংযোজন-সংমিশ্ৰণেৰে তৈয়াৰ কৰা হয়।

য়াম্ব গাচৰ (দৰা-চাদৰ) খন ওৰণি হিচাপে কৰি দৰা-কইনাৰ যুগ্ম জীৱনৰ পাতনি মেলাৰ বাবে যুগ্মভাৱে আদৰি অনা সময়ত য়াম্বচুনান গাচৰ (যুগ্মভাৱে আদৰি অনা বিবাহ-লগ্নৰ চাদৰ) লৈ পৰিণত হৈ যায়। মিচিঙৰ দাঃৰ মিদাং (বৰ বিয়া)ত য়াম্ব গাচৰ ব্যৱহাৰ কৰাটো নিতান্তই প্ৰয়োজন। এই য়াম্ব গাচৰ 'উৰুম উই' (উপৰি পুৰুষক পিণ্ডদান পূজা) কুঃচাগ (বংশভিত্তিক পূজা) আদিৰ মাংগলিক কাৰ্যত পুৰুষ - মহিলাই একেলগে ব্যৱহাৰ কৰা পৰিলক্ষিত হয়।

**৪.০১.০২ মহিলাই ব্যৱহাৰ কৰা সাজ-পাৰ ঃ**

১) এগে, ২) মচাঃনাম য়াকান এগে, ৩) গাজগ এগে, ৪) গাচৰ, ৫) ৰিঃবি, ৬) গাচৗং, ৭) গাপা, ৮) গাৰে, ৯) দুমৗৰ, ১০) চৗগ্ৰৗগ, ১১) পেঃৰে, ১২) ৰুম্বং, ১৩) গাঃৰে, ১৪) গেৰঃ, ১৫) য়েত্চাং, ১৬) পঃতুগ, ১৭) কোপপ বা পাক্পব, ১৮) পায়েগ ইত্যাদি।

১) এগে ঃ মিচিং মহিলাই পিন্ধা মেখেলাক সাধাৰণতে 'এগে' বুলি কোৱা হয়। ঘৰুৱা পৰিৱেশত দৈনন্দিন ব্যৱহাৰ কৰা এগেবোৰ যিকোনো ৰঙৰ হ'ব পাৰে আৰু কিছুমান ৰং মিলাই চেকো (আঁচ) থাকে। পূজা-উৎসৱ, ৰাজহুৱা অনু্ঠান, মিবঃগৃকঃ আদিকে ধৰি ঘৰৰ পৰা ক'ৰবালৈ যাওঁতে পিন্ধা এগেবোৰ বিভিন্ন ৰঙৰ আৰু ৰং-বিৰঙৰ দেখনিয়াৰ গামিগেৰে ভৰপূৰ। এই গামিগবোৰক কেব্বুং, কংগাৰ, পুন্জেৰ, পৗঃৰে, ৰৗংকে, গৰ্গে, কেঃচা, কেঃচী, মৗয়াপ আদি বিভিন্ন নামেৰে নামকৰণ কৰা থাকে।

২) মচাঃনাম য়াকান এগে ঃ ‘মচাঃনাম য়াকান এগে’ অসমীয়াত ফুলেৰে তুলি ধৰা ক’লা মেখেলা বুলিব পাৰি। ঘাই গামিগেৰে সৈতে সংলগ্ন নানান গামিগবোৰ মেখেলাখনৰ পাৰিৰ তলৰ পৰা বহু ওপৰলৈ আকৰ্ষণীয় ৰূপত তুলি ধৰা হয়। মচাঃ নাম য়াকান এগে হৈছে ঘোৰ এন্ধাৰ ৰাতিৰ তৰা-ভৰা আকাশৰ প্ৰতীক। কোনো দুৰ্যোগলৈ ভয় নকৰি জীৱনৰ এন্ধাৰ ৰাতিতো নিৰাশ নোহোৱাকৈ আশাৰ জেউতি বুকুত বান্ধি অসীম ধৈৰ্য আৰু সাহসেৰে আগবাঢ়ি আঁউসীৰ এন্ধাৰ বিনাশীৰ প্ৰতীক। ইয়াৰ পৰা মিচিং মহিলা যে বিশ্বৰ সকলো মহিলাৰ ভিতৰতে কৰ্ম-কুশলী, দৃঢ় আৰু উচ্চমনা সেই কথাৰ প্ৰমাণ পাব পাৰি। মিচিঙৰ বিয়াত কইনাক মচাঃনাম য়াকান এগে পিন্ধোৱা নিয়ম প্ৰচলিত। লগতে বিয়াৰ অন্যান্য বস্ত্ৰ গেৰঃ ৰিঃবি, গাচৌং, য়াম্ব আদিৰ সৈতে নানান আ-অলংকাৰ পৰিধান কৰোৱা হয়। সেই মতে কইনাক পৰিধান কৰাই ঢোল, তাল, বাঁহী, পেঁপা আদি বাদ্য মাংগলিক তালত বজাই এখন সাংসাৰিক যুদ্ধৰ নতুন সেনাপতিনীৰ বেশেৰে তাইকক দৰাগৃহত প্ৰৱেশ কৰোৱায়। সাহস আৰু দৃঢ়তাৰ প্ৰতীক মচাঃনাম য়াকান এগে পৰিহিতা কইনাই বিয়াৰ দিনাখন সমাজৰ জ্যেষ্ঠসকলৰ ওচৰত নতুন সংসাৰৰ গুৰি ধৰি সেইদিনাৰ পৰা ধৈৰ্য আৰু সাহসেৰে নিয়াৰিকৈ ঘৰ-সংসাৰ চলাই নিয়াৰ সংকল্প লয়। লগতে লগেত সমৱেত সকলো লোকে কইনাক জয়ধ্বনিৰে আশীৰ্বাদ দিয়া নি.ম প্ৰচলিত। বৰ্তমান এই নিয়মবোৰৰ কিছু তাৰতম্য হ’ব ধৰিছে।

৩) গাজগ এগে ঃ ‘গাজগ এগে’ হৈছে মিচিং মহিলাই মেখেলা হিচাপে পৰিধান কৰা এবিধ বস্ত্ৰ। এইবিধ বস্ত্ৰক ক’লা, ৰঙা, বগা, কমলা আদি ৰঙৰ মিশ্ৰণেৰে ঘৰ টানি মাজত বহলকৈ গামিগ তুলি দি বোৱা হয়। গাজগ একে নিচিলোৱা, বুকুৰ পৰা তললৈ মেৰিয়াই কেৱল বিবাহিতা মহিলাইহে পিন্ধাৰ নিয়ম প্ৰচলিত আছিল। সাম্প্ৰতিক সময়ত পৰিৱেশ সাপেক্ষে এনে নিয়ম বহু পৰিমাণে কমি অহা পৰিলক্ষিত হৈছে।

৪) গাচৰ ঃ ‘গাচৰ’ (চাদৰ) শব্দই মিচিং ভাষাত ব্যাপক অৰ্থ বহন কৰে। সহজভাৱে সকলোবিধ কাপোৰকে মিচিঙত গাচৰ বুলি কয়। পিছে আমি ইয়াত মহিলাই ব্যৱহাৰ কৰা ৰিহা, চেলেং চাদৰজাতীয় গাচৰৰ কথাহে বুজাব বিচাৰিছো। এনেজাতীয় গাচৰ ঘৰুৱা পৰিৱেশত দৈনন্দিন ব্যৱহাৰ কৰাবোৰ যিকোনো ৰঙৰ হ’ব পাৰে আৰু ৰং মিলাই দুই মূৰে পাৰি, আঁচল বা অলপ-অচৰপ গামিগো থাকে। পূজা-উৎসৱ, ৰাজহুৱা অনুষ্ঠান, মিবঃ গৃকঃ আদিকে ধৰি ঘৰৰ পৰা ক’ৰবালৈ যাওঁতে পিন্ধা গাচৰবোৰ বিভিন্ন ৰঙৰ আৰু ৰং-বিৰঙৰ দেখনিয়াৰ গামিগেৰে ভৰপূৰ।

৫) ৰিঃবি ঃ ‘ৰিঃবিঃ’ হৈছে মিচিং মহিলাই মেখেলাৰ লগত চাদৰ বা শীতত শ্ব’ল হিচাপে ব্যৱহাৰ কৰা এবিধ ডাঠ বস্ত্ৰ। ৰিঃবি ৰঙা ৰঙৰ লগত বগা, কলা, মদাৰ, কমলা ৰঙৰ কপাহী সূতাৰে সংমিশ্ৰণেৰে বয় আৰু ইমূৰৰ পৰা সিমূৰলৈ ৰংসমূহ মিলাই আঁচ আঁচকৈ চেক টনা থাকে। ৰিঃবিৰ আদৰ আৰু ব্যৱহাৰলৈ লক্ষ্য কৰিলে কপাহ খেতি কৰিব জনাৰ পৰাই ইয়াৰ ব্যৱহাৰ

হ'ব ধৰিছে বুলি ক'ব পৰা যায়। ৰিংবি গাচৰৰ গুৰুত্ব মিচিং সমাজত অপৰিসীম। পূজা-উৎসৱ, ৰাজহুৱা অনুষ্ঠান, মিবঃ গৃকঃ আদি অন্যান্য কামলৈ যাওঁতে ৰিংবি পিন্ধা নিয়ম প্ৰচলিত আছিল। সম্প্ৰতি নেদৰে পিন্ধা যুগসাপেক্ষে কিছু কমিব ধৰা পৰিলক্ষিত হৈছে। মিচিঙৰ অভিজ্ঞ ব্যক্তিসকলে কোৱা মতে, ৰিঃ বিৰ ৰঙৰ মিশ্ৰণেৰে চেক টনা সমূহ ঢেঁকীয়াপতীয়া বাঘৰ ৰং তথা মহা পৰাক্ৰমৰ প্ৰতীক বহন কৰিছে। দুৰ্জেয় শত্ৰু বিনাশী মহা পৰাক্ৰমী বীৰ আৰু দুৰ্দান্ত বাঘ নিধনকাৰী বীৰ চিকাৰী আদিক এই দুৰ্জেয় সাহস আৰু মহা পৰাক্ৰমৰ প্ৰতীক ৰিংবি গাচৰেৰে সন্মানসহকাৰে আদৰণি জনোৱাটো তাহানিৰ দিনত নিয়ম

৬) গাচৌং ঃ 'গাচংঙো' হৈছে মিচিং মহিলাই চাদৰ বা শীতত শ্ব'ল হিচাপে ব্যৱহাৰ কৰা ৰিংবিৰ দৰেই এবিধ ডাঠ বস্ত্ৰ। গাচৌং ৰঙা বা মদাৰ ৰঙৰ কপাহী সূতাৰে বয় আৰু দুই মূৰে চাৰি-পাঁচটা প্ৰায় এক ইঞ্চি বহল বগা-কলা ৰেখা টনা থাকে। কিছুমান গাচৌঙৰ আঁচলত আঁচো টনা থাকে। গাচৌং ব্যৱহাৰলৈ লক্ষ্য কৰিলে কপাহ খেতি কৰিব জনাৰ  পৰাই ইয়াৰ ব্যৱহাৰ হ'ব ধৰিছে বুলি ক'ব পাৰি। গাচৌং গাচৰৰো গুৰুত্ব মিচিং সমাজত অপৰিসীম। পূজা-উৎসৱ, ৰাজহুৱা অনুষ্ঠান, মিবঃ গৃকঃ আদি নানা কামলৈ যাওঁতে গাচৌং পিন্ধা প্ৰায় নিয়মত প্ৰচলিত আছিল। সম্প্ৰতি এনেদৰে পিন্ধা নিয়ম সময়সাপেক্ষে কিছু কমিব ধৰা পৰিলক্ষিত হৈছে।

৭) গাপা ঃ 'গাপা' হৈছে পকোৱা সূতাৰে ডাঠকৈ বোৱা মেখেলাজাতীয় এবিধ বস্ত্ৰ। সচৰাচৰ মেখেলাৰ দুই পাৰি সংলগ্ন কৰি গোলাকাৰকৈ চিলোৱা থাকে, কিন্তু গাপা চিলোৱা নাথাকে। গাপাৰ ৰং মিলাই দুটা ফালৰ মাজৰ অংশত ছিয়কৈ এচটা শাৰী কোণা-কুণী আকৃতিৰ গামিগ তোলা থাকে। পিন্ধোতে উক্ত গামিগ পিন্ধাজনীৰ পিছফালৰ অংশ থিয়কৈ প্ৰতিফলিত হয়। অকল গাভৰু ছোৱালীয়েহে গাপা পিন্ধাৰ নিয়ম প্ৰচলিত আছিল। অৰুণাচলৰ আবতানি বংশৰ বোৱাৰীসকলৰ 'গালৌ' পিন্দা দেখি দুই - এক মিচিং বোৱাৰীয়েও সম্প্ৰতি গাপা পিন্ধিবলৈ ধৰা পৰিলক্ষিত হৈছে।

৮) গাৰে ঃ 'গাৰে' হৈছে পকোৱা সূচাৰে ডাঠকৈ বোৱা গাপাৰ লেখীয়া মেখেলাজাতীয় বস্ত্ৰ। অৱশ্যে গাৰেত ৰং মিলাই মাজে মাজে ৰঙা, কমলা, হালধীয়া, ক'লা, বগা আদি কৰি কেইবাটাও ৰঙৰে থিয়কৈ আঁচ টনা থাকে। গাৰে সকলো বয়সৰ মহিলাই পৰিধান কৰা দেখা যায়।

৯) কেগ্ৰৌগ ঃ 'কেগ্ৰৌগ' বগা, ক'লা, ৰঙা, হালধীয়া আদি বিভিন্ন ৰঙৰ সূতাৰে বোৱা এবিধ মেঠনিজাতীয় পোছাক। এই পোছাক বিবাহিতা মহিলাই বুকুত কেগ্ৰৌগ (মেঠনি) হিচাপে ব্যৱহাৰ কৰা নিয়ম মিচিং সমাজত প্ৰচিলিত।

১০) চৌগ্ৰৌগ ঃ কেগ্ৰৌগৰ দৰেই বিভিন্ন ৰঙৰ সূতাৰে বোৱা 'চৌগ্ৰৌগ'ও মেঠনিজাতীয় পোছাকেই হয়। কিন্তু এই পোছাক আদহীয়া মহিলাই মেখেলাৰ ওপৰত সমানে সমানে ব্যৱহাৰ কৰাৰ নিয়ম প্ৰচলিত।

১১) পেঃৰে ঃ ‘পেঃৰে’ হৈছে মিচিং মহিলাই মেখেলাৰ লগত পৰিধান কৰা এবিধ চাদৰজাতীয় বস্ত্ৰ। ইয়াক হালধীয়া, বগা, ৰঙা, ক’লা সূচাৰে ইমূৰৰ পৰা সিমূৰলৈ আঁচ আঁচকৈ চেক টনা থাকে। সকলো বয়সৰ মহিলাই প্ৰয়োজনীয় সময়ত পেঃৰে পৰিধান কৰিব পাৰে।

১২) ৰুম্বং ঃ ‘ৰুম্বঙো’ হৈছে পেঃৰেৰ দৰেই মিচিং মহিলাই পৰিধান কৰা চাদৰজাতীয় বস্ত্ৰ। ইয়াক হালধীয়া, বগা, ৰঙা, কলা, সেউজীয়া সূতাৰ সংমিশ্ৰণেৰে গামিগ তোলাৰ লগতে চেক টনা থাকে। প্ৰধানকৈ য়াম্নী (ন-কইনা) ই মিচিং মিদাং (বিয়া)ত য়াম্ব (দৰা) ৰ ঘৰত প্ৰৱেশ কৰোতে ৰুম্বং পিন্ধাৰ নিয়ম প্ৰচলিত।

১৩) গাঃ ৰে ঃ ৰুম্বঙৰ দৰে ‘গাঃ ৰে’ও মিচিং মহিলাই পৰিধান কৰা চাদৰজাতীয় বস্ত্ৰ। ইয়াক ৰুম্বঙৰ দৰেই বোৱা হয় যদিও গামিগৰ সংখ্যা কম থাকে। বিবাহিতা মিচিং মহিলাই সাধাৰণতে গাঃ ৰে পৰিধান কৰা পৰিলক্ষিত হয়।

১৪) গেৰঃ ঃ ‘গেৰঃ’ হৈছে মিচিং মহিলাই পৰিধান কৰা এবিধ আকৰ্ষণীয় বস্ত্ৰ। এগে (মেখেলা) + আৰঃ (খাঁটি বা সঁচা) = গেৰঃ, অৰ্থাৎ খাঁটি মেখেলা। সচৰাচৰ বগা ৰঙৰ কাপোৰ দুই মূৰৰ পৰা হিচাপ কৰি মাজৰ অংশত গেৰঃ গামিগ তোলা হয়। পিন্ধোতে পিছফালৰ গামিবোৰ থিয়কৈ দৃশ্যমান হয়। ৰং-বিৰঙৰ সূতাৰে কোণা-কুণী আকৃতিৰ ঘাই গামিগৰ লগত দুইফালে পালি গামিগ সংলগ্ন কৰি গেৰঃবোৱা হয়। পূজা - উৎসৱ, নৃত্য, ৰাজহুৱা অনুষ্ঠান আদিত গেৰঃ পৰিধান কৰাৰ নিয়ম প্ৰচলিত হৈ আকৰ্ষণীয় ৰূপত মিচিং বয়ন শিল্পক উজলাই তুলিছে। গেৰঃ মেখেলাৰ ওপৰত পৰিধান কৰা মেঠনিজাতীয় এবিধ সাজ। গাভৰুৱে কঁকালৰ পৰা মেৰিয়াই আৰু বোৱাৰীয়ে বুকুৰ পৰা মেৰিয়াই পিন্ধাৰ নিয়ম প্ৰচলিত। নিসিজোৱা এৰী সূচাৰে অভিজ্ঞ বৃদ্ধাই বোৱা অ-কুমাৰী ছোৱালীয়ে ধোৱা এঁৰা গেৰঃত দৈৱিক শক্তি থকা বুলি মিচিং জনবিশ্বাসত প্ৰচলিত। ডাঙৰ পূজা-উৎসৱবোৰত, মিবু দাগ্নাম (দেওধাইৰ দেও লম্ভা নৃত্য) কৰোতে অ-তুমাৰী ছোৱালীবোৰে এঁৰা গেৰঃ পৰিধান কৰাটো নিয়ম। দুৰ্ঘটনাগ্ৰস্ত হৈ ৰক্তক্ষণৰ হ’লে বা জীৱ যাওঁ যাওঁ হ’লে তেনে অৱস্থাত এঁৰা গেৰঃ এখন দুৰ্ঘটনাগ্ৰস্তজনৰ গাত ঢাকি দিলে ৰক্তক্ষণৰ বন্ধ হৈ, বিষ কাটি সুস্থ হয় বুলি মিচিং পৰম্পৰাগত লোকবিশ্বাসত আছে।

১৫) য়েত্চাং ঃ ‘য়েত্চাং’ হৈছে দীঘল শাৰীজাতীয় এবিধ বস্ত্ৰ। এটা ৰঙৰ কে’বামেৰো মেৰিয়াই পিন্ধিব পৰাকৈ দীঘলকৈ বৈ লয়। আজিকালি য়েত্চাঙৰ ব্যৱহাৰ প্ৰায় নাইকিয়া হ’ব ধৰিছে।

১৬) পঃতোপঃ ‘পঃতোপ’ মিচিং মহিলাই মূৰত পৰিধান কৰা গামোচাজাতীয় এবিধ বস্ত্ৰ। পঃতোপ গামোচাৰ সমানকৈ এটা ৰঙৰ বা চেক থকাকৈ বোৱা হয়। মিচিং মহিলাই দৈনন্দিন ঘৰুৱা কামত, ঘৰৰ বাহিৰৰ কাম বা পথাৰৰ কাম ইত্যাদিবোৰ কৰোতে পঃতোপ মূৰত মেৰিয়াই লৈ পিছফালে খোপাৰ নিচিনা বান্ধি থয়।

১৭) কোঃ পব বা পাক্পব ঃ ‘কোঃ পব’ বা ‘পাক্পব’ হৈছে মিচিং চেমনীয়া ছোৱালীয়ে গাত

পৰিধান কৰা এবিধ চেলেং চাদৰজাতীয় বস্ত্ৰ। ইয়াক চাদৰৰ দৰে অলপ দীঘলকৈ বোৱা হয়। এফলীয়াকৈ কাষলতিৰ তলেদি মেৰিয়াই নি কান্ধৰ এপিনে আগ দুটা 'পাক্‌পব' অৰ্থাৎ বান্ধি দি চেমনীয়া ছোৱালীক পিন্ধোৱাৰ নিয়ম প্ৰচলিত আছিল। সম্প্ৰতি বজাৰৰ ফ্ৰক জাতীয় পোছাকৰ আগমনত পাক্‌পব প্ৰায় নাইকিয়া হ'ব ধৰিছে।

১৮) পায়েগ ঃ 'পায়েগ' হৈছে মিচিং বিবাহিতা মহিলাই তামোলৰ টোপোলা নিবলৈ ব্যৱহাৰ কৰা এবিধ সৰু আকৃতিৰ গামোচা। ইয়াক অসমীয়াৰ হাঁচতিৰ সম-পৰ্যায়ৰ বুলি ক'ব পাৰি। আগৰ কালত আদহীয়া বা বৃদ্ধা মহিলাই পায়েগ লৈ ফুৰাটো নিয়মত প্ৰচলিত আছিল।

**৪.০১.০৩ পুৰুষ আৰু মহিলা উভয়ে ব্যৱহাৰ কৰা সাজ বা বস্ত্ৰ ঃ**

মিচিং পুৰুষ-মহিলা সকলোৱে ব্যৱহাৰ কৰা আপুৰুগীয়া বস্ত্ৰবিধ হৈছে 'গাদু'। ই অসমীয়াত 'মিৰিজিম' নামে খ্যাত। গাদুক কপাহৰ সূতাৰে প্ৰতি সূচাৰ মাজত কপাহৰ আঁহ লগাই বোৱা হয়। ইয়াত মিচিং বয়ন শিল্পৰ কাৰিকৰী কৌশল আৰু উচ্চ মান প্ৰতিফলিত হয়। বৰ উম লগা গাদু জাৰৰ দিনত লেপ বা কম্বলৰ দৰে পৰিয়ালৰ সকলোৱে ব্যৱহাৰ কৰা নিয়ম আছিল। সম্প্ৰতি গাদু বব জনা অভিজ্ঞ মহিলাও কমি আহিছে, লগতে গাদুৰ ব্যৱহাৰো কমি আহিছে। আগৰ দিনত একোগৰাকী মিচিং মাতৃয়ে জীয়েকৰ বিয়াত একোখন ডাঙৰ গাদু দি গৌৰৱ অনুভৱ কৰিছিল। তাৰোপৰি, ৰিঃবি, গাচৌং, তাপুং গাচৰ, দুমৌৰ, য়াম্ব আদি মিচিং পুৰুষ-মহিলা উভয়েই কম-বেছি পৰিমাণে ব্যৱহাৰ কৰা দেখা যায়।

উল্লেখ্য তাহানিতে মিচিং সাজ-পাৰবোৰ কপাহ খেতি কৰি সূচা কাচি, বিভিন্ন ৰং বোলাই বোৱা হৈছিল। সম্প্ৰতি মিচিঙৰ অধিকাংশ সাজ-পাৰ, বস্ত্ৰ আদি বজাৰত সহজতে পোৱা আধুনিক ৰং-বিৰঙৰ সূতাৰে বোৱা পৰিলক্ষিত হৈছে। আগৰ দৰে কপাহ খেতি কমি অহাত, কপাহ হাতেৰে সূচা কটা মেহনতি পন্থা, ভবামতে হুবহু ৰং দিব নোৱাৰা, অধিক সময়ৰ প্ৰয়োজন আদি কাৰণতেই আধুনিক বজাৰৰ সূতাৰ আগমন দ্ৰুতগতিত আগবাঢ়িছে। মিচিঙৰ বাঁহ-কাঠেৰে বনোৱা পৰম্পৰাগত তাঁতশালখনৰ ঠাইতো আধুনিক যন্ত্ৰচালিত তাঁতশালৰ আগমন হ'ব ধৰিছে। মিচিং বয়ন শিল্প তথা সাজ-পাৰে পৰিৱৰ্তিত সময়ত পৰিস্থিতি সাপেক্ষে স্বকীয়তাখিনিৰ পৰা অলপ ৰূপান্তৰ হ'ব ধৰা দেখা গৈছে। তথাপি উন্নত মানৰ মিচিং বয়ন শিল্পই বিশ্বৰ বুকুত বৰ্ণাঢ্য ৰূপত উজলি থাকিব বুলি আমাৰ দৃঢ় বিশ্বাস।

## ৪.০১.০৪ মিচিঙে ব্যৱহাৰ কৰা আ-অলংকাৰ ঃ

**৪.০১.০৪.০১ পুৰুষৰ অলংকাৰ ঃ**

অতীত কালত মিচিং সমাজত পুৰুষেও আ-অলংকাৰ পৰিধান কৰিছিল। পুৰুষসকলে ডিঙিত, কাণত আৰু হাতত কিছুমান অলংকাৰ পিন্ধিছিল। সাধাৰণ দগনী (মণি), তাদগ (বৰ মণি) সকলো বিষয়ৰ পুৰুষেই পৰিধান কৰিছিল। বয়সিয়াসকলে কাণত তক্‌পৰ (কাঠৰ কেৰু)

পৰিধান কৰিছিল। মিচিং মিবু (দেওধাই) সককে দৈবিক গুণসম্পন্ন জীয়া দগ্নৗ, তাদগ পৰিধান কৰাটো নিয়মত প্ৰচলিত আছিল। সম্প্ৰতি সঁচা দেও লম্ভা মিবুৰ সংখ্যাও প্ৰায় কমি অহাৰ লগে লগে জীয়া দগ্নৗ-তাদগো আগৰ দৰে সহজতে পাব নোৱৰা হৈছেগৈ। মিচিং সমাজত গাম (গাঁওবুঢ়া) প্ৰথা আৰম্ভণিৰ পৰা বিট্ৰিছসকলে উত্তৰ-পূব ভাৰতত প্ৰশাসন কাৰ্য চলোৱা সময়লৈকে গামসকলে মূল্যবান দগ্নৗ, তাদগৰ লগতে এবিধ বহল খাৰু হাতত পিন্ধাৰ নিয়ম প্ৰচলিত আছিল। এই খাৰুবিধ 'গাম খাৰু' নামে জনাজাত আছিল। বিশেষভাৱে গামসকলে পৰম্পৰাগত সাজ-পাৰৰ লগতে আকৰ্ষণীয় অলংকাৰ পৰিধান কৰি কৌবাং (মেল) বিচাৰ, ৰাজহুৱা অনুষ্ঠান আদিত সভা শুৱনি কৰিছিল।

**৪.০১.০৪.০২ মহিলাৰ অলংকাৰ ঃ**

মিচিং মহিলাসকলে বস্ত্ৰ পৰিধান কৰিব শিকাৰ পৰা অলংকাৰ পৰিধান কৰি আহিছে। আৰম্ভণিতে ধাতৰজাতীয় অলংকাৰৰ পৰিৱৰ্তে গছ-লতা, তৃণ, মণি-মুকুতা, জীৱ-জন্তুৰ শিং আৰু দাঁতৰ পৰা আহৰণ কৰা বস্তুৰে তৈয়াৰী বিভিন্ন অলংকাৰহে পৰিধান কৰিছিল। এই অলংকাৰবোৰৰ ভিতৰত চেং, তাক্পি, কেন্তু, তাক্পৰ, বিৰ্বিৰ, ৰুঃপুন, লাক্পুন, দুম্পুন, তাল দুম্ব, তাগুং, তৌৰীং, ইংৰী বা চিৰীং, এঞবএঞয়ি বা চিম্য় এঞয়ি, দুম্বাব, দুম্গাগ পেঃচ, দকচিৰি, দগ্নৗ, তাদগ আদি উল্লেখ কৰিব পাৰি। আকৌ পিছলৈ ধাতৰজাতীয় বস্তু ব্যৱহাৰ কৰিব শিকাৰ পৰা কংগে, পিচিৰিং, লাক্পু, কঃপুং, ৰুঃপুং আদি ব্যৱহাৰ কৰিবলৈ ধৰিলে।

০.১ চেং ঃ 'চেং' হৈছে তাপি (খাগৰিজাতীয় নল গছ) গছৰ ভিতৰত থকা বগা অংশবিশেষেৰে গুঁথা এবিধ দক্চিৰি (মালা)। প্ৰকৃতিৰ পৰা আহৰণ কৰা এই আকৰ্ষণীয় মালাবিধ মিচিং মহিলাই পিন্ধিলে বৰ শুৱনি দেখিছিল। মিচিং লোকগীততো এঠাইত এই চেঙৰ বিষয়ে এনেদৰে উল্লেখ আছে --

Seng seng daboya Tapiya daboya
Mi: yumo nedeme Mo: yongo: nedeme
Na:min bilungem bijongo: nedeme

(ভাবাৰ্থ ঃ তাপিৰে গুঁথা চেং পিন্ধাজনীক, গাল-মুখ মিহিকৈ দেখিবলৈ ধুনীয়াজনীক, ইমান মৰম লগাকৈ চেনেহ-আদৰ যাচিবলৈ জনাজনীক বিয়া পাতি মোৰ ঘৰ-সংসাৰ কৰিবলৈ বৰ মন যায়।)

বৰ্তমান মিচিং মহিলাৰ এই আকৰ্ষণীয় ডিঙিৰ অলংকাৰবিধ মিচিং সমাজৰ পৰা একেবাৰে নাইকিয়া হ'ল বুলি ক'ব পাৰি।

০.২ তাক্পি ঃ 'তাক্পি' এবিধ তৃণজাতীয় সৰু গছ। এই তাক্পিৰ পৰা ওলোৱা মণিলেখীয়া গুটি পূৰ্ঠ হ'লে দক্চিৰি (মালা) হিচাপে গুঁথি লৈ মিচিং ছোৱালী-জীয়াৰীয়ে পৰিধান কৰিছিল। বৰ্তমান কালত তাক্পিৰ ব্যৱহাৰো বিলুপ্তি ঘটিল বুলিব পাৰি।

০.৩ কেন্তু ঃ 'কেন্তু' হৈছে তাএগ্রাম ইচিং (কট্‌কুৰা জাতীয় এবিধ কাঁইটীয়া গছ) ৰ সৰু ডালেৰে তৈয়াৰ কৰা কাণৰ অলংকাৰ। এক ইঞ্চিমান টুকুৰা ডালটোৰ কুন্দত সুন্দৰকৈ ফুল কাটি কেন্তু কাণত পিন্ধিব পৰাকৈ সজা হয়। বৰ্তমান কালত কেন্তুৰ ব্যৱহাৰো বিলুপ্তি ঘটিল।

০.৪ তাক্‌পৰ ঃ 'তাক্‌পৰ' হৈছে তাএগ্রাম ইতিঙৰ পৰা তৈয়াৰী এবিধ কেৰু। এই কেৰুযোৰ দেখাত চকাৰ দৰে ঘূৰণীয়া, অলপ বহল, চেপেটা আৰু সোঁমাজত ফুটা কৰি মণি ভৰোৱা থাকে। ইয়াৰ চেপেটা অংশত সুন্দৰকৈ নক্সা দিয়া থাকে। বৰ্তমান কালত তাক্‌পৰৰ ব্যৱহাৰো বিলুপ্তি ঘটিল।

০.৫ বিৰ্‌বিৰ্ ঃ এবিধ বনৰীয়া কাঠ আলুজাতীয় সৰু গুটি। ই শুকালে চেপেটা আৰু কঠিন হৈ পৰে। এই গুটিটোক সৰু পাহাৰীয়া বাঁহৰ ৰিং লগাই বা বেতেৰে পকোৱা ৰিং লগাই কাণত পৰিধান কৰে। ইয়াকে 'বিৰ্‌বিৰ্' বুলি কোৱা হয়। বৰ্তমান কালত বিৰ্‌বিৰ ব্যৱহাৰো বিলুপ্তি ঘটিল।

০.৬ ৰুঃ পুন ঃ 'ৰুঃপুন' হৈছে ৰং-বিৰঙৰ সূতাৰে ফুলৰ দৰে তৈয়াৰ কৰি কাণত পিন্ধা অলংকাৰ। য়েৰু (কাণ) + আপ্পুন (ফুল) শব্দৰ সংযোগ হৈ 'ৰুঃপুন' হৈছে। মিচিং গাভৰুৱে নৃত্যৰ সময়ত প্ৰায়ে ৰুঃপুন ব্যৱহাৰ কমি আহিব ধৰিছে।

০.৭ লাক্‌পুন ঃ 'লাক্‌পুন' হৈছে ৰং-বিৰঙৰ সূচাৰে ফুলৰ চুটি মালা গুঁথি হাতৰ খাৰুৰ দৰে পিন্ধা অলংকাৰ। আলাগ (হাত) আপ্পুন + (ফুল) শব্দৰ সংযোগ লৈ 'লাক্‌পুন' হৈছে। মিচিং গাভৰুৱে নৃত্যৰ সময়ত লাক্‌পুন পৰিধান কৰাটো নিয়মত পৰিণত হৈছে। সম্প্ৰতি এই লাক্‌পুন পিন্ধি নচা নৃত্যসমূহে মিচিং লোকনৃত্যক আকৰ্ষণীয় ৰূপত উজলাই তুলিছে।

০.৮ দুম্পুন ঃ লাক্‌পুনৰ দৰেই ৰং-বিৰঙৰ সূচাৰে ফুলৰ চুটি মালা গুঁথি 'দুম্পন' তৈয়াৰ কৰি খোপাত ঘূৰণীয়াকৈ মেৰিয়াই পৰিধান কৰা হয়। দুম্‌গাগ্ (খোপা) + আপ্পুন (ফুল) শব্দৰ সংযোগ হৈ 'দুম্পন' হৈছে। মিচিং গাভৰুৱে নৃত্যৰ সময়ত দুম্পন পৰিধান কৰাটো নিয়মত পৰিণত। সম্প্ৰতি খোপাত এই দুম্পন পিন্ধি নচা নৃত্যসমূহে মিচিং লোক নৃত্যক আকৰ্ষণীয় ৰূপত উজলাই তুলিছে।

০.৯ তালদুম্ব ঃ 'তালদুম্ব' হৈছে মতা হৰিণাৰ শিং। ইয়াক পিন্ধিব পৰাকে সুন্দৰকৈ তৈয়াৰ কৰি মিচিং মহিলাই শিৰৰ ভূষণ হিচাপে ব্যৱহাৰ কৰিছিল। বৰ্তমান কালত তালদুম্বৰ ব্যৱহাৰো বিলুপ্তি ঘটিল।

০.১০ তাগুং ঃ 'তাগুং' হৈছে এবিধ বিশেষ উজ্জ্বল মুকুতা-মণি। ইয়াক মিচিং মহিলাই শিৰৰ ভূষণ হিচাপে ব্যৱহাৰ কৰিছিল। বৰ্তমান কালত তাগুঙৰ ব্যৱহাৰো বিলুপ্তি ঘটিল।

০.১১ তৌৰীং ঃ 'তৌৰীং' হৈছে হাতীৰ দাঁত। চিতে (হাতী) আঃৰীং (শিং) শব্দৰ সংযোগ হৈ 'তৌৰীং' হৈছে। হাতীৰ দাঁতৰ পৰা তৈয়াৰ কৰা অলংকাৰ মিচিং মহিলাই হাতত, কাণত, ডিঙিত পৰিধান কৰা নিয়ম প্ৰচলিত আছিল। বৰ্তমান কালত তৌৰীঙৰ ব্যৱহাৰো প্ৰায় নোহোৱা হ'ল।

০.১২ ই ঃ ৰীং বা চিৰীং ঃ 'ইঃ ৰীং বা চিৰীং' হৈছে নল গাহৰিৰ (শিং সদৃশ) দাঁত। ইপাং (দাঁত) + আঃ ৰীং (শিং) শব্দৰ সংযোগ হৈ 'ইঃ ৰীং' হৈছে। আনহাতে চিৰা (নল -গাহৰি) + আৰীং শব্দৰ সংযোগ হৈ 'চিৰীং' হৈছে। এই নল গাহৰিৰ সৰু শিং সদৃশ দাঁতবোৰ মালা হিচাপে এসময়ত মিচিং

মহিলাই পৰিধান কৰিছিল। বৰ্তমান কালত ইঃ ৰীং বা চিৰীঙৰ ব্যৱহাৰো একেবাৰে নোহোৱা হ'ল।

০.১৩ এঞবঃ এঞয়ি বা চুময়ঃ এঞয়ি ঃ 'এঞবঃ এঞয়ি' হৈছে মতা বাঘৰ পাৰিৰ আগদাঁত। এই সৰু শিং সদৃশ দাঁতবোৰ মালা হিচাপে এসময়ত মিচিং মহিলাই পৰিধান কৰিছিল। বৰ্তমান কালত ইয়াৰ ব্যৱহাৰো একেবাৰে নোহোৱা হ'ল।

০.১৪ দুম্‌গাগ তাবাব বা দুস্বাব ঃ 'দুম্‌গাগ তাবাব বা দুস্বাব' বুলিলে সাধাৰণতে খোপাত লগোৱা ফণিক বুজোৱা হয়। মিচিং মহিলাসকলে আগতে চিংকম ইচিং (এবিধ গোলনেমুজাতীয় গছ) ৰ কাঠৰ পৰা সুন্দৰকৈ ফুল কাটি সজা ফণি খোপাত গুঁজি শুৱনি লগাকৈ ব্যৱহাৰ কৰিছিল। বৰ্তমান ইয়াৰ ব্যৱহাৰো নোহোৱা হ'ল।

০.১৫ দুম্‌গাগ পেঃচু ঃ বুলিলে সাধাৰণতে খোপা কটাক বুজোৱা হয়। মিচিং মহিলাসকলে আগতে বাঁহেৰে চঁচা শলাকাঠী, বঃবৃ তালিঃ (কেঁটেলা পহুৰ কাঁইট) আৰু পিছলৈ বিভিন্ন ধাতুৰ পৰা নিৰ্মিত শলাকাঠী দুম্‌গাগ পেঃচু হিচাপে ব্যৱহাৰ কৰিছিল। আধুনিক অলংকাৰৰ আগ্ৰাসনত বৰ্তমান ইয়াৰ ব্যৱহাৰো নোহোৱা হ'ল।

০.১৬ দগ্‌নী ঃ 'দগ্‌নী' হৈছে বগা, কলা, ৰঙা, হালধী, সেউজীয়া, নীলা আদি বিভিন্ন ৰঙৰ মণি-মুকুতা। এই মণি-মুকুতাবোৰ ৰং মিলাই মালা হিচাপে গুঁথি ডিঙিত পৰিধান কৰে। দগ্‌নীক মণিবোৰৰ মাতৃ মণি হিচাপে ধৰা হয়। মিচিং জনবিশ্বাস মতে দগনী সজীৱ আৰু নিৰ্জীৱ দুই ধৰণৰ। নিৰ্জীৱ দগ্‌নী সকলো বয়সৰ মহিলাই পৰিলাই কৰে। সজীৱ দগ্‌নীক অপায়-অমংগল, জীৱাত্মা আদি নিয়ন্ত্ৰণ কৰিব পৰা ক্ষমতা থকা বুলি ধাৰণা কৰা হয়। সেয়েহে কাৰোবাৰ ডাঙৰ বেমাৰ, দুৰ্ঘটনা আদি হ'লে পূজা কৰি দগ্‌নী পিন্ধিব দিয়া নিয়ম মিচিং সমাজত প্ৰচলিত। মিবু (দেওধাই) সকলেও য়িৰঃ জাঃৰ সম্পন্ন সজীৱ দগ্‌নীৰে দেৱতা-অপদেৱতাৰ লগত সম্পৰ্ক স্থাপনেৰে মত বিনিময় কৰি বেমাৰ নিৰাময়ৰ বিধান দিব পাৰে।

০.১৭ তাদক ঃ 'তাদক'বোৰ দগ্‌নীৰ দৰেই বিভিন্ন ৰঙৰ মণি-মুকুতা। তাদগবোৰ দগনীতকৈ অলপ ডাঙৰ কিন্তু ইয়াকো দগ্‌নীৰ দৰেই মালা গুঁথি ব্যৱহাৰ কৰা হয়।

০.১৮ দক্‌চিৰি ঃ 'দক্‌চিৰি'বোৰে হৈছে দগনীৰ দৰেই বিভিন্ন ৰঙৰ মণি-মুকুতা। দক্‌চিৰিবোৰ সৰু সৰু কিন্তু ইয়াকো দগ্‌নীৰ দৰেই মালা গুঁথি ব্যৱহাৰ কৰা হয়। দক্‌চিৰি চেমনীয়া আৰু গাভৰু ছোৱালীয়ে বেছি পৰিধান কৰা দেখা যায়।

০.১৯ কংগে ঃ মিচিং মহিলাসকলে ধাতৱজাতীয় বস্তু ব্যৱহাৰ কৰিব জনাৰপৰা 'কংগে' (খাৰু) পিন্ধা আৰম্ভ হ'ল বুলি ক'ব পাৰি। কংগে সকলো বয়সৰ মহিলাই পৰিধান কৰিছিল যদিও পৰিৱেশ আৰু বয়স অনুপাতে নক্সাৰ ধৰণ বিভিন্ন আছিল। বৰ্তমান সচৰাচৰ বজাৰত পোৱা কংগেসমূহকেই প্ৰায়ভাগ মহিলাই ব্যৱহাৰ কৰা দেখা যায়।

০.২০ পিচিৰিং ঃ কংগে ব্যৱহাৰ কৰা সময়ৰপৰাই মিচিং মহিলাই ‘পিচিৰিং’ (কাণফুলি) ব্যৱহাৰ কৰিছিল বুলি ক’ব পৰা যায়। পিচিৰিং সকলো বয়সৰ মহিলাই পৰিধান কৰিছিল যদিও পৰিৱেশ আৰু বয়স অনুপাতে নক্সাৰ ধৰণ বিভিন্ন আছিল। বৰ্তমান সচৰাচৰ বজাৰত পোৱা পিচিৰিংসমূহকেই প্ৰায়ভাগ মহিলাই ব্যৱহাৰ কৰা দেখা যায়। তাৰোপৰি লাক্পু (হাতৰ বাজুত পিন্ধা), লাগনী কঃপু (আঙঠিজাতীয়), ৰুঃপুং (ডাঙৰ ৰিং আৰু ফুলযুক্ত কাণফুলি) আদিও পৰিধান কৰি সৌন্দৰ্যবৰ্ধনৰ পৰিৱেশ ৰচনা কৰিছিল।

মিচিংসকল ভৈয়ামলৈ অহাৰ বহু বছৰ পিছত আহোমসকলো অসমলৈ আহে। চুকাফাৰ বৰ অসমত সাংস্কৃতিকভাৱে মিচিংসকলেও এদিন চামিল হৈছিল। সেই বিষয়ে মিচিং বিহু হুঁচৰি গীতৰ পৰা ধাৰণা কৰিব পাৰি।

“ৰংঘৰ ঐ ৰঙা ঘৰ অ
গৰ (গড়) গাঁৱলৈ কিমান দূৰ আ।”

সেই তেতিয়াৰ পৰা মিচিংসকলেও আহোম ৰজাদিনীয়া অলংকাৰ - মাদলী, গলপতা, জোনবিৰি, জিঞ্জিৰি, চন্দ্ৰহাড়, জাংফাই, থুৰীয়া, গেজেৰা ইত্যাদি ব্যৱহাৰ কৰিবলৈ ধৰে।

**পৰিশেষত ঃ**

সাম্প্ৰতিক বজাৰত পোৱা আধুনিক সাজ-পাৰ আৰু আ-অলংকাৰৰ ব্যৱহাৰ অন্যান্য সমাজৰ দৰে মিচিং সমাজলৈও দ্ৰুতগতিত আগবাঢ়িছে। তথাপি মিচিং সমাজৰ ৰাজহুৱা অনুষ্ঠান, পূজা-উৎসৱ, বিয়া আদিত পৰম্পৰাগত সাজ-পাৰ আৰু আ-অলংকাৰ স্বকীয়তাৰে সুন্দৰ ৰূপত পৰিধান কৰা পৰিলক্ষিত হৈ আহিছে। সেয়েহে বৰ্ণাঢ্য ৰূপত মিচিং সাজ-পাৰ আৰু আ-অলংকাৰে উজ্বলি থাকিব বুলি আমাৰ দৃঢ়বিশ্বাস।

---

উৎস ঃ গ্ৰন্থ ঃ “মিচিং সমাজ সংস্কৃতি আৰু পৰম্পৰা” (পৃষ্ঠা ৩২-৪৬) জুৱেল পেগু।

# পঞ্চম অধ্যায়

## ৫.০১ উপ-সংহাৰ

ক্ষুদ্রতম্ গৱেষণা গ্রন্থখনিৰ বাবে আহৰণ কৰা তথ্য সমূহৰ পৰা বিভিন্ন সাংস্কৃতিক দিশৰ অনুমান পোৱা গ'ল। সময় পৰিবৰ্তনশীল গতিকে সময়ৰ গতিত সকলোৰে পৰিৱৰ্তন হয়। ইয়াৰ লগে লগে মানুহৰ মানসিকতাৰো পৰিৱৰ্তন আহে। ফলস্বৰূপে সংস্কৃতিৰ ক্ষেত্ৰতো কিছু নতুনত্ব আহি পৰে। এই নতুনত্বই হ'লে আধুনিকতা। সময়ৰ পৰিবৰ্তনে মিচিং সমাজৰ বিভিন্ন পৰিৱেশ্য কলাৰ ওপৰত কিছু নতুনত্বৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। মিচিং সকলৰ পৰম্পৰাগত নাচৰ আমূল পৰিবৰ্তন ঘটিছে। গুমৰাগ নৃত্যত আজিকালি জীৱন ধাৰণৰ বাবে কৰা বিভিন্ন কাৰ্য্য, যেনে - কোৰ মৰা, ধানৰ বীজ সিঁচা, ধান-কটা, কান্ধত ডাঙৰি কঢ়িওৱা, ধানমৰা, ধান খুন্দা, চালনিৰে চাউল খুন্দা আদিবোৰ ভংগীমাৰে প্ৰকাশ কৰা দেখা যায়। পুৰণি গুমৰাগ নাচক আধাৰ হিচাপে লৈ সৃষ্টিমূলক সংযোজন কৰা বুলি কিছু তথ্যত পোৱা যায়। উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত দ্বিতীয়টো বৃহত্তম জনগোষ্ঠীৰ যি পৰম্পৰাগত সাজপাৰ কিছু কিছুৱে পৰিধান কৰে যদিও সেই সাজ পৰিধান কৰাৰ সংখ্যা কমি আহিছে। যিহেতু সাজ-পাৰ, আ-অলংকাৰ আদিত আধুনিকতাৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছে। আনফালে বাদ্যযন্ত্ৰ সমূহত আৰু গীত-মাত আদিত বিভিন্ন ধৰণেৰে আধুনিকতাৰ প্ৰভাৱ পৰা যেন লাগে।

মিচিং বাদ্য সমূহত সাতামপুৰুষীয়া এই সাংস্কৃতিক সম্ভাৰবোৰৰ সংৰক্ষণ আৰু বিজ্ঞানসন্মতভাৱে বিশ্লেষণ আৰু অধ্যয়নে বহুতো নতুনত্ব প্ৰদান কৰিব পাৰিব যেন লাগে। বিশেষকৈ তাপুংবোৰত প্ৰয়োগ হোৱা কলা-কৌশল আৰু শব্দ তৰংগৰ সৃষ্টিয়ে উন্নত প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰত সমন্বয় ঘটাব পাৰিব। এইবোৰ প্ৰমালীবদ্ধ গৱেষণাত উন্নত যন্ত্ৰৰ শাৰীৰ স্থান লাভ কৰিবলৈ সক্ষম হ'ব পাৰিব বুলি আশা কৰিব পাৰি।

মিছিং সকলৰ লোকসংগীত সমূহ ভালদৰে লক্ষ্য কৰিলে দেখা যায় যে, এই গীত সমূহত আধুনিকতাৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছে। সাধাৰণতে মিছিং সকলৰ গীত বুলি ক'লে ঐনিতঃম আৰু আনুনিতম এই দুই ধৰণৰ গীত মনলৈ আহে যিহেতু বিহুৰ সময়ত ঐনিতঃমৰ ধ্বনি গাঁওবোৰৰ পৰা বহু দূৰলৈ ভাঁহি আহে। বৰ্তমান সময়তো মিছিং সমাজত ঐনিতমৰ সুৰীয়া সুৰ লিগাংৰ সময়ত ডেকা-গাভৰুৰ মাজত এতিয়াও চলি আহিছে। সেই ঐনিতমৰ সুৰ মই তথ্য আহৰণ কৰা লক্ষীমপুৰ জিলাৰ ‘ঘূনাসুঁতি’ নাম অঞ্চলটিৰ এটিয়াও জংকি-পানেৰে দেশ বুলি জনাজাত। কিয়নো সেই অঞ্চলত সৰহ সংখ্যক মিচিং এলেকা আছে। কিছু কিছু এলেকাত এতিয়াও আগৰ দিনৰ দৰে ৰাতিপুৱাই গৰুৰ হাল লৈ ঐনিতম এফাঁকি জুৰি পথাৰত নামে। সেইয়াই হ'ল জীৱন্ত অনুভূতি কৰাৰ এটা স্থান। য'ত সোমাই আছে অনাবিল আনন্দ আৰু সংস্কৃতিৰ এক নান্দনিক।

নাটক সমূহলৈ চালে দেখা পাও যে, তেওঁলোকৰ নাটক সমূহত আধুনিকতাৰ প্ৰভাৱ

পৰিছে যদিও কিছুমান দিশত পৰম্পৰাগত ভাৱে চলি অহা জীৱন শৈলীৰ সমাজ ব্যৱস্থাৰ ওপৰত নাটকসমূহ পৰিৱেশন কৰে আৰু তাৰে ভিতৰত 'মিৰি জীয়ৰী', (ৰজনীকান্ত বৰদলৈ) ৰ উপন্যাসখন নাটক আকাৰে মঞ্চত উপস্থাপন কৰা দেখা যায়। য'ত আছে মিৰি সমাজৰ বিভিন্ন বিশ্বাস, প্ৰেম-আদিৰ বিষয়ে নাটকখনত দেখুওৱা হৈছে।

সামগ্ৰিক ভাৱে মিচিং সমাজৰ পৰিৱেশ্য কলা সমূহ এতিয়াও কিছু আগৰ দৰে আছে আৰু কিছু সময়ৰ সোঁতত হেৰাই গৈছে।

**৫.০২ গৱেষণাৰ পৰা প্ৰাপ্ত সিদ্ধান্ত ঃ**

"উত্তৰ পৰীয়া মিচিং সমাজৰ পৰিৱেশ্য কলাৰ এক অধ্যয়ন" এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনি অধ্যয়ন কৰি পাওঁ যে, মিচিং সকলৰ বিভিন্ন ধৰণৰ নৃত্য, ঠাইভেদে বেলেগ দেখা পোৱা গ'ল। পৰিৱেশন শৈলী, সাজপাৰ, জীৱন শৈলীৰ এক আভাস পোৱা গ'ল। তেওঁলোকৰ বাদ্যযন্ত্ৰ সমূহ ইমানে বেছি যে, কিছুমান সংৰক্ষণৰ অভাৱত হেৰাই যাব ধৰিছে। তথাপিও বহুটো বাদ্যৰ সন্ভেদ পোৱা গ'ল। গীতৰ ফালৰ পৰাও মিচিংসকল বহু চহকী। তেওঁলোকৰ পৰম্পৰা বৰ্তমানেও বহুতো ঠাইত এতিয়াও বৰ্তি আছে।

তথ্য আহৰণ কৰিবলৈ যাওঁতে তেওঁলোকৰ নাট সমূহ দেখা পোৱা নগ'ল। যিহেতু তেওঁলোকে ডিচেম্বৰৰ পৰা ফেব্ৰুৱাৰী মাহত সেই নাট সমূহ পৰিৱেশন কৰে। সেইয়েহে দেখা পোৱা সৌভাগ্য নহ'ল। লিগাঙৰ সময়ত তেওঁলোকে বিভিন্ন নাচ-গান কৰা দেখা পোৱা গ'ল। লক্ষীমপুৰ জিলাৰ ঘূনাসুঁতি নামৰ ঠাইত সেই তাহানিৰ জংকি পানেইৰ দেশত যাওঁতে তেওঁলোকৰ নৃত্যানুষ্ঠান, বিভিন্ন পৰম্পৰা দেখা পাইছিলো।

বহাগ বিহুৰ সময়ত ক্ষেত্ৰ অধ্যয়ন কৰিবলৈ যাওঁতে তেতিয়া মিচিং সমাজৰ কিছুমান চেমনীয়া মিচিং হুঁচৰি দল লগ পালো। তথ্য আহৰণৰ পৰা তেওঁলোকে বহাগ বিহু, কাতিবিহু, মাঘ বিহু এই তিনিটা বিহু উদ্‌যাপন কৰে। তাৰ উপৰিও বিভিন্ন সময়ত ৰাস, ভাওনা বহাগ বিহুৰ অনুষ্ঠান পতা দেখা যায়।

বৰ্তমান সময়ত মিচিং সকলৰ পৰিৱেশ্য কলাৰ ওপৰত চৰকাৰেও বহুতো সুবিধা প্ৰদান কৰিছে আৰু তেওঁলোকৰ ভাষাৰ ওপৰত বিভিন্ন ধৰণৰ প্ৰচেষ্টা হাতত লোৱা হৈছে।

উল্লিখিত গীত, নৃত্য, বাদ্য আদি মিচিং সকলৰ চৰ্চা আৰু সংবৰ্দ্ধনৰ বাবে মিচিং সাংস্কৃতিক অনুষ্ঠানসমূহে বহুল পদক্ষেপ ল'লে সাংস্কৃতিক পৰিপূৰ্ণ জাতিটোৰ বাবে বহু উপকৃত হ'ব।

সাম্প্ৰতিক কালত মিচিং সকলৰ লোক নৃত্যসমূহত ব্যৱহৃত পোছাক-পৰিচ্ছেদ, বাদ্য-যন্ত্ৰ, গীত, নৃত্য ভংগী আদি সকলো ক্ষেত্ৰতে পৰিবৰ্তনৰ ঢৌৱে স্পৰ্শ কৰিছে। বিশ্বায়নৰ প্ৰভাৱত জনগোষ্ঠীটোৰ বিভিন্ন নৃত্যত পৰিধান কৰা সাজ- পোছাকতো পৰিৱৰ্তনৰ প্ৰভাৱ পৰিছে। ফলত ঐতিহ্য পৰম্পৰা হ্ৰাস পাইছে। ইলেক্টনিক বাদ্য-যন্ত্ৰৰ ব্যৱহাৰে এই গীত সমূহৰো স্বকীয় মাদকতা হেৰুৱাৰ উপক্ৰম হৈছে।

অতীতৰ পৰা চলি অহা গীত, নৃত্য, বাদ্য বৰ্তমান সময়ত কমি অহা দেখা গৈছে। বিশেষকৈ বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগ, গাঁৱৰ পৰা নগৰলৈ প্ৰবজন, শিক্ষাৰ প্ৰসাৰৰ বাবে দেৱ-দেৱীৰ প্ৰতি থকা বিশ্বাস বিভিন্ন কাৰণ হেৰাই গৈছে যেন অনুমান হয়। তথাপি মিচিং সমাজৰ পৰিৱেশ্য কলা সমূহ স্বকীয় বৈশিষ্ট্যৰে প্ৰতিষ্ঠা লাভ কৰক তাৰে কামনা কৰি এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনিত

লিপিবদ্ধ কৰা হ’ল।

**৫.০৩ ভৱিষ্যৎ গৱেষণাৰ কিছু দিশ ঃ**

“উত্তৰপৰীয়া মিচিং সমাজৰ পৰিৱেশ্য কলাৰ এক অধ্যয়ন” এই ক্ষুদ্ৰ গৱেষনা গ্ৰন্থখনি প্ৰস্তুত কৰিবলৈ যাওঁতে বহুতো নজনা কথা জানিব পাৰিলো। মিচিং সমাজৰ ওপৰত বহুতো গৱেষকে গৱেষণা কৰিছে যদিও এই মিচিং সমাজৰ ওপৰত বহুতো গৱেষণা কৰিব পৰা যাব তাৰে কেইটামান তলত দাঙি ধৰা হ’ল ।

- মিচিং সমাজৰ সংস্কৃতিৰ এক অধ্যয়ন।
- মিচিং সকলৰ বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতি।
- মিচিং সমাজৰ বাদ্যযন্ত্ৰৰ ইতিহাস আৰু বৰ্তমান সময়ত ইয়াৰ স্থিতি।
- মিচিং সকলৰ পৰম্পৰাগত জীৱন শৈলী।
- মিচিং সমাজ আৰু শংকৰদেৱৰ প্ৰভাৱ।
- মিচিং সকলৰ পৰম্পৰাগত খাদ্য আৰু ইয়াৰ লগত জড়িত ইতিহাস।
- নৈ পৰীয়া মিচিং সকলৰ জীৱন শৈলী।
- সামগ্ৰিকভাৱে অসমীয়া সংস্কৃতিলৈ মিচিং সংস্কৃতিৰ অৱদান।

আৰু বহুতো গৱেষণা কৰিব পৰা উৎস আছে। গতিকে আগলৈ যদি কোনো গৱেষকে গৱেষণা কৰিব বিচাৰে তেন্তে সেই গৱেষণাৰ বাবে এনেধৰণৰ বিষয়ৰ ওপৰত গৱেষণা কৰিব পাৰিব।

## গ্ৰন্থপঞ্জী


কাগ্য়ুড° মৃণালী ঃ “ক্ৰমবিৱৰ্তনত মিচিং লোক উৎসৱ”

কামান জাতিৰাম ঃ “মিচিং সমাজ আৰু জাতীয় সংগঠন”

টাইদ টাবু ঃ “মিচিং লোক সংগীতৰ পৰম্পৰা”

Doley Dr. Bidyeswar : "Follk Dance of The Missing"

দেৱ গোস্বামী হৰেন্দ্ৰ ঃ “এইয়া লক্ষীমপুৰ ঃ গ্ৰন্থ - লক্ষীমপুৰ দৰ্পন ”

পায়েং সদানন্দ ঃ “মিচিং সমাজ আৰু সংস্কৃতি” প্ৰকাশক ঃ জাগৰণ সাহিত্য প্ৰকাশন

পাটৰ পদ্ম ঃ “জনজাতীয় সমাজ সংস্কৃতি”

পেগু জুৰেল ঃ “মিচিং সমাজ-সংস্কৃতি আৰু পৰম্পৰা”

পেগু ড° গনেশ ঃ “মিচিং জন-সাহিত্য”, প্ৰকাশক ঃ বহ্নিমান প্ৰিণ্টাৰ্চ

পেগু ঐ অপ্লুন গনেশ ঃ “ৰহণীয়া মিচিং সমাজ আৰু ভাষা” - সংস্কৃতিৰ গতিবিধি

পেগু নগেন ঃ “মিচিং ভাষা শিক্ষা”

পেগু মিগাং বিকাশঃ আম্‌পিৰ - ২০২৫ - সম্পাদক

ঃ “লোক উৎসৱৰ তাৎপৰ্য”- জুৰেল পেগু - Published Asomiya Pratidin Paper. 19 Feb, 2025.

ঃ “মিচিং লোক সাহিত্য” - Doksiri ই - আলোচনী।

ঃ "Doksiri" ই - আলোচনী।

ঃ "Doksiri" দ্বিভাষিক ই - আলোচনী।

**তথ্য দাতাৰ তালিকাঃ**

| ক্র. নং | নাম | বয়স | বৃত্তি | ৰাপ |
|---|---|---|---|---|
| ১) | মনচিৰাম টাইদ | ৭৫ | খেতিয়ক | সমাজকৰ্মী |
| ২) | ঐচেং টাইদ | ৫৯ | গৃহিণী | কৃষি |
| ৩) | ৰমেশ শইকীয়া | ৫৫ | খেতিয়ক | সাংস্কৃতিক কৰ্মী |
| ৪) | আপেল টাইদ | ৫০ | গৃহিণী | লোকনৃত্য সাধক |
| ৫) | জুৰেল পেগু | ৪৯ | চাকৰি | লেখক |
| ৬) | পুষ্পাঞ্জলি দলে | ৪০ | চাকৰি | সাংস্কৃতিক কৰ্মী |


REDMI NOTE 5 PRO
MI DUAL CAMERA

গুমৰাগ নৃত্য


REDMI NOTE 5 PRO
MI DUAL CAMERA



**পৰম্পৰাগত হুঁচৰি বিহু**



**বহাগ বিহুত মিচিং ল'ৰা-ছোৱালীৰ হুঁচৰি**



গুমৰাগ নৃত্য



আলিঃ আইঃ লৃগাং



ইদুআই



ইৰেতাপু



পুনাংতাপুং



পেম্পা



পুমচুতাপুং (যুৰীয়া তাপুং)



গোংগাং



তুঃতকতাপুং



কীত্‌পং তাপুং



আঁজুগ তাপুং



তুঃলং তাপুং



বুৰবুৰ



য়াকচা চাপীৰাং



মাৰবং



তথ্য সংগ্রহ আলিঃ আইঃ লৃগাং






ৰিঃবিঃ গাচেং পিন্ধা কনেং



মিচিং বোৱাৰীৰ সাজ-পাৰ



কনেং



পৰম্পৰাগত সাজপাৰ



চাং ঘৰ



মুৰং ঘৰ



লৃগাংৰ বাটচ'ৰা



গাঁৱৰ লোক



ল্গাংত ধান সিঁচা



দঃবী পূজা





দঃৰী পূজা


পুৰাং আপিন্


তৰা পাত



টঙী ঘৰ


শস্য সিঁচা স্থান



তথ্যদাতা পুষ্পাঞ্জলি দলে




তথ্যদাতা মঞ্চিৰাম টাইদ



তথ্যদাতা জুৰেল পেগু




তথ্যদাতা ঐ চেং টাইদ




তথ্যদাতা আপেল টাইদ




তথ্যদাতা ৰাজেন বৰা